www.asombarta.in
শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক
# অসম বাৰ্তা
PRGI REGD. NO. : ASASS/25/A2361
অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক
ষষ্ঠ বছৰ ❑ সংখ্যা - ২৩৮ ❑ বৃহস্পতিবাৰ ❑ ২০ নৱেম্বৰ, ২০২৫ চন ❑ ৩ আঘোণ, ১৯৪৭ শক ❑ VOL - 6 ❑ NO.- 238 ❑ Thursday ❑ 20th November, 2025 ❑ মূল্য ঃ ১০.০০ টকা ❑ মুঠ পৃষ্ঠা ঃ ৮

ফুল আৰু পখিলাক বাহ্যিক ৰূপেৰে জুখিবা, মানুহক নুজুখিবা।
— ৰবীন্দ্ৰনাথ ঠাকুৰ।

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

■ যুৱ নেতৃত্ব সন্মিলনত অংশগ্ৰহণ আৰ এছ এছ প্ৰধান মোহন ভাগৱত ■


## সংঘক ওচৰৰ পৰা চিনি লওক প্ৰচাৰৰ ধাৰণাত নহয় ঃ যুৱ নেতৃত্বলৈ মোহন ভাগৱতৰ আহ্বান



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৯ নৱেম্বৰ ঃ** দুদিনীয়া অসম ভ্ৰমণৰ প্ৰথম দিনটোতে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সৰসংঘচালক ড° মোহন ভাগৱতে গুৱাহাটীৰ বৰবাৰীস্থিত সুদৰ্শনালয়ত আয়োজিত "যুৱ নেতৃত্ব সন্মিলন"ত অংশগ্ৰহণ কৰি উত্তৰ-পূৰ্বাঞ্চলৰ তিনি শতাধিক যুৱ প্ৰতিনিধিক সম্বোধন কৰে। সৰসংঘচালকগৰাকীয়ে। সমাজৰ বিভিন্ন ক্ষেত্ৰৰ পৰা অহা যুৱ নেতৃত্বৰ সন্মুখত সৰসংঘচালকে স্পষ্ট বাৰ্তা দিয়ে, "সংঘৰ বিষয়ে পূৰ্বধাৰণা বা উদ্দেশ্যপ্ৰণোদিত ▸▸৬ পৃষ্ঠাত

## ১০ ডিচেম্বৰত উন্মোচন হ'ব বৃহৎ শ্বহীদ স্মাৰক !

জুবিনৰ সমাধিত মদ ঢালিলে চাৰ্জশ্বীটৰ পিছত হ'ব গ্ৰেপ্তাৰ ঃ মুখ্যমন্ত্ৰী



**ষ্টাফ ৰিপ'ৰ্টাৰ, দিছপুৰ, ১৯ নৱেম্বৰ:** অসম আন্দোলনৰ শ্বহীদসকলৰ সোঁৱৰণত নিৰ্মাণাধীন বৃহৎ শ্বহীদ স্মাৰকৰ কাম পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বুধবাৰে একাধিক গুৰুত্বপূৰ্ণ ঘোষণা কৰে। বৰাগাঁৱৰ শ্বহীদ ন্যাস প্ৰাঙ্গণত উপস্থিত হৈ তেওঁ জনায় যে, আগন্তুক ১০ ডিচেম্বৰত এই স্মাৰকৰ আনুষ্ঠানিক উন্মোচন কৰা হ'ব।" বিগত পাঁচ ▸▸৬ পৃষ্ঠাত

এছআৰ প্ৰক্ৰিয়াক 'ভুৱা ভোটাৰ তালিকাৰ চাল' আখ্যা গৌৰৱ গগৈৰ

## আদানীক ৪০ হাজাৰ বিঘা মাটি দিয়া হ'ল, আদানী হিমন্ত বিশ্বৰ মালিক নেকি !



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৯ নৱেম্বৰ:** অসমত আহিবলগীয়া বিশেষ সংক্ষিপ্ত সংশোধন (এছ আৰ) প্ৰক্ৰিয়াক তীব্ৰ সমালোচনা কৰিছে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে। তেওঁৰ মতে, এই প্ৰক্ৰিয়াৰ জৰিয়তে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই "ডুবি থকা নাও" বচাবলৈ বিহাৰ আৰু উত্তৰ প্ৰদেশৰ পৰা লোক আনি ভুৱা ভোটাৰ তালিকা প্ৰস্তুত কৰিব বিচাৰিছে। আজি ▸▸৬ পৃষ্ঠাত

## লাহৰীঘাট থানা আৱাসত উপ-পৰিদৰ্শকৰ বিৰুদ্ধে মহিলাৰ শ্লীলতা হানিৰ অভিযোগ

**অসম বাৰ্তা, ভূৰাগাঁও, ১৯ নৱেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষী থানাৰ এজন উপ-পৰিদৰ্শকৰ বিৰুদ্ধে উত্থাপন হৈছে গুৰুতৰ অভিযোগ। অভিযোগ মতে ▸▸৬ পৃষ্ঠাত

উপ-মুখ্যমন্ত্ৰীৰ নাম চূড়ান্ত, অধ্যক্ষ আৰু মন্ত্ৰালয় বিতৰণত এতিয়াও জটিলতা

# ইতিহাস সৃষ্টিৰে আজি শপত ল'ব নীতিশ কুমাৰে

শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব প্ৰধানমন্ত্ৰী-গৃহমন্ত্ৰী



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৯ নৱেম্বৰ ঃ** অহা বৃহস্পতিবাৰে পাটনাৰ ঐতিহাসিক গান্ধী ময়দানত দশমবাৰৰ বাবে বিহাৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব জেডি(ইউ) নেতা নীতিশ কুমাৰে। এন ডি এ জোঁটৰ নেতৃত্বত গঠন হ'বলগীয়া নতুন চৰকাৰখনৰ শপত গ্ৰহণৰ সময় ওচৰ চাপি অহাৰ লগে লগে উপ-মুখ্যমন্ত্ৰীৰ নাম চূড়ান্ত হৈছে যদিও মন্ত্ৰালয় বিতৰণ আৰু বিধানসভাৰ অধ্যক্ষ পদক লৈ জোঁটৰ ভিতৰত জটিলতা বাঢ়িছে। সূত্ৰ অনুসৰি, নীতিশ কুমাৰৰ লগতে পুনৰ দুয়োগৰাকী পুৰণা উপ-মুখ্যমন্ত্ৰীয়ে শপত ল'ব। বিজেপিৰ সম্ৰাট চৌধুৰী আৰু বিজয় কুমাৰ সিনহাই আকৌ এবাৰ উপ-মুখ্যমন্ত্ৰীৰ দায়িত্ব ল'ব। কেন্দ্ৰীয় গৃহ মন্ত্ৰী নিত্যানন্দ ৰায়ে আনুষ্ঠানিকভাৱে এই দুয়োজনৰ নাম ঘোষণা কৰিছে। সম্ৰাট চৌধুৰীক বিহাৰ বিজেপিৰ সংসদীয় দলৰ নেতা হিচাপেও নিৰ্বাচিত কৰা হৈছে। এইবাৰ উপ-মুখ্যমন্ত্ৰীৰ দুয়োখন আসনেই বিজেপিৰ হাতত থাকিল। উপ-মুখ্যমন্ত্ৰীৰ বিষয়ে কোনো মতানৈক্য নোহোৱা হ'লেও বিধানসভাৰ অধ্যক্ষ পদক লৈ বিজেপি আৰু জেডি(ইউ)ৰ মাজত তীব্ৰ টানাপ্ৰেক্ষণি চলি আছে। দুয়োটা দলে এই গুৰুত্বপূৰ্ণ পদ নিজৰ হাতত ৰাখিবলৈ আপ্ৰাণ চেষ্টা চলাইছে। বৰ্তমানৰ অধ্যক্ষ নৰেন্দ্ৰ নাৰায়ণ যাদৱ জেডি(ইউ)ৰ হৈ এই পদ ▸▸৬ পৃষ্ঠাত



## বীৰ লাচিত সেনা অসমৰ মুখ্য সচিব ৰণ্টু পানীফুকনক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৯ নৱেম্বৰ ঃ** খিলঞ্জীয়া ৰাইজৰ সাহস আৰু আত্মবিশ্বাসক প্ৰত্যয় হিচাপে বীৰ লাচিত সেনা ঠিয় হৈ আছে আৰু থাকিব। এই মন্তব্য বীৰ লাচিত সেনা অসমৰ মুখ্য সচিব ৰণ্টু পানী ফুকনৰ। নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে থানাত ৰুজু হোৱা ২৪০/২৫ নং গোচৰৰ আধাৰত শোণিতপুৰৰ পৰা ▸▸৬ পৃষ্ঠাত



## অসমৰ মহিলা এতিয়া এক বিশাল শক্তি ঃ মুখ্যমন্ত্ৰী

## চিহ্নিত ৩৩ হাজাৰৰো অধিক উদ্যমী মহিলালৈ ১০ হাজাৰকৈ ধন বিতৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৯ নৱেম্বৰ ঃ** "অসমৰ মহিলাসকল এতিয়া এক বিশাল শক্তিলৈ পৰিণত হৈছে। তেওঁলোকক আগবঢ়াই দিলে তেওঁলোক সফল হ'বই।" এই মন্তব্য আজি নলবাৰী জিলাৰ চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ খেলপথাৰত আয়োজিত এখন বিশাল জনসভাত প্ৰদান কৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। অনুষ্ঠানত টিহু বিধানসভা সমষ্টিৰ ৩৩, ৪৩১ গৰাকী উদ্যমী মহিলালৈ 'মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান'ৰ অধীনত ১০ হাজাৰ টকাকৈ মূলধনী সাহায্যৰ চেক বিতৰণ কাৰ্যৰ শুভাৰম্ভ কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। এই সংখ্যাৰ ▸▸৬ পৃষ্ঠাত

## ভাৰত-দক্ষিণ আফ্ৰিকা দল উপস্থিত গুৱাহাটীত


বৰ্ষাপাৰাত প্ৰথমবাৰৰ বাবে টেষ্ট ক্ৰিকেটৰ মহাৰণ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৯ নৱেম্বৰ ঃ** অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ক্ৰিকেটপ্ৰেমীৰ বাবে এক ঐতিহাসিক মুহূৰ্তৰ সাক্ষী হ'বলৈ মাত্ৰ তিনিদিন বাকী। আহি থকা ২২ নৱেম্বৰত গুৱাহাটীৰ এ চি এ ষ্টেডিয়াম, বৰ্ষাপাৰাত অনুষ্ঠিত হ'ব ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ▸▸৬ পৃষ্ঠাত

কংগ্ৰেছৰ সৈতে নহয় মিত্ৰতা, ওৱেইছিৰ সৈতে আলোচনা ঃ বদৰুদ্দিন আজমল


## কাৰাগাৰৰ পৰাই নিৰ্বাচন খেলিব আমিনুল ইছলামে



**অসম বাৰ্তা, বটদ্ৰৱা, টুকটুকী, ১৯ নৱেম্বৰ ঃ** পহলগাম কাণ্ডৰ বিতৰ্কিত মন্তব্যৰ পৰিপ্ৰেক্ষিতত এন এছ এৰ অধীনত কাৰাগাৰত বন্দী হৈ থকা ধিং সমষ্টিৰ এ আই ইউ ডি এফৰ বিধায়ক আমিনুল ইছলামক আজি নগাঁও কেন্দ্ৰীয় কাৰাগাৰত সাক্ষাৎ কৰিলে দলৰ সৰ্বভাৰতীয় ▸▸৬ পৃষ্ঠাত

## উধাৰবন্দত উৎকোচ লৈ ধৰা পৰিল ব্লক শিক্ষা বিষয়া মাধৱ সাহা

**ষ্টাফ ৰিপ'ৰ্টাৰ, কাছাৰ, ১৯ নৱেম্বৰ ঃ** কাছাৰ জিলাৰ উধাৰবন্দ ব্লকৰ ব্লক প্ৰাথমিক শিক্ষা বিষয়া মাধৱ সাহাক ৭, ০০০ টকা উৎকোচ গ্ৰহণ কৰি থকাৰ সময়তে ৰঙা হাতে গ্ৰেপ্তাৰ কৰিছে মুখ্যমন্ত্ৰীৰ বিশেষ ভিজিলেঞ্চ শাখাই। জানিব পৰা মতে, উধাৰবন্দৰ এখন চৰকাৰী ▸▸৬ পৃষ্ঠাত




অসমখনক সুৰক্ষিত ৰাখিবলৈ হ'লে মৰাণ জনগোষ্ঠীৰ দৰে ভূমিপুত্ৰসকলক জনজাতিকৰণৰ মৰ্যাদা দিবই লাগিব ঃ পলাশ চাংমাই

## তিনিচুকীয়াৰ বাৰেকুৰিত যুৱ-ছাত্ৰ পৰিষদৰ বীৰ ৰাঘৱ মৰাণ দিৱস উদ্‌যাপন



**বাৰেকুৰিৰ যজ্ঞোখোৱাৰ পৰা ৰবীন মৰাণ, ১৯ নৱেম্বৰ ঃ** "অসমখনক সুৰক্ষিত ৰাখিবলৈ হ'লে মৰাণ জনগোষ্ঠীৰ দৰে ভূমিপুত্ৰসকলক জনজাতিকৰণৰ মৰ্যাদা দিবই লাগিব।" - এই মন্তব্য পলাশ চাংমাইৰ। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সৌজন্যত তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত আৰু মাকুম আঞ্চলিক সমিতি, জাতীয় মহিলা পৰিষদৰ তিনিচুকীয়া জিলা সমিতি, জাতীয় মহিলা পৰিষদৰ মাকুম আঞ্চলিক সমিতি আৰু স্থানীয় ৰাইজৰ আতিথ্যত তিনিচুকীয়া জিলাৰ বাৰেকুৰি অঞ্চলৰ যজ্ঞোখোৱা ৰাজহুৱা খেলপথাৰত ১৮ আৰু ১৯ নৱেম্বৰত অনুষ্ঠিত ২৯০ সংখ্যক বীৰ ৰাঘৱ মৰাণ দিৱসত পতাকা উত্তোলন কৰি দিয়া ভাষণত পৰিষদৰ কেন্দ্ৰীয় সভাপতিগৰাকীয়ে উক্ত মন্তব্য কৰে। তেওঁ আৰু কয় যে আজিলৈকে চৰকাৰৰ বিৰুদ্ধে আন্দোলন নকৰাকৈ, চৰকাৰক শলঠেকত নেপেলোৱাকৈ প্ৰাপ্য অধিকাৰ পোৱাৰ উদাহৰণ নাই। জনজাতিকৰণৰ মৰ্যাদা নোপোৱালৈকে এই নিঃকিন জনগোষ্ঠীসমূহে সাংবিধানিক অধিকাৰ নাপায়। পতাকা উত্তোলনৰ পাছতে স্মৃতি তৰ্পণ কৰে পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক বিজন বায়নে। সতীৰ্থ স্মৰণ আৰু বীৰ ৰাঘৱ মৰাণৰ প্ৰকৃতিত মাল্যাৰ্পণৰ পাছতেই জিলাখনৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহৰ মুৰব্বী, সাংবাদিক তথা বিভিন্ন দল-সংগঠনৰ আমন্ত্ৰিত ▸▸৬ পৃষ্ঠাত

পৰ্যটন বিভাগৰ নিযুক্তি কেলেংকাৰী !

## দুজনক গ্ৰেপ্তাৰ মুখ্যমন্ত্ৰীৰ ভিজিলেন্সৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৯ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰীৰ ভিজিলেন্স আৰু দুৰ্নীতি প্ৰতিৰোধ শাখাই আজি দুজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। এই গোচৰটো ২০১২-১৩ বৰ্ষত অসম ▸▸৬ পৃষ্ঠাত

## আধাৰ কাৰ্ডত নাথাকিব নাম-ঠিকনা, থাকিব কেৱল ছবি আৰু কিউআৰ ক'ড



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৯ নৱেম্বৰ ঃ** আধাৰ কাৰ্ডৰ বৰ্তমানৰ আৰ্হি আমূলভাৱে সলনি হ'বলৈ ওলাইছে। আহা ডিচেম্বৰ মাহৰ পৰাই নতুন ডিজাইনৰ আধাৰ কাৰ্ড জাৰি কৰাৰ পৰিকল্পনা কৰিছে ইউনিক আইডেণ্টিফিকেচন অথ'ৰিটি অৱ ইণ্ডিয়াই (ইউআইডিএআই)। এই সিদ্ধান্তৰ কথা প্ৰকাশ কৰিছে সংস্থাটোৰ মুখ্য কাৰ্যনিৰ্বাহী বিষয়া ▸▸৬ পৃষ্ঠাত

■ শিৱসেনাৰ দাবী, ২০ৰো অধিক বিধায়ক আমাৰ সৈতে আছে যোগাযোগত ■

## মহাৰাষ্ট্ৰত মন্ত্ৰীসভাত বিভাজন ১২ৰো অধিক মন্ত্ৰীৰ কেবিনেট বৈঠক ত্যাগ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৯ নৱেম্বৰ ঃ** মহাৰাষ্ট্ৰৰ বিজেপি নেতৃত্বাধীন মহাযুঁটি চৰকাৰৰ ভিতৰত গভীৰ অসন্তোষ আৰু বিভাজনৰ চিন এতিয়া প্ৰকাশ্যলৈ আহিছে। বুধবাৰে অনুষ্ঠিত কেবিনেট বৈঠকৰ পৰা মুখ্যমন্ত্ৰী একনাথ শিন্দেৰ নেতৃত্বাধীন শিৱসেনাৰ ১২ গৰাকীৰো অধিক মন্ত্ৰীয়ে ক্ষোভেৰে ওলাই যোৱাৰ পিছতে শিৱসেনা (উদ্ধৱ বালাসাহেব ঠাকৰে)ৰ ▸▸৬ পৃষ্ঠাত

মুম্বাইত শাৰদ পাৱাৰক সাক্ষাৎ ঃ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ কটাক্ষ

## জুবিনৰ জন্মদিনৰ দিনাই অসমত নাই অখিল গগৈ



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৯ নৱেম্বৰ ঃ** জুবিন গাৰ্গৰ জন্মদিনতেই অসমৰ বিৰোধী দলীয় নেতা তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈ মুম্বাইত আছিল এন চি পিৰ প্ৰবীণ নেতা শাৰদ পাৱাৰ ▸▸৬ পৃষ্ঠাত

নৱপ্ৰজন্মৰ কবি-লেখকে ভাষাৰ শুদ্ধতাৰ প্ৰতি সজাগ-সচেতন হ'ব লাগিবঃ অক্ষয় কুমাৰ মিশ্ৰ

# চেঙাত বিৰিণা গোষ্ঠী, অসমৰ ৰঘুনাথ চৌধাৰীৰ স্মৃতিদিৱস আৰু জুবিন গাৰ্গৰ ওপজা দিন পালন

## অক্ষয় কুমাৰ মিশ্ৰক ৰঘুনাথ চৌধাৰী সোঁৱৰণী বিশেষ বঁটা প্ৰদান

**অসম বাৰ্তা, চেঙা, ১৯ নৱেম্বৰ ঃ** অসমৰ অন্যতম সাহিত্য-সাংস্কৃতিক অনুষ্ঠান বিৰিণা গোষ্ঠী-অসমৰ উদ্যোগত আৰু চেঙাস্থিত চি এচ চি বাল বিদ্যালয়ৰ সহযোগত কালি চি এচ চি বাল বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায় বিৰিণা গোষ্ঠী-অসমৰ নৱেম্বৰ মাহৰ সাহিত্য আলাপ বিৰিণা বৈভৱ অনুষ্ঠান। উক্ত অনুষ্ঠানত বিহগী কবি ৰঘুনাথ চৌধাৰীৰ স্মৃতিচাৰণ আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ওপজা দিন পালন কৰা হয়। প্ৰথম কাৰ্যসূচী হিচাপে জুবিনৰ স্মৃতিত নাহৰৰ পুলি ৰোপণ কৰে চেঙাস্থিত চি এচ চি বাল বিদ্যালয়ৰ অধ্যক্ষ বসন্ত ঠাকুৰীয়াই। সন্ধিয়া ৫ বজাত বিৰিণা গোষ্ঠী-অসমৰ সভাপতি জিয়াউৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত হয় বিৰিণা বৈভৱ, বঁটা প্ৰদান, গ্ৰন্থ উন্মোচন আৰু স্মৃতিচাৰণ সভা। বিহগী কবি ৰঘুনাথ চৌধাৰীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু ৰঘুনাথ চৌধাৰীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে ৰামানুজন একাডেমীৰ অধ্যক্ষ ৰোহিণী কুমাৰ দাসে আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে চেঙাস্থিত মধ্য কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড গোপেশ কুমাৰ শৰ্মাই। গোষ্ঠীটোৰ সম্পাদক বনজিৎ বৈশ্যই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত আদৰণী ভাষণ প্ৰদান কৰে চি এচ চি বাল বিদ্যালয়খনৰ অধ্যক্ষ বসন্ত ঠাকুৰীয়াই। সভাখনত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি ৰঘুনাথ চৌধাৰীৰ জীৱন-দৰ্শন, সৃষ্টি-ৰাজি আৰু জুবিন গাৰ্গ সম্পৰ্ক বক্তব্য প্ৰদান কৰে মধ্য কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গোপেশ কুমাৰ শৰ্মাই। ড° শৰ্মাই কয় যে- "ৰঘুনাথ চৌধাৰীও প্ৰকৃতি প্ৰেমী আছিল আৰু জুবিন গাৰ্গো প্ৰকৃতি প্ৰেমী আছিল। যিসকল ব্যক্তিৰ জীৱন সংকটৰ মাজত চলে, বাধাৰ মাজত চলে সেই ব্যক্তিসকলে প্ৰকৃতিৰ মাজত বিচাৰি পায় জীয়াই থকাৰ অৰ্থ।" ৰামানুজন একাডেমীৰ অধ্যক্ষ ৰোহিণী কুমাৰ দাসে সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি বিৰিণা গোষ্ঠী-অসমৰ কাম-কাজক প্ৰশংসা কৰি কয় যে- "উৎসাহজনক কৰ্মৰ ফল সদায় দিগন্ত ব্যাপি থাকে।" ৰঘুনাথ চৌধাৰীৰ সৃষ্টিৰাজি সম্পৰ্কতো বিস্তৃতভাবে আলোচনা আগবঢ়ায় ৰোহিনী কুমাৰ দাসে। আনহাতে সদৌ অসম সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক নকুল তালুকদাৰে সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। তালুকদাৰে ক্ষোভ ব্যক্ত কৰি কয় যে- বিহগী কবি ৰঘুনাথ চৌধাৰীক নতুন প্ৰজন্মই যিদৰে জানিব লাগে, যিধৰণে অসমত প্ৰচাৰ-প্ৰসাৰ হ'ব লাগে, যি ধৰণে অসম সাহিত্য সভাই বিহগী কবি ৰঘুনাথ চৌধাৰীৰ আদৰ্শক স্থাপন কৰি প্ৰচাৰ -প্ৰসাৰ কৰিব লাগে, ৰজাঘৰীয়াই যিদৰে ৰঘুনাথ চৌধাৰীক মান্যতা দিব লাগে, ৰঘুনাথ চৌধাৰীৰ সৃষ্টিৰাজি যিদৰে সংৰক্ষণ কৰিব লাগে তেনে কৰা হোৱা নাই। সেয়েহে বিৰিণা গোষ্ঠী-অসমে ৰঘুনাথ চৌধাৰীৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ৰাজ্যখনৰ ভিন্ন প্ৰান্তত ৰঘুনাথ চৌধাৰীৰ স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰি ৰঘুনাথ চৌধাৰীৰ সোঁৱৰণত বঁটা প্ৰদান কৰি আহিছে।" উক্ত সভাতেই বিশিষ্ট সাহিত্যিক-শিক্ষাবিদ অক্ষয় কুমাৰ মিশ্ৰই গোষ্ঠীটোৰ ক্ষুদ্ৰ কাব্য আলোচনী "বীথিকা"ৰ জুবিন গাৰ্গ বিশেষ সংখ্যাটো উন্মোচন কৰে। বিৰিণা গোষ্ঠী-অসমে প্ৰতিবছৰে প্ৰদান কৰি অহা ৰঘুনাথ চৌধাৰী সোঁৱৰণী বিশেষ বঁটা এইবেলি বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ, পণ্ডিত অক্ষয় কুমাৰ মিশ্ৰক প্ৰদান কৰে। সভাখনত অক্ষয় কুমাৰ মিশ্ৰক মধ্য কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গোপেশ কুমাৰ শৰ্মাৰ হাতেৰে গোষ্ঠীটোৱে এই বঁটা প্ৰদান কৰে। চেলেং চাদৰ, বিৰিণা গোষ্ঠী, অসমৰ নামবচা গামোচা, গ্ৰন্থৰ টোপোলা, হেমকোষ অভিধান, স্মাৰক, প্ৰশংসা পত্ৰ আৰু ফুলাম জাপিৰে এই বঁটা দিয়া বুলি জানিবলৈ দিয়ে গোষ্ঠীটোৰ বিত্ত সম্পাদক জয়ন্ত ডেকাই। বঁটা গ্ৰহণ কৰি অক্ষয় কুমাৰ মিশ্ৰই নিজৰ অনুভৱ ব্যক্ত কৰি কয় যে- "ৰঘুনাথ চৌধাৰীৰ নামত বঁটা লোৱাৰ যোগ্যতা মোৰ নাই। কিন্তু বিৰিণা গোষ্ঠীয়ে আজি মোক যি বঁটা দিছে এই বঁটা ৰঘুনাথ চৌধাৰীৰ আশীৰ্বাদ আৰু বিৰিণা গোষ্ঠীৰ মৰম-শুভেচ্ছা হিচাপে গ্ৰহণ কৰিছোঁ। মই বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছোঁ যদিও ওচৰৰে অনুষ্ঠান বিৰিণা গোষ্ঠী-অসমৰ স'তে সংপৃক্ত হ'ব পৰা নাছিলোঁ। কিন্তু বিৰিণা গোষ্ঠী-অসমৰ কাম-কাজ মই আলেঙে আলেঙে লক্ষ্য কৰিছিলোঁ। মোৰ বিভিন্ন শুভাকাংক্ষীৰ পৰা বিৰিণা গোষ্ঠী-অসমৰ কথা জানিব পাৰিছিলোঁ। সাহিত্য চৰ্চাৰ ক্ষেত্ৰত ধাৰাবাহিকভাবে কাম কৰি থকা বিৰিণা গোষ্ঠীলৈ মোৰ সদায় শুভ কামনা আছে।" নৱপ্ৰজন্মৰ কবি-লেখকসকললৈ আহ্বান জনাই অক্ষয় কুমাৰ মিশ্ৰই কয় যে- নৱপ্ৰজন্মৰ লেখক-কবি সকলৰ যথেষ্ট প্ৰতিভা আছে; কিন্তু হৃদয়বৃত্তিত দুৰ্বল। তেওঁলোকৰ হৃদয়বৃত্তি আৰু বুদ্ধিবৃত্তি থাকিব লাগিব। নৱপ্ৰজন্মৰ লেখকসকলৰ হৃদয়বৃত্তি আৰু বুদ্ধিবৃত্তিৰ মণিকাঞ্চন সংযোগ হ'ব লাগিব। যি কথা জুবিন গাৰ্গে দেখুৱাই থৈ গৈছে। ভাষাৰ শুদ্ধতাৰ প্ৰতিও নৱপ্ৰজন্ম সজাগ আৰু সচেতন হ'ব লাগিব। " জুবিন গাৰ্গৰ আধৰুৱা কামবোৰৰ কথা উল্লেখ কৰি পুনৰ অক্ষয় কুমাৰ মিশ্ৰই কয় যে- আমি জুবিন গাৰ্গক প্ৰকৃত ৰূপত ভাল পাবলৈ হ'লে তেওঁৰ আধৰুৱা কামবোৰ সম্পূৰ্ণ কৰিব লাগিব। জুবিনে সংগীত মহাসভা গঢ়ি তোলাৰ কথা আছিল। সকলো শিল্পী -সংগীতজ্ঞক একেলগ কৰি সংগীত মহাসভা গঢ়ি তোলাৰ অপূৰ্ণ সপোনটো আমি পূৰ্ণ কৰিব লাগিব। জুবিনৰ নামত সঁচা অৰ্থত এখন উদ্যান, এটা সংগ্ৰহালয়ত হ'ব লাগিব। " সভাখনত চেঙা ঐক্য সন্মিলনৰ সভাপতি গৌতম পাঠক, সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ উপদেষ্টা কামৰুজ জামান, লেখক- সাংস্কৃতিক কৰ্মী কল্প তালুকদাৰ, নিজ চেঙা গাঁও পঞ্চায়তৰ সভানেত্ৰী ববিতা দাস তালুকদাৰেও ভাষণ প্ৰদান কৰে। চি এচ চি বাল বিদ্যালয়খনৰ বৰষা দেৱী, ত্ৰিদিষা কলিতা, নীৰৱ প্ৰতীম ডেকা, জ্যোতিষ্মান পাঠক, উৰ্বশী বড়ো, অনিন্দিতা ডেকা আৰু পৰিস্মিতা ডেকা নামৰ কণ কণ ছাত্ৰ-ছাত্ৰীয়ে নৃত্য-গীত পৰিৱেশন কৰাৰ লগতে বিৰিণা গোষ্ঠী-অসমৰ ছাহজাহান আলী আহমেদ, নৱ কুমাৰ বৰ্মনকে ধৰি কেইবাগৰাকী সদস্যই কবিতা পাঠ কৰে আৰু বৰষা ৰয়ে জুবিন গাৰ্গৰ গীত পৰিবেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। সভাখনত বিৰিণাৰ প্ৰতিষ্ঠাপক সভাপতি লীলাধৰ পাঠক, বিশিষ্ট অধিবক্তা আনোৱাৰ হুছেইন, বিশিষ্ট সমাজসেৱক চহিদ আলী আহমেদ, সমাজসেৱক আনোৱাৰ হুছেইন, গন্ধৰ্ব সাংস্কৃতিক গোষ্ঠীৰ সভাপতি দেৱৰাজ পাঠককে ধৰি কেইবাগৰাকীও বিশিষ্ট লোক উপস্থিত থাকে। অসম সংগীত পৰিৱেশন কৰাৰ পাছতেই সভাৰ সামৰণি পৰে।

আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ-উত্তৰ-পশ্চিম যোৰহাট খণ্ডৰ বিজ্ঞান বিষয়ক প্ৰতিযোগিতা সম্পন্ন

# কেঁচুসাৰ বিষয়ক প্ৰশিক্ষণ প্ৰদান

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১৯ নৱেম্বৰ ঃ** আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ উত্তৰ-পশ্চিম যোৰহাট খণ্ডই সৰুচৰাই ঘৰফলীয়া উচ্চ ইংৰাজী বিদ্যালয়ত ১৯ নৱেম্বৰত বিজ্ঞানভিত্তিক মডেল, অৰ্ধ আকস্মিক বক্তৃতা, পোষ্টাৰ অংকন, ধাৰণা (আইডিয়া) প্ৰতিযোগিতা অনুষ্ঠিত কৰে। পুৰা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ঠানুৰাম বৰাই বন্তি প্ৰজ্বলন কৰি প্ৰতিযোগিতাৰ আৰম্ভণি কৰাৰ পাছতে উদ্বোধন কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক মনোজ কুমাৰ গগৈয়ে। সমন্বয়ক বিপুল দুৱৰাই আঁতধৰা অনুষ্ঠানত মডেলত ড° ত্ৰিদিপ ফুকন, ড° অঞ্জন বৰা, চপন বেজবৰুৱা, অৰ্ধ আকস্মিক বক্তৃতাত ড° বুধীন দত্ত, ভৃগুপতি হাজৰিকা, পোষ্টাৰ অংকনত সৌৰভজ্যোতি বৰুৱা, ৰমেন শইকীয়া, ধাৰণা (আইডিয়া)-ত পূৰণজিৎ গগৈ, নৰেন বৰাক বিচাৰকৰূপে পৰিচয় কৰাই দিয়াৰ লগতে আদৰণি জনায়। প্ৰতিযোগিতাত ৰংদৈ হাইস্কুলৰ নয়নজ্যোতি বৰা, সৌৰভজ্যোতি বৰাই প্ৰথম, সাধনী জাতীয় বিদ্যালয়ৰ দিপজ্যোতি বৰা, অনিৰ্বান বৰাই দ্বিতীয়, চাৰিঙীয়া হাইস্কুলৰ অয়ন লিগিৰা, অংকুৰ বৰাই তৃতীয়, অৰ্ধ আকস্মিক প্ৰতিযোগিতাত গৰুমৰা হাইস্কুলৰ দেৱাশিস বৰাই (বায়ু প্ৰদূষণ) প্ৰথম, এলেংমৰা সোণাৰি গাঁও হাইস্কুলৰ অনুস্কা বৰাই (সৌৰশক্তি) দ্বিতীয়, সাধনী জাতীয় বিদ্যালয়ৰ ধৰিত্ৰী চেতিয়াই (বায়ুমণ্ডলৰ অ'জন স্তৰ) তৃতীয়, পোষ্টাৰ অংকন প্ৰতিযোগিতাৰ সকাইখঙীয়া হাইস্কুলৰ ময়ূৰৰাজ বৰাই প্ৰথম, ৰেৱকান্ত বৰুৱা পাব্লিক হাইস্কুলৰ অন্তৰীক্ষ দত্তই দ্বিতীয়, চিন্তামণি আদৰ্শ শিশু নিকেতনৰ অস্মিতা বৰঠাকুৰে তৃতীয়, ধাৰণা (আইডিয়া) প্ৰতিযোগিতাত এলেংমৰা হাইস্কুলৰ নৱনীতা বৰাই প্ৰথম, গৰুমৰা হাইস্কুলৰ প্ৰজ্ঞান প্ৰিয়ম বৰুৱাই দ্বিতীয়, সৰুচৰাই ঘৰফলীয়া হাইস্কুলৰ বিকাশ দুৱৰাই তৃতীয় স্থান লাভ কৰে। কেউগৰাকী প্ৰতিযোগীয়ে উক্ত বিষয়তে জিলা পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। তাতো নিৰ্বাচিত হ'লে ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ সুবিধা পাব। ড° দীপালী খাৰঘৰীয়াই কোৱাণ্টাম বিজ্ঞানৰ জনপ্ৰিয় বক্তৃতা প্ৰদান কৰাৰ পাছতে কেঁচুসাৰ প্ৰস্তুতৰ প্ৰশিক্ষণত সকলোৱে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক পুৰস্কাৰ প্ৰদান কৰা সভাখনত বিদ্যালয়খন সফল কৰাত প্ৰধান শিক্ষক তথা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ উত্তৰ-পশ্চিম যোৰহাট খণ্ডৰ সভাপতি মনোজ কুমাৰ গগৈ উপ-সভাপতি ঠানুৰাম বৰা, বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী পাপৰি কলিতা, জিতেন চন্দ্ৰ পাঠক, পূৰণজিৎ গগৈ, স্বাগতা বৰা, ৰশ্মি কলিতা, চিন্ময়ী বৰকটকী, মৈত্ৰেয়ী দত্ত, প্ৰাৰ্থনা হাজৰিকা, কৰ্মচাৰী অনিল বৰা, পৱন চেতিয়াই সহযোগিতা কৰাৰ লগতে বিশিষ্ট অতিথিৰ উপৰি বহুকেইগৰাকীয়ে প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক পুৰস্কাৰ প্ৰদান কৰে। অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ অধীনত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ সহযোগ আৰু সংযোগত ২১৯টা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ ৰাজ্যখনৰ ২১৯টা উন্নয়ন খণ্ডত পৰিচালিত হৈ থকাৰ লগতে ষষ্ঠ-দশম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞানমুখী কৰা, পৰিৱেশ আৰু পাৰিপাৰ্শ্বিক সমস্যাৰ বিষয়ে সজাগতা কৰা, বিজ্ঞানসন্মত চিন্তা-চৰ্চাৰে পৰিষ্কাৰ-পৰিচ্ছন্ন জীৱন-যাপন, সৌন্দৰ্য বৰ্ধনত মনোনিৱেশ কৰা, সমাজৰ পৰা অন্ধবিশ্বাস-কু-সংস্কাৰ আঁতৰাই বিজ্ঞানসন্মত চিন্তা-চৰ্চাৰে আগবঢ়াৰ আৰু জীৱ-বৈচিত্ৰ্য সংৰক্ষণৰ বাবে সকলো স্তৰৰ লোকক সজাগতা-সচেতন কৰাৰ উপৰি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস, গণিত দিৱস, অ'জন দিৱস, বিশ্ব ধৰিত্ৰী দিৱস, আন্তৰ্জাতিক কোৱাণ্টাম দিৱস, বিশ্ব জল দিৱস পালন কৰি আহিছে। তদুপৰি, বিজ্ঞান সম্পৰ্কীয় অন্যান্য কাৰ্যসূচীও সণ্ঢালনীকৈ ৰূপায়ণ কৰে। উত্তৰ-পশ্চিম যোৰহাট উন্নয়ন খণ্ডৰ কাৰ্যালয়টো সৰুচৰাই ঘৰফলীয়া হাইস্কুলৰ প্ৰাংগণতে চৰকাৰী আৰ্থিক সাহায্যৰে নিৰ্মাণ কৰি বিজ্ঞান সম্পৰ্কীয় আলোচনা কৰাৰ লগতে অঞ্চলটোৰ বহু স্থানত গছপুলি ৰোপণ কৰিছে।

# তেজপুৰৰ ই এম এম হস্পিতালত ভুল চিকিৎসাত ৰোগীৰ মৃত্যুৰ অভিযোগ উত্থাপন হোৱাৰ পিছত হস্পিতাল কৰ্তৃপক্ষৰ স্পষ্টীকৰণ

**অসম বাৰ্তা, তেজপুৰ সদৰ, ১৯ নৱেম্বৰ ঃ** যোৱা ১৬নৱেম্বৰ ২০২৫ তাৰিখে অগ্নিগড় নিউজত প্ৰকাশিত "তেজপুৰৰ ই এম এম হস্পিতালত উত্তপ্ত পৰিস্থিতি - ভুল চিকিৎসাৰ বলি হৈ ৰোগীৰ মৃত্যুৰ অভিযোগ ৰোগীৰ আত্মীয়ৰ। এই অভিযোগ সন্দৰ্ভত হস্পিতাল কৰ্তৃপক্ষই জনোৱা অনুসৰি শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ শ'লগুৰি গাঁৱৰ প্ৰণীতা বৰা নামৰ মহিলা গৰাকী যোৱা ১৩ নৱেম্বৰত তেজপুৰৰ ই এম এম হস্পিতালত চিকিৎসাৰ বাবে আহি ডাঃ কিশোৰ চক্ৰৱৰ্তীক দেখুৱায়। ডাঃ কিশোৰ চক্ৰৱৰ্তীক দেখুওৱাত ডাক্তৰে Pencatritis বুলি ভৰ্তি কৰাবলৈ পৰামৰ্শ প্ৰদান কৰে যদিও পৰিয়ালৰ লোকে ভৰ্তি কৰিবলৈ অমান্তি হোৱাত ডাঃ কিশোৰ চক্ৰৱৰ্তীয়ে ছনগ্ৰাফী আৰু তেজৰ পৰীক্ষা কৰাৰ পৰামৰ্শ প্ৰদান কৰে। আবেলি ডাক্তৰে দেখিলে যে Pencatritis ৰ সকলো লক্ষণ ৰোগীৰ গাত দেখা দিছে। তেতিয়া ডাঃ কিশোৰ চক্ৰৱৰ্তীয়ে ভৰ্তি কৰাবলৈ পৰামৰ্শ প্ৰদান কৰে যদিও তেওঁ নিজে সেইদিনা হস্পিতালত নাথাকিব অন্য হস্পিতালত লৈ যাব পাৰে বুলি কোৱাত ৰোগীৰ আত্মীয়ই এম এম হস্পিতালতে ভৰ্তি কৰে বুলি জানিবলৈ দিয়ে সঞ্চালক ডাঃ মনোজ মিৰ্ধাই। অভিজ্ঞ চিকিৎসক হিচাপে তেওঁ চিকিৎসা কৰি আছিল সেই হিচাপে ৰোগীজন কিছু সুস্থও হৈছিল তেতিয়া চিকিৎসকে ৰোগীক জুলীয়া খাদ্য খুৱাবলৈ পৰামৰ্শ প্ৰদান কৰে যদিও নিশা ৩ মান বজাত ৰোগীৰ আত্মীয়ই ৰোগীক ভাত খাবলৈ দিয়াত ৰোগীৰ স্বাস্থ্যৰ অৱনতি ঘটাত লগে লগে আই চি ইউত ভৰ্তি কৰে যদিও কিছু সময় পিছত মৃত্যু মুখত পৰে ৰোগী গৰাকী। ৰোগী গৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰি ই এম এম হস্পিতালৰ সঞ্চালক ডাঃ মনোজ মিৰ্ধাই ৰোগীৰ আত্মীয়ৰ অভিযোগ নস্যাৎ কৰি কয় যে ৰোগীৰ আত্মীয়ৰ ভুলৰ বাবে ৰোগী মৃত্যুমুখত পৰিছে। যিদিনা ৰোগী গৰাকীৰ মৃত্যু হৈছিল সেইদিনা ডাঃ কিশোৰ চক্ৰৱৰ্তী হস্পিতালত উপস্থিত নাছিল বুলিও তেওঁ স্পষ্টীকৰণত কয়।

# ৰূপহীহাটৰ কাঠপাৰাত হৰিণা পশু উদ্ধাৰ

**অসম বাৰ্তা, ৰূপহীহাট, ১৯ নৱেম্বৰ ঃ** ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত দুই নম্বৰ কাঠপাৰাত আজি পুৱাৰ ভাগত এটা হৰিণা পশু উদ্ধাৰ কৰা হয়। লাওখোৱা বন্যপ্ৰাণী অভয়াৰণ্যৰ পৰা নিশাৰ ভাগত ওলাই অহা হৰিণা পশুটো বিভিন্ন অঞ্চলত মুক্ত বাবে বিচৰণ কৰাত পুৱাই কৃষকৰ পথাৰত জেওৰা দিয়া জালত আবদ্ধ হৈ পৰে। স্থানীয় ৰাইজে হৰিণাটোক জালৰ পৰা উদ্ধাৰ কৰি বান্ধি থৈ বন্যপ্ৰাণী বিভাগ আৰু স্থানীয় আৰক্ষীক খবৰ দিয়ে। বন্যপ্ৰাণী বিভাগৰ বনৰক্ষী দুই নম্বৰ কাঠপাৰাত উপস্থিত হৈ হৰিণাটোক চমজি লৈ লাওখোৱা অভয়াৰণ্যলৈ নি মুকলি কৰি দিয়ে।

# তেজপুৰ সাংবাদিক সন্থাৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ লগত সংগতি ৰাখি ৰাইজমেল-প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ জন্মদিন উদ্‌যাপন

**অসম বাৰ্তা, তেজপুৰ সদৰ, ১৯ নৱেম্বৰ ঃ** তেজপুৰ সাংবাদিক সন্থাৰ উদ্যোগত ১৮ নৱেম্বৰৰ দিনা তেজপুৰৰ নিকামূল চাৰিআলি ৰঙালী বিহু সন্মিলনৰ বিহুথলিত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ লগত সংগতি ৰাখি দৰ্শক, শ্ৰোতা আৰু পঢ়ুৱৈৰ মাজত মত বিনিময় আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন উদযাপন কৰা হয়। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা এই অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰে বিশিষ্ট শিক্ষাবিদ পুৰ্ণেশ্বৰ নাথে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পিছতে জুবিন গাৰ্গৰ স্মৃতি সজীৱ কৰাৰ উদ্দেশ্যে নিকামূল চাৰিআলি ৰঙালী বিহু সন্মিলনৰ বিহু থলিত নাহৰৰ পুলি ৰোপণ কৰে প্ৰকৃতিপ্ৰেমী তথা অসম চৰকাৰৰ প্ৰাক্তন বন্যপ্ৰাণী ৱাৰ্ডেন সৌৰভ বৰকটকী, তেজপুৰ নাগৰিক সমাজৰ সভাপতি পূৰ্নেশ্বৰ নাথ আৰু সাংস্কৃতিক কৰ্মী অলক নাথে। তেজপুৰ সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক ছাইদুল ইছলামে আঁত ধৰা আৰু তেজপুৰ সাংবাদিক সন্থাৰ সভাপতি বিশ্বজিৎ নাথৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত সদৌ অসম সাংবাদিক সন্থাৰ সভাপতি পংকজ কুমাৰ নাথ, পূৰ্ণেশ্বৰ নাথ, অঞ্জন গোস্বামী, অৱসৰপ্ৰাপ্ত শিক্ষক শ্বেইখ চাহাব উদ্দিন, শোণিতপুৰ জিলা সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক অপূৰ্ব বৰা, সদৌ অসম জাতীয়তাবাদী যুৱ সন্মিলনৰ সভাপতি ৰাজীৱ দাস, সমাজসেৱক শ্বেইখ মহম্মদ চাদিক, ভোমোৰাগুৰি জিলা পৰিষদৰ সদস্য নুৰুল হক, দোলাবাৰী গাঁও পঞ্চায়তৰ সভাপতি আফতাব হুছেইন, ৰাজগড় গাঁও পঞ্চায়তৰ সভাপতি আব্দুল মুতালিব, সমাজকৰ্মী মিৰ্জানুৰ হুছেইন, নুৰ আলমৰ লগতে বিশিষ্ট ব্যক্তি সকলে সমাজৰ বিভিন্ন সমস্যা সন্দৰ্ভত মত বিনিময় কৰে। ভাষণ প্ৰসংগত পুৰ্ণেশ্বৰ নাথে সংবাদ মাধ্যমৰ স্বাধীনতা আৰু নিৰ্ভীক সাংবাদিকতাৰ ওপৰত বক্তব্য প্ৰদান কৰে। তেওঁ লগতে ৰাইজৰ প্ৰতিটো বিষয়ত সৰৱ হৈ থকা জুবিন গাৰ্গৰ সমাজমুখী চিন্তা-চৰ্চাকো গভীৰভাৱে আলোচনা কৰিব লাগে বুলিও মত পোষণ কৰে। আনহাতে একেখন সভাত ভাষণ প্ৰদান কৰি যুৱ প্ৰজন্মৰ প্ৰতি জুবিন গাৰ্গে প্ৰদৰ্শন কৰা দায়বদ্ধতাৰ ওপৰত অৱতাৰণা কৰে জ্যেষ্ঠ সাংবাদিক অঞ্জন গোস্বামীয়ে। তেওঁ কয়-জুবিন গাৰ্গ কেৱল সংগীত শিল্পী নাছিল। সামাজিক দায়বদ্ধতা থকা আৰু প্ৰয়োজনত চৰকাৰক ৰঙা চকু দেখুৱাব পৰা সাহসী সামাজিক-সাংস্কৃতিক কৰ্মী আছিল। এই অনুষ্ঠানতে জুবিন গাৰ্গৰ একোটিকৈ গীত পৰিৱেশন কৰে নৱজ্যোতি নাথ আৰু ঘন কটকীয়ে। একোটিকৈ স্ব-ৰচিত কবিতা পাঠ কৰে মীনা মহন্ত, ৰাতুল দাস আৰু ভাস্কৰ পটঙ্গীয়াই। তেজপুৰৰ হাজৰিকা চুকৰ মহিলা আয়তী সকলে নাম পৰিৱেশনৰ পিছত অনুষ্ঠানৰ সামৰণি পৰে। শেষত তেজপুৰ সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক ছাইদুল ইছলামে শলাগৰ শৰাই আগবঢ়াই অনুষ্ঠান অনুষ্ঠিত কৰাত বিশেষ ভাৱে সহায় কৰা ৰাজীৱ দাস আৰু চাকিব আলীক একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনাই কৃতজ্ঞতা জ্ঞাপন কৰে।

# চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০ বছৰীয়া জন্ম জয়ন্তী উপলক্ষে দুধনৈত "একতাৰ পদযাত্ৰা"

দহ গৰাকী জ্যেষ্ঠ নাগৰিকক সম্বৰ্ধনা




**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১৯ নৱেম্বৰ ঃ** লৌহ পুৰুষ চৰ্দাৰ বল্লভ ভাই পেটেলৰ ১৫০ বছৰীয়া জন্ম জয়ন্তী উপলক্ষে আজি দুধনৈ সম জিলা প্ৰশাসনৰ উদ্যোগত "একতাৰ পদযাত্ৰা" অনুষ্ঠিত কৰা হয়। স্বাধীন ভাৰতৰ প্ৰথম গৰাকী গৃহ মন্ত্ৰী চৰ্দাৰ বল্লভ ভাই পেটেলে সেই সময়ত ৰাজনৈতিকভাৱে খণ্ড বিখণ্ড হৈ থকা দেশৰ বিভিন্ন অংশক একেলগ কৰি আমাৰ এই মহান দেশ ভাৰতবৰ্ষক গঢ় দিছিল। আজি পুৱা দুধনৈৰ উদয়পুৰ ৰাজহুৱা খেলপথাৰ চৌহদৰ পৰা আৰম্ভ হোৱা "একতাৰ পদযাত্ৰা" (Unity March )ৰ শুভ উদ্বোধন কৰে গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধীয়ে। ইয়াৰ পূৰ্বে চৰ্দাৰ বল্লভভাই পেটেলৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। আজিৰ পদযাত্ৰা অনুষ্ঠানত ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা, দুধনৈ সমজিলাৰ সমজিলা আয়ুক্ত অৰুণ কুমাৰ ব্ৰহ্মৰ লগতে গোৱালপাৰা জিলা বিজেপিৰ সভাপতি দীপাংক নাথ দলীয় নেতা কৰ্মী সকল, জিলা পৰিষদৰ সদস্যা নিভা খাখলাৰী, দুধনৈ আঞ্চলিক পঞ্চায়তৰ সদস্যা কল্পনা ভাগৱতী, দুধনৈ গাওঁ পঞ্চায়তৰ সভানেত্ৰী চানিয়া ৰাভা সহ স্থানীয় নাগৰিক আদিয়ে অংশ গ্ৰহণ কৰে। দুধনৈ চহৰত প্ৰায় ৮ কিলোমিটাৰ পৰিক্ৰমা কৰা একতাৰ পদযাত্ৰাৰ সময়ত ১০ গৰাকী জ্যেষ্ঠ নাগৰিক ক্ৰমে, মাকুলী ভাগৱতী, অনন্ত দেৱ শৰ্মা, গোবিন্দ উপাধ্যায়, নন্দ কুমাৰ ৰাভা, গোবিন্দ বসুমতাৰী, মুকুল ৰাভা, কৰ্মেশ্বৰ বড়ো, দয়াৱতী ৰাভা, মিনতি দাস সৰকাৰ, আত্মাৰাম ৰাভাক সাংসদ বিজুলী কলিতা মেধীয়ে একোখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। উদয়পুৰ খেল পথাৰত সামৰণি পৰা পদযাত্ৰাৰ পিচত দুধনৈ সমজিলা আয়ুক্ত অৰুণ কুমাৰ ব্ৰহ্মৰ আদৰণি ভাষণেৰে এখন সভা অনুষ্ঠিত হয়। সভাত সাংসদ বিজুলী কলিতা মেধী আৰু ৰাভা হাছং পৰিষদৰ চিফ টংকেশ্বৰ ৰাভাই ভাষণ প্ৰদান কৰে। লৌহ মানব চৰ্দাৰ বল্লব ভাই পেটেলে কিদৰে সকলো জাতি জনগোষ্ঠীক একত্ৰিত কৰি ভাৰত ৰাষ্ট্ৰ নিৰ্মাণ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। সভাত লৌহমানব গৰাকীৰ ওপৰত ৰখা বক্তৃতা প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰা পণ্ডিত দীনদয়াল মহাবিদ্যালয়ৰ আমজোঙ্গাৰ একাদশ শ্ৰেণীৰ প্ৰজ্ঞা খাখলাৰী, দুধনৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ ভূমিধৰ ৰাভা, ৰিয়া লস্কৰ আৰু দুধনৈ মহাবিদ্যালয়ৰ স্নাতক স্তৰৰ প্ৰীতম চেত্ৰী, জুলিকা চেত্ৰী আৰু অংকুশ কুণ্ডুক একোখনি মানপত্ৰ আৰু এটাকৈ স্মাৰকেৰে বঁটা প্ৰদান কৰি দুধনৈ সমজিলাৰ তৰফৰ পৰা উৎসাহিত কৰা হয়। সভাৰ শেষত দুধনৈ পিএমশ্ৰী ছোৱালী হাইস্কুলৰ ছাত্ৰী সকলৰ দ্বাৰা পৰিবেশন কৰা এটা দেশপ্ৰেম মুলক নৃত্যই সকলোকে আপ্লুত কৰে।

# বাসুগাঁৱত জুবিন গাৰ্গৰ জন্ম দিৱস উদ্‌যাপন

**অসম বাৰ্তা, বাসুগাঁও, ১৯ নৱেম্বৰ ঃ** যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰপ জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্ম দিৱস যোৱা সন্ধিয়া বাসুগাঁৱৰ তিনি স্থানত বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয়। বাসুগাঁও আঞ্চলিক ছাত্ৰ সন্থা (আছু)ৰ উদ্যোগত অনুষ্ঠিত আৰম্ভণিতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, বন্তি প্ৰজলন কৰা হয়। বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কাৰ্যসুচীৰ শুভাৰম্ভ কৰে বাসুগাঁও আঞ্চলিক আছুৰ সম্পাদক পৰাগ কলিতাই। ইয়াৰ অন্তত জুবিন গাৰ্গৰ জনপ্ৰিয় গীত সমূহ পৰিবেশন কৰে বাসুগাঁৱৰ জনপ্ৰিয় শিল্পী গুণোত্তম নেওগ, বিক্ৰম ৰায় স্থানীয় শিল্পী সকলে। অনুষ্ঠানত উপস্থিত থকা অনুৰাগী সকলে 'মায়াবিনী' শীৰ্ষক গীতটি পৰিবেশন কৰে। আনহাতে বিশিষ্ট বয়োজেষ্ঠ ব্যক্তি অনিল কুমাৰ নেওগ আৰু বাসুগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ৰমেন চন্দ্ৰ মেধিয়ে জুবিন গাৰ্গৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত চমু বক্তব্য দাঙি ধৰে। বাসুগাঁও থানা ৰোডস্থিত থাৰ্ড আই কম্পিউটাৰ চেণ্টাৰৰ চত্বাধিকাৰী প্ৰদীপ কুমাৰ সৰকাৰৰ নেতৃত্বত কেককাটে জুবিন গাৰ্গৰ জন্ম দিৱস পালন কৰে আৰু আকাশবাতি উৰুৱাই আকাশখন পোহৰাই তোলে। মায়াবিনী শীৰ্ষক গীতটি সমূহীয়াভাৱে পৰিবেশন কৰে। বাসুগাঁও উদ্ধৱ ষ্টোৰৰ স্বত্বাধিকাৰী মহেন্দ্ৰ চন্দ্ৰ দাসৰ নেতৃত্বত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যৰ্পন আৰু বন্তি প্ৰজ্বলন কৰি জন্মদিনৰ শ্ৰদ্ধা নিবেদন কৰে।

# দৰং জিলাৰ ৮৬, ৬৪০ গৰাকী যোগ্য হিতাধিকাৰীলৈ কৃষক সন্মান নিধিৰ একবিংশতিতম কিস্তিৰ ধন

**অসম বাৰ্তা, দেওমৰনৈ, ১৯ নৱেম্বৰ ঃ** পি এম কিষান সন্মান নিধি ৰ কাৰ্যসূচীৰ অংশৰূপে বুধবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে "লাইভ ৰেবকাষ্ট" ৰ জৰিয়তে প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিৰ একবিংশতিতম কিস্তিৰ প্ৰায় ১৮ হাজাৰ কোটি ধনৰাশি দেশৰ ৯ কোটিৰ অধিক যোগ্য হিতাধিকাৰীকৰ বেংক একাউণ্টলৈ পোনপটীয়াকৈ হস্তান্তৰ কৰে। দৰং জিলাৰ ৮৬, ৬৪০ গৰাকী যোগ্য হিতাধিকাৰীয়ে নিজৰ নিজৰ একাউণ্টত প্ৰত্যক্ষ লাভালাভ হস্তান্তৰযোগে লাভ কৰিব ২১সংখ্যক কিস্তিৰ ধন। তামিলনাডুৰ কইম্বাটুৰত অনুষ্ঠিত এক অনুষ্ঠানত কৃষকসকলৰ কল্যাণাৰ্থে প্ৰধানমন্ত্ৰী গৰাকীয়ে বিশ্বৰ সৰ্ববৃহৎ প্ৰত্যক্ষ লাভ হস্তান্তৰ আঁচনিসমূহৰ অন্যতম পি. এম কিষাণ আঁচনিৰ ২১সংখ্যক কিস্তিৰ ধন কৃষকৰ বাবে মুকলি কৰি দিয়ে। প্ৰধানমন্ত্ৰীয়ে মুকলি কৰাৰ পাছতে অসমৰ প্ৰায় ১৮.১৮ লাখৰো অধিক যোগ্য হিতাধিকাৰীয়ে নিজৰ একাউণ্টত ডিবিটিৰ জৰিয়তে লাভ কৰে পি. এম কিষাণৰ ধন। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে দৰং জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ প্ৰাংগনত এই অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হয়। এই অনুষ্ঠানত জিলা কৃষি বিষয়া হিতেশ বেজবৰুৱা, জেষ্ঠ্য কৃষি উন্নয়ন বিষয়া তথা পি এম কিষাণৰ জিলা ন'ডেল বিষয়া দেৱ কুমাৰ শৰ্মা, মহকুমা কৃষি বিষয়া দিবাকৰ ডেকা, শশাংক গোস্বামী, উৎপল দাসকে ধৰি বিভাগীয় বিষয়াসকল উপস্থিত থাকে। আনহাতে, পাথৰিঘাট আৰু দলগাঁও মহকুমা কৃষি বিষয়াৰ কাৰ্যালয়ত, দলগাঁও, ৰামহৰি, সৰাবাৰী কৃষি উন্নয়ন বিষয়া কাৰ্যালয়, খণ্ড উন্নয়ন বিষয়া কাৰ্যালয় তথা প্ৰতিখন গাঁও পঞ্চায়তত এই অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হয়। উল্লেখযোগ্য যে, কৃষিকৰ্মৰ বাবে প্ৰয়োজনীয় সা-সামগ্ৰী ক্ৰয় কৰি কৃষকসকলে বিজ্ঞানসন্মত কৃষিকৰ্মৰ জৰিয়তে আয় বৃদ্ধি কৰাৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ ২০১৯ বৰ্ষৰ পৰা "প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি" আঁচনিখন ৰূপায়ণ কৰা হৈছে। এই আঁচনিৰ অধীনত যোগ্য কৃষক পৰিয়ালসমূহলৈ ২০০০ টকাকৈ তিনিটা কিস্তিত বছৰি ৬০০০ টকা আগবঢ়োৱা হয়।

# ডিব্ৰুগড়ৰ লেকাইত বিশ্ব শৌচাগাৰ দিৱসৰ লগত সংগতি ৰাখি মলমূত্ৰ পৰিশোধন প্লাণ্টৰ শুভ উদ্বোধন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৯ নৱেম্বৰ ঃ** ডিব্ৰুগড়ৰ লেকাইত ২০ কে এল ডিৰ মল-মূত্ৰ পৰিশোধন প্লাণ্টৰ (এফ এছ টি পি) উদ্বোধন কৰি আজি উজনি অসমৰ নগৰীয়া অনাময় ব্যৱস্থাই এক বৃহৎ উত্থান লাভ কৰে। বিশ্ব শৌচাগাৰ দিৱস উপলক্ষে মন্ত্ৰী প্ৰশান্ত ফুকনে এই সুবিধা আনুষ্ঠানিকভাৱে মুকলি কৰে। ডিব্ৰুগড় পৌৰ নিগমে ইউনিচেফ অসমৰ কাৰিকৰী সহযোগত এই প্ৰকল্পটো গঢ়ি তুলিছে। দ্ৰুত জনসংখ্যা সম্প্ৰসাৰণ, বৃদ্ধি পোৱা যানজঁট আৰু চেপ্টিক টেংকৰ লগতে পিট লেট্ৰিন আদি ঠাইতে অনাময় ব্যৱস্থাৰ ওপৰত অধিক নিৰ্ভৰশীলতাৰ ফলত ডিব্ৰুগড়ে ক্ৰমবৰ্ধমান অনাময় প্ৰত্যাহ্বানৰ সৈতে যুঁজি আহিছে। বছৰ বছৰ ধৰি চহৰখনত মলমূত্ৰৰ বোকা নিৰাপদে সংগ্ৰহ, পৰিবহণ আৰু পৰিশোধনৰ বাবে বৈজ্ঞানিক আৰু নিয়ন্ত্ৰিত ব্যৱস্থাৰ অভাৱ আছিল, যাৰ ফলত নলা, জলপথ আৰু মুকলি ঠাই সঘনাই দূষিত হৈছিল। নতুন এফ এছ টি পিৰ লক্ষ্য হৈছে এই জটিল ব্যৱধান তথ্য সমস্যা দূৰ কৰা আৰু মলৰ আৱৰ্জনা ব্যৱস্থাপনাৰ এক গাঁথনিগত, বহনক্ষম আৰু পৰিৱেশৰ প্ৰতি দায়বদ্ধ ব্যৱস্থা প্ৰৱৰ্তন কৰা। প্ৰধানমন্ত্ৰীৰ 'স্বচ্ছ ভাৰত অভিযান' আৰু ৰাজ্য চৰকাৰৰ প্ৰতিজন নাগৰিকৰ বাবে সুৰক্ষিত অনাময় ব্যৱস্থা সুনিশ্চিত কৰাৰ লক্ষ্যৰ সৈতে সামঞ্জস্যপূৰ্ণ এই পদক্ষেপ। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডং কত পাত্ৰ, ডিএমচিৰ আয়ুক্ত জয় বিকাশ, প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ নগৰ আৰু দেশ পৰিকল্পনা বিভাগৰ বিষয়া, গ্ৰীণটেক এণ্টাৰপ্ৰাইজ, ইউনিচেফ অসমৰ প্ৰতিনিধি আৰু স্থানীয় অংশীদাৰসকলে। অনুষ্ঠানত ভাষণ দি গণ্যমান্য ব্যক্তিসকলে প্ৰকল্পটোৰ আঁৰৰ যৌথ প্ৰচেষ্টাক প্ৰশংসা কৰে আৰু এখন পৰিষ্কাৰ আৰু সুস্থ চহৰ বজাই ৰাখিবলৈ বাসিন্দাসকলক নিৰাপদ অনাময় অভ্যাস গ্ৰহণ কৰিবলৈ আহ্বান জনায়। এই উদ্যোগটোৱে নিৰাপদ নিয়ন্ত্ৰণ, পেছাদাৰী মাল পেলোৱা, নিয়ন্ত্ৰিত পৰিবহণ আৰু মলৰ বোকাত বৈজ্ঞানিক পৰিশোধনৰ সহায় কৰি ডিব্ৰুগড়ৰ অনাময় মূল্য শৃংখলক বহু পৰিমাণে শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ উপৰিও পৰিৱেশৰ দূষণ হ্ৰাস পাব আৰু বিশেষকৈ ঘন জনবসতিপূৰ্ণ চুবুৰীত পানীজনিত ৰোগৰ প্ৰাদুৰ্ভাৱ কম হ'ব বুলি আশা কৰা হৈছে। ভূগৰ্ভস্থ পানী আৰু ব্ৰহ্মপুত্ৰ নদীৰ প্ৰদূষণ ৰোধ কৰি আৰু পৰিশোধিত আৱৰ্জনা সমূহৰ নিৰাপদ পুনৰ ব্যৱহাৰ সক্ষম কৰি এই সুবিধাই বহনক্ষম নগৰীয়া অনাময় ব্যৱস্থাৰ দিশত এক ডাঙৰ পদক্ষেপ হিচাপে চিহ্নিত কৰিছে। বিষয়াসকলে উল্লেখ কৰে যে এই প্ৰকল্পটোৱে ডিএমচিৰ মলৰ বোকা আৰু চেপটেজ সেৱাসমূহ ফলপ্ৰসূভাৱে পৰিকল্পনা আৰু পৰিচালনা কৰাৰ ক্ষমতাও বৃদ্ধি কৰিব। এফএছটিপিৰ উদ্বোধনী অনুষ্ঠানে ডিব্ৰুগড়ৰ বাবে এক উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে চিহ্নিত কৰিছে, পৰিষ্কাৰ পৰিৱেশ আৰু প্ৰতিটো পৰিয়াল বিশেষকৈ শিশুৰ বাবে উন্নত স্বাস্থ্য ফলাফলৰ আশাব্যঞ্জক হ'ব বুলি বিষয়া সকলে ভাৱে।

# মালিবাৰীত জুবিন গাৰ্গৰ জন্মদিন উদ্‌যাপন

**অসম বাৰ্তা, সোণতলী, ১৯ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ ছমৰীয়াৰ মালিবাৰী পথাৰ বজাৰত দিনজোৰা কাৰ্যসূচীৰে ১৮নৱেম্বৰৰ দিনা জুবিন গাৰ্গৰ জন্মদিন উদ্‌যাপন কৰে। চৰ-চাপৰি সাহিত্য সভাৰ কামৰূপ জিলা কমিটী আৰু ছ'ছিঅ' ইক'ন'মিক ডেভল'পমেণ্ট ছ'চাইটিৰ উদ্যোগত কালি জুবিন গাৰ্গৰ জন্মদিন উদযাপন কৰে। কাৰ্যসূচীমৰ্মে, ৰাতিপুৱা ৯ বজাত প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, ১ বজাত জুবিন গীত পৰিৱেশন, বিগত মেট্ৰিক পৰীক্ষাত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন আৰু আবেলি ৩ বজাত মুকলি সভা অনুষ্ঠিত কৰে। ছ'ছিঅ' ইক'ন'মিক ডেভল'পমেণ্ট ছ'চাইটিৰ সম্পাদক শ্বাহিনুৰ ইছলামৰ পৌৰহিত্বত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা কৰে কামৰূপ জিলা চৰ-চাপৰি সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি নজমুল হকে। অনুষ্ঠিত হোৱা মুকলি সভাত অসম প্ৰদেশ কংগ্ৰেছ কিষান মৰ্চাৰ উপাধ্যক্ষ মেহবুব আলীয়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকি মূল্যবান বক্তব্য প্ৰদান কৰে। সভাত দোস্ত হবিবুৰ ৰহমান, মুছলিম উদ্দিন আহমেদ, নাজিৰা বেগম, আশ্ৰাব আলী, মিয়াচান আলী, আব্দুল কাদিৰ বাবু আৰু মামুদ আলীৰ লগতে ভালে সংখ্যক গণ্য-মান্য লোক উপস্থিত থাকে। ইয়াৰ পিছত সন্ধিয়া ৭ বজাত বিভিন্ন শিল্পীৰে জুবিন-গীতৰ গীতৰ শৰাই আগবঢ়ায়।

## সম্পাদকীয়

# নতুন আধাৰ ঃ সুৰক্ষাৰ নিশ্চয়তা নে নতুন সংকট ?

বৰ্তমান সময়ত আধাৰ কাৰ্ডখন আমাৰ দৈনন্দিন জীৱনৰ এটা অংগ হৈ পৰিছে। চৰকাৰী সেৱাৰ পৰা আৰম্ভ কৰি বেংকিং সেৱা, ফোনৰ চিম কিনা, কৰ পৰিশোধ, চিকিৎসালয়ত ভৰ্তি হ'বলগীয়া হওঁতেও আধাৰ কাৰ্ডৰ প্ৰয়োজন হয়। সেয়েহে, আধাৰ কাৰ্ড কিমান প্ৰয়োজনীয়, সেই কথা ক'বলগীয়া নাই। সকলো বিত্তীয় আৰু চৰকাৰী সেৱাই এতিয়া আধাৰ কাৰ্ড অবিহনে সম্ভৱপৰ নহয়। কিন্তু ইয়াৰ সৈতে জড়িত হৈ পৰিছে আমাৰ ব্যক্তিগত তথ্য সুৰক্ষাৰ এক গুৰুত্বপূৰ্ণ প্ৰশ্ন। স্বাভাৱিকতে ইমান গুৰুত্বপূৰ্ণ নথিৰ অপব্যৱহাৰৰ সম্ভাৱনাও বেছি। এই সম্ভাব্য বিপদৰ প্ৰতি লক্ষ্য ৰাখিয়েই আধাৰক আৰু অধিক সুৰক্ষিত কৰিবলৈ চৰকাৰী সংস্থা ইউনিক আইডেণ্টিফিকেচন অথৰিটীয়ে (UIDAI) কিছুমান মৌলিক পৰিৱৰ্তনৰ সূচনা দিছে। ইয়াৰ আঁৰৰ মূল উদ্দেশ্য হ'ল ব্যক্তিগত তথ্যৰ অপব্যৱহাৰ ৰোধ কৰা। UIDAIৰ মুখ্য কাৰ্যবাহী বিষয়া ভুৱনেশ কুমাৰে স্পষ্টকৈ উল্লেখ কৰাৰ দৰে, ডিচেম্বৰ মাহৰ পৰা নতুন নিয়মাৱলীৰ জৰিয়তে হোটেল, ইভেণ্ট আয়োজক আদি বিভিন্ন সংস্থাই কৰা আধাৰ কাৰ্ডৰ ফটোকপিৰ জৰিয়তে অফলাইন প্ৰমাণীকৰণ প্ৰক্ৰিয়াক নিৰুৎসাহিত কৰিবলৈ চেষ্টা কৰা হ'ব। ফলত ব্যক্তিৰ গোপনীয়তা ৰক্ষাৰ লগতে বয়স প্ৰমাণীকৰণৰ দৰে কাম-কাজবোৰ অধিক সুৰক্ষিত ৰূপ দিয়া সম্ভৱ হ'ব। নতুন আধাৰ কাৰ্ডৰ প্ৰস্তাৱিত ৰূপটো হ'ল একেবাৰে সৰল। ইয়াত আগতে যিদৰে নাম, ঠিকনা, আধাৰ নম্বৰ আদি তথ্য স্পষ্ট আখৰেৰে লিপিবদ্ধ কৰি ৰখা হৈছিল, সেয়া নাথাকিব। কাৰ্ডখনত কেৱল ধাৰকৰ একেটা ফটো আৰু এটা কিউআৰ কোডহে থাকিব। এই কিউআৰ কোডটোৱেই হ'ব একপ্ৰকাৰৰ ডিজিটেল ভাণ্ডাৰ, য'ত এনক্ৰিপ্ট কৰি ৰখা হ'ব ব্যক্তিৰ সকলো প্ৰয়োজনীয় তথ্য। কোনো সেৱাদাতা প্ৰতিষ্ঠানৰ এই তথ্যৰ প্ৰয়োজন হ'লে, তেওঁলোকে বিশেষভাৱে অনুমোদিত স্কেনিং যন্ত্ৰৰ জৰিয়তে কিউআৰ কোডটো স্কেন কৰিহে সেই তথ্যবোৰ পাব আৰু প্ৰমাণীকৰণ সম্পন্ন কৰিব পাৰিব। ইয়াৰ ফলত আধাৰ কাৰ্ডৰ ফটোকপি তুলি ৰাখি তথ্য চুৰি বা অপব্যৱহাৰ কৰাৰ বিপদ যথেষ্ট পৰিমাণে হ্ৰাস পাব বুলি UIDAIয়ে আশা কৰিছে। এই পৰিৱৰ্তন নিশ্চয়ভাৱে এক সুৰক্ষামূলক খচৰা। কিন্তু এই নতুন ধাৰণাই সাধাৰণ নাগৰিকৰ মনত কেইটামান গুৰুত্বপূৰ্ণ প্ৰশ্নৰ সৃষ্টি কৰিছে। তথ্য নথকা কাৰ্ডৰ প্ৰয়োজনীয়তা? সাধাৰণতে, এখন পৰিচয় পত্ৰই তাৰ ওপৰত থকা তথ্যৰ সহায়তেই ধাৰকক চিনাক্ত কৰিব পৰা উচিত। নতুন আধাৰ কাৰ্ডত নাম-ঠিকনা নথকাকৈ যদি কেৱল ফটো আৰু কিউআৰ কোডহে থাকে, তেন্তে এনেধৰণৰ সাধাৰণ পৰিচয়, যেনে ৰেলভ্ৰমণ, এয়াৰপ'ৰ্টত প্ৰৱেশ, বা কোনো ঠাইত অফলাইনত নিজকে পৰিচয় দিয়াৰ ক্ষেত্ৰত ই কিমান কাৰ্যকৰী হ'ব? ফটোৱে মাত্ৰ চেহেৰাৰ সৈতে মিল কৰিব পাৰে, কিন্তু নাম বা ঠিকনা যাচাই কৰিব নোৱাৰে। আমাৰ দেশত ডিজিটেল বিভাজন এতিয়াও এক বাস্তৱতা। গ্ৰাম্য অঞ্চলৰ বহু মানুহ, চহৰৰ বহু বয়সিয়াল নাগৰিকৰ হাতত স্মাৰ্টফোন নাই, বা তেওঁলোকে কিউআৰ কোড স্কেন কৰাৰ সৈতে সম্পূৰ্ণৰূপে অভ্যস্ত নহয়। এনে অৱস্থাত, কিউআৰ কোড স্কেন কৰিব পৰাকৈ বিশেষ যন্ত্ৰ নথকা দোকানত বা স্থানীয় বাসস্থানত এই কাৰ্ডখনৰ জৰিয়তে পৰিচয় দিয়াটো কেনেকৈ সম্ভৱ হ'ব? এই নতুন ব্যৱস্থাই একাংশ জনতাক অসুবিধাৰ মুখলৈ ঠেলি দিব বুলি ভৱাটো অস্বাভাৱিক নহয়। কিউআৰ কোড স্কেন কৰিলে কোনবোৰ তথ্য উলিয়াব, সেই তথ্য কেনেকুৱা ৰূপত দেখুৱাব, আৰু সেই তথ্য সংৰক্ষণ কৰা হ'ব নে নহয় — এই বিষয়ত সম্পূৰ্ণ স্বচ্ছতা আৱশ্যক। সাধাৰণ নাগৰিকজনৰ এইটো জানিবলৈ অধিকাৰ আছে যে তেওঁৰ ব্যক্তিগত তথ্যবোৰ ক'লৈ গৈছে আৰু সেয়া কেনেদৰে ব্যৱহাৰ হৈছে। তথ্য প্ৰাপ্তিৰ এই নতুন পদ্ধতিয়ে যাতে আমাৰ গোপনীয়তা অধিকাৰক সঁচাকৈয়ে সুৰক্ষিত কৰে, নহয় কেৱল তথ্য চুৰি কৰাৰ পথবোৰ বেলেগ ফালে ঘূৰাই নিদিয়ে, সেইটো নিশ্চিত হ'ব লাগিব। আগতে জাৰি কৰা কাৰ্ডৰ কি হ'ব? সেয়া একেবাৰে বাতিল নে নতুন নিয়মৰ সৈতে খাপ খুৱাই ল'ব পৰাকৈ সক্ৰিয় হ'ব? সকলো নাগৰিককে নতুনকৈ কাৰ্ড ল'বলগীয়া হ'লে, সেই প্ৰক্ৰিয়াটো সহজ, দ্ৰুত আৰু ব্যয়সাপেক্ষ নহ'ব নেকি? UIDAIয়ে গ্ৰহণ কৰিবলৈ ওলোৱা এই পদক্ষেপ নিশ্চয়ভাৱে এক সকাৰাত্মক আৰু প্ৰয়োজনীয় আঁচনি। ডিজিটেল যুগত ব্যক্তিগত তথ্য সুৰক্ষাৰ প্ৰয়োজনীয়তা যিদৰে দিনক দিনে বাঢ়ি আহিছে, সেইদৰে ইয়াৰ সুৰক্ষাৰ বাবে নীতি-নিৰ্দেশিকা আৰু প্ৰযুক্তিৰ উন্নয়নো কৰিবই লাগিব। নতুন আধাৰ কাৰ্ডৰ ধাৰণাটোৱে এই দিশত এক সাহসিক আৰু যুগোপযোগী পদক্ষেপ। অৱশ্যে, যিকোনো নতুন পৰিৱৰ্তনৰ দৰেই ইয়াকো সফল কৰি তোলাটো কেৱল প্ৰযুক্তিৰ ওপৰতেহে নাথাকিব, ইয়াৰ উপৰিও ৰহিয়াছে ইয়াৰ ব্যৱহাৰকাৰী সাধাৰণ জনতা। সেয়েহে, চৰকাৰে এই নতুন ব্যৱস্থাক জনপ্ৰিয় আৰু সহজলভ্য কৰি তোলাৰ লগতে, সাধাৰণ নাগৰিকৰ মনত থকা প্ৰশ্নবোৰৰ স্পষ্ট উত্তৰ দিয়া, তেওঁলোকক এই প্ৰযুক্তিৰ সৈতে অভ্যস্ত কৰি তোলা, আৰু প্ৰয়োজনীয় সুবিধাসমূহ যথেষ্ট পৰিমাণে আগবঢ়োৱাটো অতীৱ প্ৰয়োজন। তেতিয়াহে আধাৰ কাৰ্ডখন আমাৰ বাবে এক সুৰক্ষিত আৰু সহায়ক সত্যাপনৰ সঁজুলি হৈ উঠিব, নহয় ইয়াৰ জটিলতাই আমাৰ বাবে নতুন সমস্যাৰ সৃষ্টি নকৰিব।

◀◀ ভাৰতৰ চিত্ৰ-ভাস্কৰ্যক্ষেত্ৰত ৰামকিংকৰ বেইজ এক উল্লেখনীয় নাম। তেওঁ গুৱাহাটীৰ গান্ধী-মণ্ডপ চৌহদত মহাত্মা গান্ধীৰ হাতত লাখুটি লৈ খোজকাঢ়ি থকা অৱস্থাৰ মূৰ্তি এটি নিৰ্মাণ কৰিছিল, মূৰ্তিটো এতিয়াও আছে। এই মূৰ্তিটোৰ গান্ধীৰ মুখাবয়ৱ লৈ এতিয়াও বিভিন্নজনে প্ৰশ্ন তোলে- 'গান্ধীৰ মুখখন ভালকৈ ফুঁটি উঠিছেনে?' ইয়াৰ পিছত ভূপেন হাজৰিকাৰ মৃত্যুৰ সময়ৰ পৰাই অসমৰ বিভিন্ন ঠাইত তেওঁৰ প্ৰতিমূৰ্তি প্ৰতিষ্ঠাৰ প্ৰচণ্ড ঢৌ উঠিছিল। ▶▶

# জুবিন গাৰ্গৰ 'মূৰ্তি' আৰু প্ৰতিমূৰ্তিৰ প্ৰতিযোগিতা

### বিদ্যুৎ কুমাৰ ভূঞা

হিন্দুধৰ্মৰ পৰম্পৰাত ভগৱান বা ঈশ্বৰ, দেৱতা বা দেৱীৰ সংখ্যা তেত্ৰিশ কোটি বুলি কোৱা হয়। এইসকলৰ নামত পূজা-সেৱা আগেয়েও চলি আছিল, এতিয়াও চলি আছে, চলি আহি আছে, ভৱিষ্যতেও চলি থাকিব বুলি মোৰ একান্ত বিশ্বাস। এই দেৱ-দেৱীসকলৰ মাজত শ্ৰীকৃষ্ণ, শিৱ, গণেশ, লক্ষ্মী, সৰস্বতীৰ পৰা বিশ্বকৰ্মা পৰ্যন্ত বহুতৰে মূৰ্তি বিভিন্ন মন্দিৰত দেখিবলৈ পোৱা যায়, সভক্তিৰে চলি আছে পূজা-অৰ্চনা।

এই দেৱ-দেৱীৰ মূৰ্তিবোৰ কোনো কোনো ভাস্কৰ্য-শিল্পীয়ে গঢ় দিয়ে। যিহেতু উল্লিখিত দেৱ-দেৱীৰ বিষয়ে কিছুমান পুথি-পাঁজিত তেওঁলোকৰ দেহ আৰু বেশভূষাৰ কিছুমান বিৱৰণৰ উল্লেখ পোৱা যায়, সেয়ে আমাৰ শিল্পীসকলে সেই খিনি মূৰ্তিটোত গুৰুত্বপূৰ্ণ ৰূপত সংযোজন কৰে। যেনে— শ্ৰীকৃষ্ণৰ হাতত সুদৰ্শন চক্ৰ, শিৱৰ দেহত বাঘৰ ছাল, ডিঙিত বিষধৰ সাপ, গণেশৰ নাকটোত হাতীৰ শূৰ এডাল, সৰস্বতীৰ হাতত বীণা ইত্যাদি। আমাৰ হাতত এইসকল দেৱ-দেৱীৰ কোনো ফটোগ্ৰাফ আদি নাই বাবে তেওঁলোকৰ আচল মুখাবয়ৱ প্ৰকৃততে কেনে আছিল, সেয়া আমিও নাজানো আৰু মূৰ্তি নিৰ্মাণ কৰা শিল্পীজনেও নাজানে। গতিকে আমি কেৱল এইসকল দেৱ-দেৱীৰ ওপৰত উল্লেখ কৰি অহা ৰূপটো দেখিলেই বুজি পাওঁ যে এয়া শ্ৰীকৃষ্ণ, এয়া সৰস্বতী, সৌৱা শিৱ ইত্যাদি। একেটা কথাই প্ৰযোজ্য হয় মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ক্ষেত্ৰতো, তেওঁৰো কোনো প্ৰামাণিক মুখাবয়ৱৰ চিন পাবলৈ নাই।

ওপৰত এই যিবোৰ দেৱ-দেৱীৰ মূৰ্তিৰ কথা কৈছোঁ, এইবোৰ কেৱল 'মূৰ্তি'হে, য'ত সেইসকল দেৱ-দেৱীৰ মুখখন সঠিক হোৱা বা নোহোৱা বুলি ক'বলৈ আমাৰ হাতত তেওঁলোকৰ প্ৰকৃত মুখখনৰ অবয়ৱৰ কোনো প্ৰামাণ্য ফটোগ্ৰাফ আদি নাই। আনহাতে আমি যদি মহাত্মা গান্ধী, ৰবীন্দ্ৰনাথ ঠাকুৰ, জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা, ফণী শৰ্মা, ভূপেন হাজৰিকা আদিৰ দৰে ব্যক্তিৰ একোটা মূৰ্তি নিৰ্মাণ কৰোঁ, সেইটো 'মূৰ্তি' নহয়, সেয়া হৈ উঠিব লাগিব 'প্ৰতিমূৰ্তি'। 'মূৰ্তি' মুখাবয়ৱে প্ৰতিগৰাকী ভাস্কৰ্যশিল্পীৰ হাতত বেলেগ বেলেগ ৰূপ ল'ব পাৰে, পিচে প্ৰতিমূৰ্তিৰ মুখখন হুবহু নিৰ্দিষ্ট ব্যক্তিগৰাকীৰ প্ৰামাণ্য মুখ হ'ব লাগিব। এই বিষয়টোত 'বিমূৰ্ত কলা'ৰ (Abstract art) বিষয়টো একাকাৰ নকৰিব, সেইটো বিষয়, মোৰ এইটো লেখাৰ বিষয় নহয়।



ভাৰতৰ চিত্ৰ-ভাস্কৰ্যক্ষেত্ৰত ৰামকিংকৰ বেইজ এক উল্লেখনীয় নাম। তেওঁ গুৱাহাটীৰ গান্ধী-মণ্ডপ চৌহদত মহাত্মা গান্ধীৰ হাতত লাখুটি লৈ খোজকাঢ়ি থকা অৱস্থাৰ মূৰ্তি এটি নিৰ্মাণ কৰিছিল, মূৰ্তিটো এতিয়াও আছে। এই মূৰ্তিটোৰ গান্ধীৰ মুখাবয়ৱ লৈ এতিয়াও বিভিন্নজনে প্ৰশ্ন তোলে— 'গান্ধীৰ মুখখন ভালকৈ ফুঁটি উঠিছেনে?' ইয়াৰ পিছত ভূপেন হাজৰিকাৰ মৃত্যুৰ সময়ৰ পৰাই অসমৰ বিভিন্ন ঠাইত তেওঁৰ প্ৰতিমূৰ্তি প্ৰতিষ্ঠাৰ প্ৰচণ্ড ঢৌ উঠিছিল। পিচে ইয়াৰে ৭৫ শতাংশ মূৰ্তিয়েই কলাগত বিভিন্ন দিশৰ পৰাই অতি নিম্নমানৰ আছিল। আনকি ভূপেন হাজৰিকা জীয়াই থাকোঁতেই তেওঁৰ হাতেৰেই উন্মোচন কৰোৱা গুৱাহাটীৰ দীঘলীপুখুৰীৰ পাৰৰ প্ৰতিমূৰ্তিটো লৈ আজিও মানুহে বিষোদ্‌গাৰ প্ৰকাশ কৰা শুনিবলৈ পাওঁ!

ভূপেন হাজৰিকাৰ পিছত এইবাৰ পাল আহিল জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি প্ৰতিষ্ঠাৰ। দেখি-শুনি এনে লাগিছে এতিয়া অসমৰ চাৰিওফালে যেন কেৱল জুবিনৰ প্ৰতিমূৰ্তি প্ৰতিষ্ঠাৰহে বতৰ! অসমৰ ইমূৰৰ পৰা সিমূৰলৈ, উত্তৰৰ পৰা দক্ষিণলৈ, পূবৰ পৰা পশ্চিমলৈ চাৰিওফালে কেৱল জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি প্ৰতিষ্ঠাৰ যুদ্ধকালীন ব্যস্ততা! ওপৰে ওপৰে চালে কথাটো ভাল। পিচে অলপ গভীৰতালৈ গৈ চালে দেখা যায় যে বিষয়টোৱে পাবলগীয়া দিশটোত বিশেষ গুৰুত্ব পোৱা নাই, ই সাগৰত উঠা এটা ঢউ যেন হৈ পৰিছে।

আচলতে সমাজৰ একোজন বৰণীয় স্মৰণীয় ব্যক্তিৰ মৃত্যুৰ পিছত তেওঁৰ স্মৃতি ৰক্ষা কৰিবলৈ বা স্মৰণীয় কৰি ৰাখিবলৈ যি যি ব্যৱস্থা ব্যক্তি অনুসৰি হাতত লোৱা হয়, তাৰ ভিতৰত অন্যতম হৈছে ব্যক্তিগৰাকীৰ এক আদৰ্শ প্ৰতিমূৰ্তি নিৰ্মাণ কৰা আৰু এক বিশেষ স্থানত সকলো লোকৰ দৃষ্টিত পৰাকৈ প্ৰতিমূৰ্তিভাগ প্ৰতিষ্ঠা কৰা। এই কামটো যিদৰে ল'ৰা-ধেমালি নহয়, সেইদৰেই লৰা-ঢপৰা কৰি এনিশাৰ ভিতৰতে জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি প্ৰতিষ্ঠা কৰাৰ দৰে 'ভুকুতে কল পকোৱা'ৰ লেখীয়া হোৱাও অনুচিত। এতিয়ালৈকে মই ছচিয়েল মিডিয়াৰ জৰিয়তে জুবিন গাৰ্গৰ যিমানবোৰ প্ৰতিমূৰ্তিৰ ফটো দেখিছোঁ— সেই বোৰৰ প্ৰায় গোটেইবোৰেই জুবিনৰ 'মূৰ্তি'হে হৈছে, 'প্ৰতিমূৰ্তি' হৈ উঠা নাই! 'প্ৰতিমূৰ্তি' বুলিলে নিৰ্দিষ্ট ব্যক্তিগৰাকীৰ মুখাবয়ৱ, তেওঁৰ শাৰীৰিক উচ্চতা, তেওঁৰ চকু-কাণ-নাক, তেওঁৰ দেহ-ভংগী আদি সম্পূৰ্ণ নিখুঁত হ'ব লাগিব।

যিসকলৰ হাতত জুবিন গাৰ্গ জীৱন্ত হৈ নুঠিল বা উঠাৰ সম্ভাৱনাও নাই, সেইসকলে মুখখন বিকৃত কৰাৰ পৰিৱৰ্তে এই প'ষ্টটোত মই সংযোজন কৰা দ্বিতীয় ফটোখনৰ আৰ্হিত জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি নিৰ্মাণ কৰিলে খুবেই ভাল লাগিব, অৰ্থপূৰ্ণ হৈ উঠিব, দৰ্শক বা অনুৰাগীয়েও এই ৰূপ সানন্দে গ্ৰহণ কৰি ল'ব বুলি মই বিশ্বাসী। আকৌ কওঁ— 'মূৰ্তি' নিৰ্মাণ সকলোৱে কৰিব পৰাকৈ বৰ সহজ, পিচে 'প্ৰতিমূৰ্তি' নিৰ্মাণ বৰ কঠিন, তাৰ বাবে কৃচ্ছ-সাধনা লাগিব, সাধাৰণ মানুহৰ সাধাৰণ চকু আৰু দৃষ্টিৰ উৰ্ধত 'দিব্যদৃষ্টি' লাগিব। অন্যথা সেইসকল মিস্ত্ৰী বা কাৰিকৰৰ শাৰীতে থাকিব,

# নাৰী নাৰীৰ শত্ৰু

### আয়শা ছিদ্দিকা (আছৰি)

আমি বাস কৰা সমাজখন তথাকথিত ৰূপত পুৰুষতান্ত্ৰিক সমাজ। কিছুমানৰ বিষয়ত নাৰীক অলপ হেয় জ্ঞান কৰা হয়। কিন্তু পুৰুষ সমাজে কেতিয়াও নাৰী পুৰুষৰ শত্ৰু বুলি নাভাবে। পুৰুষতান্ত্ৰিক সমাজত নাৰীক পুৰুষৰ সম মৰ্যাদা দিবলৈ অস্বীকাৰ কৰে। যদিও চৰকাৰে নাৰী পুৰুষ সমান বুলি স্বীকৃতি দিছে। সকলো বিষয়ত নাৰীও পুৰুষৰ সমকক্ষ ভাৱে আগবাঢ়ি যাবলৈ সক্ষম হৈছে বৰ্তমান সময়ত।

কিন্তু আজিৰ সমাজত নাৰীয়ে নাৰীৰ শত্ৰু। বেলেগ কোনো শত্ৰুৰ প্ৰয়োজন নপৰে। যি সমাজত পুৰুষক আধিপত্যৰ আসনত বহুৱাই নাৰীক দীঘল দিন ধৰি এক গৌণ সত্তা হিচাপে গণ্য কৰা হয় তেনে পৰিস্থিতিত নাৰীয়ে নিজৰ ওপৰতে নিজে ক্ষুব্ধ হৈ এনে কিছুমান আচৰণ কৰে যি আচৰণে শত্ৰুকো তুচ্ছ কৰে। যদিও আইন আৰু শিক্ষাৰ দিশত কেৱল কথিত ৰূপত নাৰী-পুৰুষ সমতা স্থাপন কৰা হৈছে, তথাপি সমাজ জীৱনত সেই সমতা আজিও পূৰ্ণ ৰূপে প্ৰতিফলিত হোৱা দেখা নাযায়। তথাপি নাৰীয়ে নিজৰ মেধা, ক্ষমতা আৰু অধ্যৱসায়েৰে সকলো ক্ষেত্ৰত পুৰুষৰ খোজত খোজ মিলাই আগবাঢ়িবলৈ সক্ষম হৈছে। বিজ্ঞান, ৰাজনীতি, শিক্ষা, ক্ৰীড়া বা সাহিত্য সকলো ক্ষেত্ৰত। কিন্তু এই উন্নতি যেন এচাম লোকৰ চকুৰ কুটা। এই এচামৰ ভিতৰত পুৰুষৰ তুলনাত নাৰীৰ সংখ্যা সৰহ।

বিশেষকৈ এই নতুন প্ৰজন্মৰ আগৰ প্ৰজন্মটো। তেওঁলোকৰ ভাষ্য ছোৱালী মানুহ কিয় বাহিৰত চাকৰি কৰিব লাগে, কিয় পুৰুষৰ সমান্তৰালকৈ নিজক প্ৰতিষ্ঠিত কৰিব লাগে, কিয় উপাৰ্জন কৰি স্বাৱলম্বী হ'ব লাগে, কিয় উচ্চ শিক্ষিত হোৱাৰ প্ৰতিযোগিতা কৰিব। ছোৱালী হৈ জন্ম লৈছে বিয়া পাতি সন্তান লালন পালন কৰি গিৰিয়েক, শাহু- শাহুৰীৰ খেদমত(সেৱা) কৰিব। ইয়াৰ বাবেই ছোৱালীৰ জন্ম। এনেকুৱা মানসিকতাই এজন নাৰীক আন এগৰাকী নাৰীৰ শত্ৰু কৰি তোলে।

নাৰীয়ে নাৰীৰ শত্ৰু। এই কথাটো শুনাতেই যেন আত্মসন্মানত আঘাত লাগে। কিন্তু বাস্তৱত এই কথাটোৰ গভীৰ সত্যতা আছে। প্ৰায়ে দেখা যায়, নাৰীৰ পথত বাধা দাঙি ধৰা পুৰুষ নহয়, আন এগৰাকী নাৰী। এগৰাকী নাৰীৰ সাফল্য, সৌন্দৰ্য্য বা সামাজিক প্ৰতিষ্ঠা বহু নাৰীৰ বাবে ঈৰ্ষাৰ কাৰণ হৈ পৰে।

এই মনোভাৱৰ মূল কাৰণ সমাজৰ ঐতিহাসিক গঠন। পুৰুষতান্ত্ৰিক সমাজে শতাব্দী ধৰি নাৰীক প্ৰতিযোগিতাৰ ক্ষেত্ৰত উৎসাহিত কৰি অহা দেখা যায়। যদিও একাংশই এই কথাটো সহ্য নকৰে। সেয়েহে সিহঁতে যুক্তি দিয়ে যোগ্যতা দেখুওৱা কিংবা বাহ্যিক সৌন্দৰ্য্য বজাই ৰখা এইবোৰ মাত্ৰ পুৰুষৰ মনোৰঞ্জনৰ বাবে। আৰু পুৰুষেই নাৰীৰ মূল্য, গুৰুত্ব নিৰ্ধাৰিত কৰিব পাৰে। নাৰীয়ে আন নাৰীক নিজৰ প্ৰতিদ্বন্দ্বী বুলি ভাবিবলৈ ধৰে।

অফিচ হওক, কাৰ্যক্ষেত্ৰ বা ৰাজনীতি হওক য'ত য'ত নাৰী আগবাঢ়ি আহিছে, সেইখিনিতো এই ঈৰ্ষাৰ বিষবীজ দেখা যায়। এগৰাকী নাৰী আন এগৰাকী নাৰীৰ সাফল্যক হেয় কৰা, পদোন্নতিৰ পথত বাধা দাঙি ধৰাৰ চেষ্টা কৰা, বা নিজৰ আভিজাত্য প্ৰতিপন্ন কৰিবলৈ অন্যক অপমান কৰা এইবোৰ ঘটনা আজি সমাজত অতি স্বাভাৱিক হৈ পৰিছে।

পৰিয়ালখনৰ ভিতৰতো এই ধৰণৰ মনোভাৱৰ শিপা থাকা দেখা যায়। শাশুৰীয়ে বোৱাৰীক প্ৰতিদ্বন্দ্বী হিচাপে চোৱা, ভনীয়েকৰ সফলতাত ঈৰ্ষা কৰা, বা কন্যাক পুত্ৰতকৈ কম মৰ্যাদা দিয়া এইবোৰেই দেখুৱাই যে নাৰীয়ে নিজেই কিমান গভীৰভাৱে আন এগৰাকী নাৰীক শত্ৰু জ্ঞান কৰে।

আধুনিক সময়ত সামাজিক মাধ্যমৰ যুগত এই সমস্যা আৰু বেছি প্ৰকট হৈছে। আন এগৰাকী নাৰীৰ সুন্দৰ দৃশ্যপট, সাফল্য বা জীৱনশৈলী দেখি বহু নাৰী মানসিক ভাৱে তুলনা আৰম্ভ কৰে। এই তুলনাই জন্ম দিয়ে হতাশা, নিজক ক্ষুদ্ৰ ভাবাৰ বোধ আৰু আন নাৰীৰ প্ৰতি অদৃশ্য বৈৰিতা।

এই অসুস্থ মনোভাৱৰ চিকিৎসা একেই সহানুভূতি আৰু সহযোগৰ বোধ গঢ়ি তোলা। নাৰীয়ে বুজিব লাগিব যে আন নাৰীৰ সাফল্য তেওঁৰ নিজৰ ব্যৰ্থতা নহয়। এগৰাকী নাৰীয়ে যদি আন এগৰাকী নাৰীক সহায় কৰে, উৎসাহ যোগায়, তেন্তে সেই সহানুভূতিয়ে সম্পূৰ্ণ নাৰী সমাজক আগবাঢ়ি লৈ যাব। নাৰীহে নাৰীৰ প্ৰকৃত শক্তি। এই উপলব্ধিটো সমাজৰ প্ৰতিজন ব্যক্তিয়ে অৱগত হোৱাটো অতি প্ৰয়োজন।

বৰ্তমান সমাজত নাৰীয়ে আন নাৰীৰ ওপৰত বিশ্বাস স্থাপন কৰাটো প্ৰয়োজন। এজনে আনজনৰ সাফল্যত আনন্দিত হ'বলৈ শিকিব লাগে। সামাজিক ঐক্য, সহকৰ্মিতা আৰু একাত্মতাৰ জৰিয়তে হে নাৰীশক্তি সঁচা অৰ্থত বাস্তৱ ৰূপ ল'ব পাৰে।

সদৌশেষত ক'ব পাৰি নাৰী যদি নাৰীৰ শত্ৰু হৈ থাকে, তেন্তে নাৰীশক্তি, কিংবা সমাজ এখন শক্তিশালী ৰূপত গঢ়া, পৰিয়াল এটা সুকলমে চলা বৰ অসুবিধা হ'ব।

গৃহ যুদ্ধ চলিয়েই থাকিব যাৰ প্ৰভাৱ পৰিয়াল, সমাজ, দেশ এখনত পৰিব। নাৰীয়ে নাৰীৰ প্ৰতি সমৰ্থন, স্নেহ আৰু সহযোগিতাৰ মনোভাৱ গঢ়ি তুলিব লাগিব। কিয়নো এগৰাকী নাৰীৰ জয় কেৱল তেওঁৰ ব্যক্তিগত সাফল্য নহয় সেইটো সকলো নাৰীৰ জয়ৰ মাজত লুকাই থাকে যাৰ পৰা আৰম্ভ হ'ব পাৰে এক নতুন যুগৰ...।

# দুৰ্নীতি আৰু কিছু প্ৰাসংগিক চিন্তা

### নিবেদিতা হাজৰিকা

দুৰ্নীতি - এক সামাজিক সমস্যা বা ব্যাধি। ই এক প্ৰকাৰৰ অন্যায় বা বেআইনী কাৰ্য। ঘোচ লোৱা, জালিয়াতি, ক'লা বজাৰ, আনৰ সম্পত্তি আত্মসাৎ, ক্ষমতাৰ অপব্যৱহাৰ আদিয়ে হৈছে দুৰ্নীতি।

বৰ্তমান সময়ত বহু লোকৰ বাবে দুৰ্নীতিয়ে যেন নীতি হৈ পৰিছে। টকা বা সম্পত্তিৰ পাহাৰ গঢ়াৰ প্ৰৱণতাৰ বাবে বক্ৰ পথত ভৰি দিছে। কিয়নো চিধা পথেৰে ধনৰ পাহাৰ গঢ়া সম্ভৱ নহয়।



চৰকাৰখনে চাৰিওফালে বা চাৰিওদিশে দুৰ্নীতি বিৰোধী অভিযান চলাই ঘোচখোৰসকলক ধৰি থকাৰ পাছতো কিন্তু দুৰ্নীতিৰ প্ৰতি মানুহৰ ভয় কমি যোৱা নাই। বৰঞ্চ দুৰ্নীতিগ্ৰস্ত চৰকাৰী বিষয়া সকলৰ তালিকাখন দীঘলীয়া হৈ গৈহে আছে। যিটো এক উদ্বেগৰ বিষয় বুলি ক'ব পাৰি। চৰকাৰে দৰমহাৰ নামত এটা মোটা অংশ এই কৰ্মচাৰীসকলক প্ৰদান কৰি আহিছে যদিও এনে বহু কৰ্মচাৰী আছে যি বক্ৰ পথেৰে ধন ঘটা পথত ভৰি দিছে। যদি এই অৰ্থলোভী সকলৰ কোনো ধৰণৰ ভয় বা দ্বিধা বোধ নাথাকে অথবা সহজলভ্য টকাৰ প্ৰতি লোভ সম্বৰণ কৰিব নোৱাৰে, তেতিয়া সমাজে গম পোৱা উচিত যে টকাৰ নিচাই মানুহক এক প্ৰকাৰ মানসিক ৰোগী কৰি তুলিছে। দুৰ্নীতিগ্ৰস্ত লোকসকল সমাজৰ প্ৰতি কেতিয়াও দায়বদ্ধ নহয় বা হোৱা দেখা নাযায়।

দুৰ্নীতি প্ৰতিৰোধ কৰাৰ বাবে যি সমূহ চৰকাৰী সংস্থা আৰু আইনী ব্যৱস্থা আছে এই সমূহ সৱল হ'ব লাগে। কিন্তু কাৰ্য ক্ষেত্ৰত এনে হোৱা দেখা নাযায়। আইনৰ সুৰুক্ষাৰে প্ৰভাৱশালী দুৰ্নীতিগ্ৰস্তসকল প্ৰায়ে সৰকি যোৱা হে দেখা যায়। প্ৰকৃততে এনে হোৱা উচিত নহয়। দুৰ্নীতি ৰোধৰ ক্ষেত্ৰত চৰকাৰ কঠোৰ হোৱাটো খুবেই প্ৰয়োজনীয়। দুৰ্নীতিৰ বিৰুদ্ধে সজাগতা বৃদ্ধি কৰা তথা দুৰ্নীতি বিৰোধী অভিযানত সহায় কৰাৰ ক্ষেত্ৰত চৰকাৰৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আৰু এক বিশেষ দায়িত্ব আছে। জনসাধাৰণ এই ক্ষেত্ৰত সজাগ আৰু সচেতন হোৱা উচিত আৰু এই ধৰণৰ অন্যায়ৰ বিপক্ষে মাত মতা উচিত, প্ৰতিবাদ কৰা উচিত। সাম্প্ৰতিক সময়ত দুৰ্নীতি ৰোধৰ বাবে চৰকাৰে শূন্য সহনশীল নীতি প্ৰয়োগ কৰিছে বুলি কৈছে যদিও আজিও কিন্তু ইয়াক নিৰ্মূল কৰিব পৰা নাই, ই নিৰ্মূল হোৱা নাই। এনে পৰিপ্ৰেক্ষিতত উঠি অহা প্ৰজন্মই বাৰু এইসকল লোকৰ পৰা কি নীতি-আদৰ্শ গ্ৰহণ কৰিব? সমাজেই বা কি আশা কৰিব পাৰে? দেখাক দেখি যদি তেওঁলোকেও সেই পথ অনুকৰণ কৰে সমাজৰ অৱস্থা কেনে হ'ব? সৰুতে অভিভাৱকে শিকোৱা নীতি-আদৰ্শ মোহাৰি যদি অসৎ পথত ভৰি দিয়ে? তৰুণ প্ৰজন্মৰ পৰা আমি বহু আশা কৰো। তেওঁলোকৰ মেধা আৰু বুদ্ধিমত্তাক আদৰ কৰো। চাকৰি কালত তেওঁলোকে পদমৰ্যাদা মানি চলাটো অন্তঃকৰণেৰে বিচাৰো। ক্ষমতাৰ অপপ্ৰয়োগ কৰি অসৎ পথেৰে ধন ঘটাৰ, সম্পত্তিৰ পাহাৰ গঢ়াৰ মানসিকতাই যেন তেওঁলোকক দুৰ্নীতিগ্ৰস্ত হোৱাত অৰিহণা আগ নবঢ়ায়। এজন অসৎ দুৰ্নীতিগ্ৰস্ত বিষয়া নহৈ যাতে সকলোৱে আদৰ্শ, অনুকৰণীয় আৰু সন্মানীয় হৈ সমাজৰ সেৱা আগবঢ়াবলৈ সক্ষম হয়। সৎ পথত থাকিও সুখী জীৱন যাপন কৰিব পাৰি। আনৰ মুখৰ ভাত কাঢ়ি, ক্ষমতাৰ অপপ্ৰয়োগ কৰি ধন-ঐশ্বৰ্যৰ পাহাৰ গঢ়ি মানুহৰ চকুত চমক সৃষ্টি আৰু প্ৰতিপত্তিশালী হ'বলৈ যোৱাটো মুঠেই আদৰণীয় আৰু গ্ৰহণযোগ্য নহয়। প্ৰতিটো বিভাগত দীৰ্ঘদিন ধৰি চলি অহা, চলি থকা দুৰ্নীতিৰ বেহাখন নিঃশেষ নকৰিলে উন্নতি বাধাগ্ৰস্ত হৈ থকাটোৱে স্বাভাৱিক। দুৰ্নীতিক প্ৰশ্ৰয় নিদি সকলোৱে দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দিয়াটো, এই ক্ষেত্ৰত সচেতন হোৱাটো এজন সচেতন নাগৰিক হিচাপে খুবেই দৰকাৰী।

# বাংলাদেশৰ বৰ্তমান ৰাজনৈতিক পৰিস্থিতি ঃ এক পৰিৱৰ্তনৰ যাত্ৰা

### সত্যব্ৰত বৰা

দক্ষিণ এছিয়াৰ এখন গুৰুত্বপূৰ্ণ দেশ বাংলাদেশ সাম্প্ৰতিক সময়ত এক বিশাল ৰাজনৈতিক পৰিৱৰ্তনৰ মাজেৰে পাৰ হৈছে। ২০২৪ চনৰ ছাত্ৰ-ছাত্ৰীসকলৰ নেতৃত্বত হোৱা ব্যাপক গণ-আন্দোলনৰ ফলত প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাচিনাৰ চৰকাৰৰ পতন ঘটে। এই ঘটনাই দেশৰ ৰাজনীতিৰ পৰিচয় সলনি কৰি দিলে। শেহতীয়াকৈ চলিত মাহত শ্বেখ হাচিনাক মানৱতাৰ বিৰুদ্ধে অপৰাধৰ অভিযোগত মৃত্যুদণ্ড দিয়া হৈছে। লগতে, তেওঁৰ গৃহমন্ত্ৰী আছাদুজ্জামান খান কামালকো একে দণ্ড দিয়া হৈছে। এই ঘটনাই দেশৰ ৰাজনৈতিক পৰিস্থিতিক অধিক জটিল কৰি তুলিছে। আমি ঐতিহাসিক পটভূমিৰ পৰা আৰম্ভ কৰি বৰ্তমানৰ সমস্যা, পৰিৱৰ্তনৰ প্ৰচেষ্টা আৰু ভৱিষ্যতৰ সম্ভাৱনাৰ ওপৰত আলোচনা কৰিম।

বাংলাদেশৰ ৰাজনৈতিক ইতিহাস সংকীৰ্ণ আৰু দুৰ্ঘটনাপূৰ্ণ। ১৯৭১ চনত পাকিস্তানৰ পৰা স্বাধীনতা লাভ কৰাৰ পিছত দেশখনে গণতন্ত্ৰৰ পথত অগ্ৰসৰ হ'বলৈ অনেক চেষ্টা কৰিছে। কিন্তু সামৰিক অভ্যুত্থান, দুৰ্নীতি আৰু একদলীয় শাসনৰ ফলত দেশখনৰ ৰাজনীতি স্থিৰ নহ'ল। বাংলাদেশৰ মহানায়ক শ্বেখ মুজিবুৰ্হ মানৰ কন্যা শ্বেখ হাচিনাই ২০০৯ চনৰ পৰা ২০২৪ চনলৈকে প্ৰধানমন্ত্ৰী হিচাপে দায়িত্ব পালন কৰিছিল। তেওঁৰ নেতৃত্বত বাংলাদেশে অৰ্থনৈতিকভাৱে উন্নতি লাভ কৰিছিল। বস্ত্ৰ শিল্প, অৱকাঠামো আৰু দৰিদ্ৰতা হ্ৰাসৰ ক্ষেত্ৰত উল্লেখযোগ্য সফলতা আহিছিল। কিন্তু এই উন্নয়নৰ সৈতে গণতন্ত্ৰৰ ওপৰত নিয়ন্ত্ৰণ, মতপ্ৰকাশৰ স্বাধীনতাৰ দমন আৰু দুৰ্নীতিৰ অভিযোগো উঠিছিল। বি.এন.পি. (বাংলাদেশ ন্যাচনালিষ্ট পাৰ্টি) আৰু জামাতে ইচলামীৰ দৰে বিৰোধী দলসমূহক নিৰ্বাচনত অংশগ্ৰহণ কৰিবলৈ নিষেধ কৰা হৈছিল। এই অসন্তোষে ২০২৪ চনৰ ছাত্ৰ আন্দোলনক জন্ম দিলে।

ছাত্ৰসকলৰ আন্দোলন মূলতঃ চাকৰিৰ কোটা ব্যৱস্থাৰ বিৰুদ্ধে আৰম্ভ হৈছিল, য'ত সংৰক্ষণৰ নামত অবৈধ অধিকাৰ দিয়া হৈছিল। কিন্তু এই আন্দোলনে দ্ৰুত ৰাজনৈতিক স্বৰূপ লাভ কৰিলে। ছাত্ৰসকলে চৰকাৰৰ দমনমূলক নীতিৰ বিৰুদ্ধে আন্দোলন কৰিলে। পুলিচ আৰু নিৰাপত্তা বাহিনীৰ গুলীতো অসংখ্য মানুহ মৃত্যুমুখত পৰিলে। ৰাষ্ট্ৰসংঘৰ অনুমান অনুসৰি, এই সংঘাতত ১৪০০ লোকে প্ৰাণ হেৰুৱালে। এই দমনমূলক কাৰ্য্যৰ ফলত শ্বেখ হাচিনাই ২০২৪ চনৰ আগষ্ট মাহত ভাৰতলৈ পলায়ন কৰিলে। তেওঁৰ পলায়নৰ পিছত আৱামী লীগ পাৰ্টীক নিষিদ্ধ কৰা হৈছে আৰু দেশত এখন অন্তৰ্বৰ্তী চৰকাৰ গঠন কৰা হৈছে। নোবেল পুৰস্কাৰপ্ৰাপ্ত অৰ্থনীতিবিদ মুহাম্মদ ইউনূচে এই চৰকাৰৰ মুখ্য উপদেষ্টা হিচাপে দায়িত্ব পালন কৰিছে।

শেহতীয়াকৈ ঢাকাৰ আন্তঃৰাষ্ট্ৰীয় অপৰাধ ট্ৰিবিন্যালে শ্বেখ হাচিনাক মানৱতাৰ বিৰুদ্ধে অপৰাধৰ অভিযোগত দোষী সাব্যস্ত কৰি মৃত্যুদণ্ড দিছে। এই বিচাৰত তেওঁক ছাত্ৰ আন্দোলন দমন কৰিবলৈ হেলিকপ্টাৰ, ড্ৰোন আৰু মাৰাত্মক অস্ত্ৰ ব্যৱহাৰৰ নিৰ্দেশ দিয়াৰ অভিযোগ উঠিছে। লগতে প্ৰাক্তন গৃহমন্ত্ৰী আছাদুজ্জামান খান কামালকো একে দণ্ড দিয়া হৈছে। এই দুয়োজনে ভাৰতত আশ্ৰয় লৈ আছে। ফলত বাংলাদেশ চৰকাৰে ভাৰতক তেওঁলোকক পঠাই দিয়াৰ অনুৰোধ জনাইছে। কিন্তু ভাৰতৰ চৰকাৰে এই অনুৰোধ অস্বীকাৰ কৰিছে।ফলস্বৰূপে দুয়ো দেশৰ মাজৰ সম্পৰ্ক উত্তপ্ত হৈ পৰিছে। এই বিচাৰ বাংলাদেশৰ ৰাজনীতিত এটা ঐতিহাসিক মুহূৰ্ত হৈ পৰিছে। অনেকে ইয়াক ন্যায়ৰ বিজয় বুলি কৈ উদযাপন কৰিছে, যদিও ৰাষ্ট্ৰসংঘই মৃত্যুদণ্ডৰ বিৰোধিতা কৰিছে আৰু ন্যায়পূৰ্ণ বিচাৰৰ প্ৰয়োজনীয়তা উল্লেখ কৰিছে।

মৃত্যুদণ্ড বিহাৰ পিছত বাংলাদেশৰ ৰাজনৈতিক পৰিস্থিতি অধিক অস্থিৰ হৈ পৰিছে। আৱামী লীগৰ সমৰ্থকসকলে এই বিচাৰক ৰাজনৈতিক প্ৰতিহিংসা বুলি কৈ বিৰোধিতা কৰিছে। ঢাকাত আৱামী লীগে আন্দোলন কৰাৰ ঘোষণা কৰিছে। পুলিচ আৰু প্ৰতিবাদকাৰীৰ মাজত সংঘাতত বহুতো মানুহ আহত হৈছে। অন্তৰ্বৰ্তী চৰকাৰে নিৰাপত্তা বাহিনীক শক্তিশালী কৰি স্থিতিশীলতা বজাই ৰাখিবলৈ চেষ্টা কৰিছে, কিন্তু ৰাজনৈতিক হিংসা হ্ৰাস পোৱা নাই। হিংসাৰ প্ৰভাৱ সংখ্যালঘু সম্প্ৰদায়ৰ ওপৰতো পৰিছে। হিন্দু সম্প্ৰদায়ৰ মন্দিৰসমূহত আক্ৰমণ বৃদ্ধি পাইছে আৰু কিছুমান হিন্দু নেতাক গুৰুতৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে। সকলো ঘটনা মিলি দেশখনত ধৰ্মীয় সংঘাতৰ সৃষ্টি কৰিছে।

অন্তৰ্বৰ্তী চৰকাৰৰ সন্মুখতো বহুতো প্ৰত্যাহ্বান আছে। মুহাম্মদ ইউনূচৰ নেতৃত্বত চৰকাৰে ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক সংস্কাৰৰ কাম আৰম্ভ কৰিছে। সৰ্বপ্ৰথমে, নিৰ্বাচন সংস্কাৰ কমিচন গঠন কৰা হৈছে। নিৰ্বাচনী ব্যৱস্থাক অধিক স্বচ্ছ কৰিবলৈ পৰামৰ্শ দিছে। যোৱা জুলাই মাহত এখন জাতীয় সংবিধান সংস্কাৰ চাৰ্টাৰ স্বাক্ষৰিত হৈছে, য'ত ২০২৪ চনৰ আন্দোলনক সাংবিধানিক স্বীকৃতি দিয়া হৈছে। এই চাৰ্টাৰত ৰাজনৈতিক দলসমূহৰ মাজত ন্যায়পৰায়ণতা আৰু গণতন্ত্ৰৰ প্ৰতি সন্মানৰ কথা উল্লেখ কৰা হৈছে। ইউনূচে ঘোষণা কৰিছে যে, এই চাৰ্টাৰৰ ওপৰত এক জনমত গ্ৰহণ কৰা হ'ব ২০২৬ চনৰ ফেব্ৰুৱাৰী মাহত।

অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা বাংলাদেশে এক কঠিন সময়ত উপস্থিত হৈছে। ২০২৪ চনৰ আন্দোলনৰ ফলত অৰ্থনীতি স্থবিৰ হৈ পৰিছে। মুদ্ৰাস্ফীতি ১১ শতাংশলৈ উঠিছে, বিশেষকৈ খাদ্যৰ মূল্যবৃদ্ধিৰ ফলত। বিদেশী মুদ্ৰাৰ সংৰক্ষণ হ্ৰাস পাইছে আৰু বিদেশী বিনিয়োগকৰ্তাসকলে আস্থা হেৰুৱাইছে। আন্তৰ্জাতিক মুদ্ৰাৰ তহবিল সংস্থাই ২০২৫ চনৰ জিডিপি বৃদ্ধিৰ অনুমান ৩.৮ শতাংশলৈ নমাই দিছে। অন্তৰ্বৰ্তী চৰকাৰে অৰ্থনৈতিক সংস্কাৰৰ কাম আৰম্ভ কৰিছে।কিন্তু ৰাজনৈতিক অস্থিৰতাই এই প্ৰচেষ্টাক বাধা দিছে।

বৰ্তমান পৰিস্থিতিত বিৰোধী দলসমূহৰ ভূমিকা গুৰুত্বপূৰ্ণ। বি.এন.পি. নেতৃত্বত খালেদা জিয়াৰ নেতৃত্বত দলটোৱে নিৰ্বাচনৰ পক্ষত জোৰ দিছে আৰু সংস্কাৰৰ পক্ষত। কিন্তু দ্ৰুত নিৰ্বাচনৰ দাবী কৰিছে। জামাতে ইচলামীৰ দৰে ইচলামী দলসমূহে পুনৰ উত্থান লাভ কৰিছে, যিয়ে ধৰ্মীয় ৰাজনীতিৰ প্ৰভাৱ বৃদ্ধি কৰিছে। ছাত্ৰসকলৰ নতুন দল নেচনেল চিটিজেন পাৰ্টিয়ে আন্দোলন বজাই ৰাখিবলৈ চেষ্টা কৰিছে। কিন্তু এই সকলো দলৰ মাজত সমন্বয়ৰ অভাৱে নতুন সংঘাত সৃষ্টি কৰিব পাৰে।

বাংলাদেশৰ ৰাজনৈতিক পৰিস্থিতিৰ ওপৰত বৈদেশিক প্ৰভাৱো পৰিছে। ভাৰতৰ সৈতে সম্পৰ্ক উত্তপ্ত হৈছে, কাৰণ ভাৰতে শ্বেখ হাচিনাক আশ্ৰয় দিছে। চীন আৰু যুক্তৰাষ্ট্ৰৰ সৈতে সম্পৰ্ক ভাল কৰিবলৈও চেষ্টা কৰা হৈছে। ম্যানমাৰৰ সীমান্তত ৰোহিঙ্গা প্ৰত্যাহ্বানকাৰীৰ সমস্যাই দেশৰ নিৰাপত্তাৰ পৰিস্থিতিক জটিল কৰিছে।

বাংলাদেশৰ বৰ্তমান ৰাজনৈতিক পৰিস্থিতি আশা আৰু আতংকৰ মাজত আছে। শ্বেখ হাচিনাৰ মৃত্যুদণ্ড ন্যায়ৰ এক পদক্ষেপ হ'লেও ইয়াৰ ফলত সৃষ্ট পৰিনামে দেশখনক পিছলৈ সমস্যাৰ সৃষ্টি কৰিব পাৰে। অন্তৰ্বৰ্তী চৰকাৰে সংস্কাৰৰ পথত অগ্ৰসৰ কৰিব যদিহে সকলো দলক একত্ৰিত কৰিব পাৰে। সেইয়া সম্ভৱ হ'লে বাংলাদেশত এক নতুন গণতান্ত্ৰিক যুগৰ সূচনা হ'ব পাৰে। কিন্তু হিংসা, দুৰ্নীতি আৰু অৰ্থনৈতিক সংকটক সঠিকভাৱে সমাধান নকৰিলে দেশখন অধিক গভীৰ সংকটত সোমাই পৰিব। আমি আশা কৰোঁ যে, এই যাত্ৰা শান্তিপূৰ্ণভাৱে সম্পন্ন হৈ এখন সমৃদ্ধশালী বাংলাদেশ গঢ় লৈ উঠিব।

# অসমৰ খিলঞ্জীয়া লোকৰ সাংবিধানিক সুৰক্ষাৰ দাবী খিলঞ্জীয়া মঞ্চ অসমৰ

**অসম বাৰ্তা, দুলীয়াজান, ১৯ নৱেম্বৰ ঃ** অসমৰ খিলঞ্জীয়া জনগণে জনজাতিৰ স্বীকৃতি প্ৰদানৰ বাবে যি আন্দোলনৰ কাৰ্যসূচী হৈছে সেই আন্দোলনৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াইছে খিলঞ্জীয়া মঞ্চ অসমে। আলফা যুদ্ধ বিৰতি গোটৰ নেতা তথা খিলঞ্জীয়া মঞ্চৰ সভাপতি মৃণাল হাজৰিকা আৰু প্ৰচাৰ সম্পাদক বিক্ৰমাদিত্য দত্ত কাকতিয়ে এক বিবৃতি যোগে কয় যে, বৰ্তমানৰ জনজাতিসমূহৰ কোনোধৰণৰ ক্ষতি নোহোৱাকৈ আন্দোলনকাৰী খিলঞ্জীয়া জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান কৰিব লাগে। যিসকলে অসমত জনজাতি মৰ্যাদা লাভ কৰিছে সেইসকল ভূমিপুত্ৰ যাতে কোনো কাৰণতে খিলঞ্জীয়া জনগোষ্ঠীক জনজাতি মৰ্যাদা প্ৰদান কৰাৰ ফলত লাভ কৰি অহা অধিকাৰৰ পৰা বঞ্চিত নহয় তাৰ ব্যৱস্থা কৰিব লাগিব। খিলঞ্জীয়া মঞ্চই দৃঢ়তাৰে মতপোষণ কৰো যে, অসমভূমিত বাস কৰা খিলঞ্জীয়া জনগণৰ অধিকাৰ ৰক্ষাৰ বাবে ৰাজ্যখনে এখন জনজাতি ৰাজ্যৰ স্বীকৃতি লাভ কৰিব লাগিব। জনজাতীয় ৰাজ্যৰ (Tribal state) স্বীকৃতি লাভে অসমৰ খনিজ সম্পদ, ভূমি, উদ্যোগ, নিয়োগ, শিক্ষাৰ অধিকাৰ লাভৰ ক্ষেত্ৰত সুৰক্ষা প্ৰদান কৰিব। সেইবাবে খিলঞ্জীয়া জনগণৰ জনজাতিকৰণৰ পক্ষ আমি সমৰ্থন কৰো। কৰ্প'ৰেট লবী তথা সৰ্বভাৰতীয় ৰাজনৈতিক স্বাৰ্থ সিদ্ধিৰ বাবে সাম্প্ৰতিক সময়ত জনজাতিকৰণৰ ইস্পিত লক্ষ্যত যাতে উপনীত হ'ব নোৱাৰে সেইবাবে বিভাজনৰ এটা পূৰ্ব নিৰ্ধাৰিত ৰাজনীতি হোৱা পৰিলক্ষিত হৈছে। এহাতে জনজাতিকৰণৰ স্বীকৃতি বিচাৰি হোৱা আন্দোলনৰ কাৰ্যসূচীত চৰকাৰৰ সমৰ্থন আছে বুলি দিছপুৰৰ ক্ষমতাৰ গাদীত অধিষ্ঠিত সকলে কৈছে যদিও একেসময়তে অসমৰ বৰ্তমানৰ জনজাতীয় লোকসকলৰ মনত সৃষ্টি হোৱা সংশয় নিবাৰণৰ বাবে কোনোধৰণৰ কাৰ্যপন্থা চৰকাৰী পক্ষই গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। খিলঞ্জীয়া মঞ্চ, অসমে অসমৰ সকলো খিলঞ্জীয়া জাতি, জনগোষ্ঠীৰ অস্তিত্ব আৰু সুৰক্ষাৰ বাবে সাংবিধানিক সুৰক্ষা আৰু অধিকাৰ বিচাৰে। খিলঞ্জীয়া মঞ্চ অসমৰ পৰা স্পষ্ট মত যে কেৱল বৰ্তমানে জনজাতিকৰন বিচাৰি থকা সকলেই নহয় বাদ পৰি থকা অনান্য খিলঞ্জীয়া জনগোষ্ঠী সকলৰো সাংবিধানিক সুৰক্ষাৰ পোষকতা কৰে। জনজাতিকৰন বিচাৰি থকা আৰু বিৰোধ কৰা সকলৰ নেতৃত্বৰ দাবী বা আবেদন চৰকাৰৰ বিৰুদ্ধেহে, গতিকে দুয়োপক্ষই কোনো জনগোষ্ঠীক আক্ৰমণ কৰি বক্তব্য নাৰাখিবলৈ মঞ্চই আহ্বান জনাই। বৰ্তমানৰ জনগোষ্ঠীৰ অধিকাৰ আৰু সুবিধাৰ কোনো ক্ষতি নকৰাকৈ বাকী সকলকো সাঙুৰি লোৱাকৈ এক সমাধান সূত্ৰ উলিয়াবলৈ চৰকাৰক আহ্বান জনাই। প্ৰয়োজনত সংবিধান সংশোধন কৰি হ'লেও সমাধান সূত্ৰ উলিয়াবলৈ আহ্বান জনাই। এইক্ষেত্ৰত চৰকাৰে যি ধৰণৰ বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিব লাগিছিল সেই ভূমিকা গ্ৰহণৰ ক্ষেত্ৰত চৰকাৰ বিফল হোৱা যেন দৃষ্টিগোচৰ হৈছে। খিলঞ্জীয়া লোকৰ প্ৰভুত্ব থকা ঐক্যবদ্ধ অসমৰ পোষকতা কৰো। অনাগত দিনত আহিবলগীয়া যিকোনো প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ খিলঞ্জীয়া জনগণ এক হৈ থিয় থাকিব পৰা এটা পৰিবেশ বৰ্তি থাকিব লাগিব। এই পৰিবেশ যাতে বিঘ্নিত নহয়, তাৰ বাবে খিলঞ্জীয়া প্ৰতিগৰাকী জনগণে দৃষ্টি দিব লাগিব।

# সৰুপথাৰত অসমৰ হিয়াৰ স্পন্দন জুবিন গাৰ্গৰ জন্মদিন পালন কৰিলে ধনশ্ৰী নিৰ্মাণ গোটে

**অসম বাৰ্তা, ধনশিৰি, ১৯ নৱেম্বৰ ঃ** কায়িক ভাবে জুবিন গাৰ্গ নাথাকিলেও বৃহত্তৰ অসমীয়া জাতিয়ে তেওঁক জীয়াই ৰাখিবলৈ অহৰহ প্ৰচেষ্টা চলাইছে। জুবিন গাৰ্গৰ জীৱন পৰিক্ৰমা, মানৱতাবাদৰ দৰ্শন প্ৰতিজন অসমীয়াই অনুকৰণ কৰি তেওঁ বিচৰা বাটেৰেই বাট বুলিছে অসমবাসীয়ে। মঙ্গলবাৰে ধনশ্ৰী নিৰ্মাণ গোটে সৰুপথাৰ নগৰৰ মাজমজিয়াত, গান্ধী মূৰ্তিৰ সমীপত প্ৰাণৰ শিল্পী গৰাকীৰ ৫৩সংখ্যক জন্ম দিনটোত কেইবাটাও বিশেষ অনুষ্ঠানৰ দ্বাৰা পালন কৰে। সৰুপথাৰ অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী জীৱন চুতীয়াৰ নেতৃত্বত "ধনশ্ৰী নিৰ্মাণ গোটে" জুবিন গাৰ্গৰ ওপজা দিনত হিয়াৰ আমঠু গৰাকীক স্মৰণ কৰি ৫৩গচি বন্তি প্ৰজ্বলন কৰে। জুবিন গাৰ্গে যিধৰণে জাতি ধৰ্ম বিচাৰ কৰা নাছিল ঠিক তেনেদৰেই ধনশ্ৰী নিৰ্মাণ গোটে সৰুপথাৰ সমজিলাত বসবাস কৰা কেইবাটাও জনগোষ্ঠীৰ লোকক নিমন্ত্ৰণ কৰি আনি এই বন্তি প্ৰজ্বলন কাৰ্যসূচী সমাপন কৰে। প্ৰিয়ম বৰচুতীয়াই আঁত ধৰা অনুষ্ঠানটোত বন্তি প্ৰজ্বলনৰ পিছতেই উদীয়মান শিল্পী সুশীল শইকীয়াৰ এটি দলে জুবিন গাৰ্গৰ কণ্ঠত নিগৰিত হোৱা দিহানাম পৰিৱেশন কৰি সকলো লোকক মন্ত্ৰমুগ্ধ কৰি তোলে। পৰৱৰ্তী সময়ত স্থানীয় বহুকেইগৰাকী শিল্পীয়ে জুবিন গাৰ্গৰ ওপজা দিনটোত তেখেতক সোঁৱৰি গীত পৰিৱেশন কৰে। আনহাতে অনুষ্ঠানটিত সৰুপথাৰ মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক ড° প্ৰেমকান্ত বৰা আৰু বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক সত্যব্ৰত দত্তই জুবিন গাৰ্গৰ মানৱতাবাদ আৰু জীৱন পৰিক্ৰমাৰ ওপৰত বক্তব্য প্ৰদান কৰে। অনুষ্ঠানৰ শেষৰ ফালে ধনশ্ৰী নিৰ্মাণ গোটে জুবিন গাৰ্গে বিচৰা ধৰণেই ৫৩গৰাকী বিশিষ্ট ব্যক্তিক একোটিকৈ নাহৰ পুলি বিতৰণ কৰে আৰু সদৌ শেষত সমূহীয়াভাৱে মায়াবিনী গীত পৰিৱেশন কৰি অনুষ্ঠানৰ সামৰণি মাৰে।

# নামককিলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ড্ৰাগচ আৰু নিচাযুক্ত সামগ্ৰী বিৰোধী সজাগতা সভা সম্পন্ন

**অসম বাৰ্তা, যোৰহাট, ১৯ নৱেম্বৰ ঃ** ১৮ নৱেম্বৰ তাৰিখে সক্ৰিয় সমাজকৰ্মী দীপক হাজৰিকাৰ সৌজন্যত নামককিলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ড্ৰাগছ তথা নিচাযুক্ত দ্ৰব্য বিৰোধী এখনি সজাগতা সভা সম্পন্ন হয়। বিদ্যালয়ৰ অধ্যক্ষ নিতানন্দ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত বিষয় শিক্ষক মানৱজ্যোতি নেওগে আতধৰা সভাখনত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে উপ আৰক্ষী অধীক্ষক দেৱলীনা ভট্টাচাৰ্য্য, জিলা কৃষি বিষয়া দেৱজিত দত্ত, জিলা আবকাৰী অধীক্ষক শিৱাশীষ পাল, নিমাতী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া জগদীশ দাস, শ্ৰেষ্ঠ কৰ্মচাৰী বটা প্ৰাপক সৰুপাই দাস, প্ৰকৃতি গোটৰ সদস্য প্ৰশান্ত কলিতা, গাঁও পঞ্চায়তৰ সভানেত্ৰী দুলুমনি দাস, দীপ্তি হাজৰিকা। সভাত আবকাৰী অধীক্ষক ডাঙৰীয়াই ড্ৰাগচে সমাজলৈ অনা ভয়াবহতা, শিশু সকলৰ ওপৰত ইয়াৰ কু প্ৰভাব, আৰু ড্ৰাগচ ৰাসায়নিক সমীকৰণে এটা প্ৰজন্ম কেনেদৰে ধ্বংস কৰিব পাৰে, সেয়া সাৱলীল ভাবে ভাষণ দাঙি ধৰে। উপ আৰক্ষী অধীক্ষক দেৱলীনা ভট্টাচাৰ্য্য মহোদয়াই ড্ৰাগচ নিৰাময়ৰ ক্ষেত্ৰত কৰণীয় সমূহ, কানুন ব্যৱস্থা আৰু ইয়াৰ লগত জড়িত হৈ থকা মনোবৈজ্ঞানিক মতৰ ওপৰত ব্যক্তব্য ৰাখে। জিলা কৃষি বিষয়া দেৱজিত দত্ত সমাজৰ ব্যাধি স্বৰূপ এই নিচাৰ বিৰোধিতেৰে ব্যক্তব্য আগবঢ়ায়। ইয়াৰ লগতে সৰুপাই দাস, প্ৰশান্ত কলিতা আৰু দিপ্তী হাজৰিকাই এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ কৰণীয়, সামাজিক সংশোধনৰ ওপৰত তাত্বিক ব্যক্তব্য প্ৰদান কৰে। উক্ত সভাতে দীপক হাজৰিকাক সমাজৰ উৎকৃষ্ট কৰ্মৰ বাবে সম্বৰ্ধনা জনাই। সভাপতিৰ মন্তব্যত নিত্যানন্দ দাসে এই ক্ষেত্ৰত বিদ্যালয়ে লোৱা পদক্ষেপ সমূহ সভাত অৱগত কৰে। শেষত জাতীয় সংগীতেৰে সভাৰ সামৰণি ঘোষণা কৰা হয়।

## পলাশবাৰী আৰক্ষী থানাৰ মৰ্গত আছে মৃতদেহ

# বঙৰাত অচিনাক্ত বাহনৰ খুন্দাত নিহত এজন

**অসম বাৰ্তা, মিৰ্জা, ১৯ নৱেম্বৰ ঃ** মঙলবাৰে নিশা বৰঝাৰ বিমানবন্দৰৰ সমীপৱৰ্তী বঙৰাৰ আমতলত কোনো অচিনাক্ত বাহনৰ খুন্দাত গুৰুতৰভাৱে আহত অৱস্থাত উদ্ধাৰ হয় এজন যুৱক। স্থানীয় সচেতন ৰাইজে আহত অৱস্থাত যুৱকজনক দেখি মিৰ্জা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে আৰু খবৰ দিয়ে আৰক্ষীক। যুৱকজন গুৰুতৰভাৱে আহত হোৱা বাবে উন্নত চিকিৎসাৰ বাবে GMCHলৈ প্ৰেৰণ কৰা হয় যদিও সেই সময়তে শেষ নিশ্বাস ত্যাগ কৰে যুৱক জনে। কোনো অচিনাকি বাহনে খুণ্ডিয়াই যোৱা বুলি আৰক্ষীক জনাই ৰাইজে। যুৱক জনৰ লগত কোনো ধৰণৰ নথি পত্ৰ নথকাৰ বাবে বৰ্তমানলৈ উদ্ধাৰ হোৱা নাই তেওঁৰ পৰিচয়। কোনো লোকে যুৱক জনক চিনি পালে যোগাযোগ কৰিব পাৰে পলাশবাৰী থানাৰ লগত।

# পুৰণিগুদামত জুবিন গাৰ্গ সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, পুৰণিগুদাম, ১৯ নৱেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিৰ উদ্যোগত আৰু পুৰণিগুদামবাসী ৰাইজৰ সহযোগত পৰিষদৰ প্ৰাক্তন সতীৰ্থ প্ৰাণৰো প্ৰাণৰ শিল্পী জুবিন গাৰ্গ দেৱৰ সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ খেলপথাৰত অহা ৭ ডিচেম্বৰৰ পৰা অনুষ্ঠিত হ'বলগীয়া উক্ত ফুটবল প্ৰতিযোগিতাৰ বিজয়ী দলক নগদ বিশ হাজাৰ টকা, বিজিত দলক নগদ পোন্ধৰ হাজাৰ টকা, সৰ্বাধিক গ'ল দাতাক নগদ তিনি হাজাৰ টকা, শ্ৰেষ্ঠ গ'ল ৰক্ষকক নগদ তিনি হাজাৰ টকা আৰু চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈক নগদ তিনি হাজাৰ টকা প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাৰ ভৰ্তি মাচুল এহাজাৰ টকা। প্ৰতিযোগিতাত যোগদান কৰিব বিচৰা ফুটবল দলক ৮৬৩৮১৬২৩৮৯, ৬০০১৬৫১১৩২ আৰু ৬০০০৪৬৪১৪৩ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে অনুৰোধ জনাইছে।

# জুবিন গাৰ্গৰ ওপজা দিনত আমগুৰি মাৰোৱাৰী সমাজৰ ৰক্তদান কাৰ্য্যসূচী পালন

**অসম বাৰ্তা, আমগুৰি, ১৯ নৱেম্বৰ ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ জন্মদিন উপলক্ষে বৃহত্তৰ আমগুৰি মাৰোৱাৰী সমাজৰ উদ্যোগত "ৰক্ত দান মহান দান" বাণী সাৰোগত কৰি আজি দিনজোৰা ৰক্তদান কাৰ্য্যসূচী সফলতাৰে অনুষ্ঠিত হৈ যায়। উক্ত ৰক্তদান কাৰ্য্যসূচীত শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ চিকিৎসক, চিকিৎসা কৰ্মীৰ লগতে আমগুৰি সামূহিক চিকিৎসালয়ে সহযোগ কৰে। মহিলা-পুৰুষ উভয়ে ৰক্তদান কৰা এই অনুষ্ঠানত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি জনতাৰ হৃদয়ৰ প্ৰিয় শিল্পী গৰাকীক শ্ৰদ্ধা তৰ্পণ কৰে বিশিষ্ট চিকিৎসক ডাঃ হেমেন গগৈয়ে। শিবিৰ উদ্বোধন কৰে আউনী আটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ইন্দ্ৰকমল ফুকনে। ৰক্তদান উপলক্ষে অনুষ্ঠিত সভাত পৌৰোহিত্য কৰে জ্যেষ্ঠ নাগৰিক শংকৰ লোহীয়াই। আমগুৰি নগৰৰ মাৰোৱাৰী বিবাহ ভৱনত পুৱা দহ বজাত আৰম্ভ হোৱা কাৰ্য্যসূচীত বিশিষ্ট অতিথি হিচাপে আমগুৰি সামূহিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ লীনা শইকীয়াই ৰক্তদানৰ প্ৰয়োজনীতা সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। আদৰণি আৰু সম্বৰ্ধনা অনুষ্ঠানৰ আঁত ধৰে পংকজ আগৰৱালা, দিনেশ জৈন, ৰবি সাৰদা, অভিষেক আগৰৱালা, মনোজ ৰাথী, সুৰেশ গংগাপুৰীয়া আদিয়ে। উদ্দেশ্য ব্যাখ্যা কৰে পৱন চান্দকে। প্ৰায় শতাধিক পুৰুষ-মহিলাই ৰক্তদান কৰা এই কাৰ্য্যসূচীত মাৰোৱাৰী যুৱ মঞ্চ, পূৰ্বোত্তৰ প্ৰাদেশীয় মাৰোৱাৰী সন্মিলনৰ আমগুৰিৰ পুৰুষ আৰু মহিলা শাখাই সহযোগ কৰে। অনুষ্ঠানটি সফলভাৱে ৰূপায়ণত সহযোগ কৰাৰ বাবে জেষ্ঠ নাগৰিক গোপাল বাহেতী, শংকৰ লোহীয়া, নন্দকিশোৰ সাৰদা, সৌহানলাল মুণ্ডাই সমূহ ৰাইজক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

# গোলাঘাটত শ্ৰী সত্য সাই বাবাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৯ নৱেম্বৰ ঃ** ভগৱান শ্ৰী সত্য সাই বাবাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে যোৱা ৮ নৱেম্বৰৰ পৰা আৰম্ভ হোৱা বিস্তৃত কাৰ্যসূচীৰ অহা ২৩ নৱেম্বৰত অন্ত পৰিব। শ্ৰী সত্য সাই সেৱা সংগঠন, গোলাঘাট, শ্ৰী সত্য সাই সেৱা সমিতি গোলাঘাট আৰু শ্ৰী সত্য সাই বিদ্যা বিহাৰ বিদ্যালয়ৰ যৌথ উদ্যোগত আৰু বিদ্যালয়ৰ অভিভাৱকবৃন্দৰ সহযোগত উদ্‌যাপন কৰি থকা শ্ৰী সত্য সাই বাবাৰ জন্ম শতবাৰ্ষিকীৰ কাৰ্যসূচীত অহা ২২ আৰু ২৩ নৱেম্বৰত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সেই অনুসৰি অহা ২২ নৱেম্বৰৰ পুৱা দহ বজাত ভগৱান শ্ৰী সত্য সাই বাবাৰ পাল্কীসহ শোভাযাত্ৰা উলিওৱা হ'ব। অন্তিম দিনা অৰ্থাৎ ২৩ নৱেম্বৰত বন্তি প্ৰজ্বলন, প্ৰশান্তি পতাকা উত্তোলন, অষ্টোত্তৰ শতনাম পাঠ, শ্ৰী সত্য সাই বিদ্যা বিহাৰ বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ দ্বাৰা ভজন পৰিবেশন, বাল বিকাশ কেন্দ্ৰ আৰু বিদ্যা বিহাৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বৃদ্ধাশ্ৰমত খাদ্য সামগ্ৰী বিতৰণ, নাৰায়ণ সেৱা আদি কাৰ্যসূচীৰ অন্তত সন্ধিয়া মুঠ এশগছি বন্তি জ্বলোৱাৰ লগতে ভজন পৰিবেশন কৰা হ'ব। সমূহ কাৰ্যসূচীত সকলো ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে শ্ৰী সত্য সাই সেৱা সংগঠন গোলাঘাট জিলা সমিতিৰ সভাপতি বিপুল ৰাজকুমাৰ আৰু শ্ৰী সত্য সাই সেৱা সমিতি গোলাঘাটৰ আহ্বায়ক ডাঃ গিৰিধৰ ফুকন আৰু শ্ৰী সত্য সাই বিদ্যা বিহাৰ বিদ্যালয়ৰ অধ্যক্ষ শুভাশীষ ৰাজখুৱাই।

## মহৰ্ষি ৰাষ্ট্ৰীয় সাংস্কৃতিক মহোৎসৱত তবলাত জুনিয়ৰ শাখাত প্ৰথম পুৰস্কাৰ লাভ

# ভূপালত উজলি উঠিল ধ্ৰুপদ সঙ্গম

**অসম বাৰ্তা, বৰপেটাৰোড, ১৯ নৱেম্বৰ ঃ** মহৰ্ষি বিদ্যা মন্দিৰ বিদ্যালয় সমূহৰ দ্বাৰা আয়োজিত "মহৰ্ষি ৰাষ্ট্ৰীয় সাংস্কৃতিক মহোৎসৱ" যোৱা ১১, ১২, আৰু১৩ নৱেম্বৰত মধ্যপ্ৰদেশৰ ভূপালত অনুষ্ঠিত হয়। এই মহোৎসৱত দেশৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ -ছাত্ৰী সকলে বিভিন্ন বিভাগৰ প্ৰতিযোগিতাত ভাগ লয়। গুৱাহাটী লালমাটি মহৰ্ষি বিদ্যা মন্দিৰ (৪) ৰ ষষ্ঠ শ্ৰেণীৰ ধ্ৰুপদ সঙ্গমে অৱনদ্ধ বাদ্যৰ(Percussion ) "তবলা" ত জুনিয়ৰ শাখাত প্ৰথম পুৰস্কাৰ বুটলি আমাৰ ৰাজ্যলৈ সুনাম কঢ়িয়াই আনে। ইয়াৰ আগতেও যোৱা জানুৱাৰীত কলিকতাত অনুষ্ঠিত তবলাৰ সৰ্ব ভাৰতীয় প্ৰতিযোগিতাত তৃতীয় স্থান লাভ কৰিছে। ধ্ৰুপদে ভাটখন্দে সঙ্গীত পদ্ধতিৰ অধীনত তবলাত বিশাৰদ ডিগ্ৰী লাভ কৰাৰ উপৰিও সুৰ সঙ্গম ভাৰত কলিকতাৰ অধীনত অনুষ্ঠিত পৰীক্ষাৰ চূড়ান্ত পৰীক্ষাতো সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। পাচ বছৰ বয়সৰে পৰা তবলাৰ প্ৰসিদ্ধ গুৰু, পণ্ডিত পৱন বৰদলৈৰ তত্ত্বাৱধানত তবলাৰ পদ্ধতি গত শিক্ষা গ্ৰহণ কৰি থকা ধ্ৰুপদ সঙ্গমে ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ অধীনৰ চি চি আৰ টি ৰ ৰাষ্ট্ৰীয় জলপানি লাভ কৰি আছে। ৰেডিঅ'ৰ অকণিৰ অনুষ্ঠানৰ লগতে দূৰদৰ্শনৰ বিভিন্ন চেনেলত তবলা পৰিবেশন কৰাৰ উপৰি ধ্ৰুপদে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানতো তবলা বজাই শ্ৰোতা দৰ্শকৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। ধ্ৰুপদ সঙ্গম গুৱাহাটীৰ ছয় মাইল জয়ানগৰ নিবাসী ফুকন কলিতা আৰু জোৎস্না কলিতাৰ একমাত্ৰ সন্তান।

# আউনীআটী বিশ্ববিদ্যালয়ত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন উদ্‌যাপন

**অসম বাৰ্তা, উজনী মাজুলী, ১৯ নৱেম্বৰ ঃ** আউনীআটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগ আৰু পৰিৱেশ্য কলা বিভাগৰ উদ্যোগত আৰু বিশ্ববিদ্যালয়ৰ অন্যান্য বিভাগ সমূহৰ সহযোগত আজি প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন উদ্‌যাপন কৰা হয়। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° প্ৰকাশজ্যোতি বৰঠাকুৰে বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰাৰ পিছতেই সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° মাধুৰ্য্যমণ্ডিত বৰুৱাই। অসমীয়া বিভাগৰ প্ৰথম যাণ্মাসিকৰ ছাত্ৰী মনালিছা গগৈয়ে আঁত ধৰা অনুষ্ঠানত পৰিৱেশ্য কলা বিভাগৰ নাট্যশৈলীৰ প্ৰশিক্ষক অমিতাভ বৰদলৈ আৰু মূল্যবোধ আৰু নৈতিকতা বিষয়ৰ বিষয় শিক্ষক ৰূপম কুমাৰ শাস্ত্ৰীয়ে কবিতা আবৃত্তি কৰে। বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ শিক্ষাৰ্থী ৰাজীৱ পাত্ৰ, শচীন কাশ্যপ, দীপ্তদীপ বৰুৱা, অনন্যা মধুকল্যাই জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰে। জুবিন গাৰ্গৰ গীতৰ আধাৰত আধুনিক নৃত্য পৰিৱেশন কৰে অসমীয়া বিভাগৰ ছাত্ৰী অঞ্জলি পাটনায়ক আৰু অঞ্জনা কুৰ্মীয়ে। জুবিন গাৰ্গৰ কণ্ঠৰ ঐনিতমত গুমৰাগ নৃত্য পৰিৱেশন কৰে অসমীয়া বিভাগৰ ছাত্ৰী মুনমী পাংগিং আৰু নিকুমনি বৰাই। উক্ত অনুষ্ঠানত পৰিৱেশ্য কলা বিভাগৰ বিভাগীয় সমন্বয়ক জয়ন্ত শইকীয়া, পৰিৱেশ্য কলা বিভাগৰ তৃতীয় যাণ্মাসিকৰ ছাত্ৰ খনীন পাটৰে জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰাৰ লগতে ছাত্ৰী হিমাদ্ৰী হাজৰিকা বৰুৱাই স্বৰচিত কবিতা পাঠ কৰে। অসমীয়া বিভাগৰ ছাত্ৰী পাৰবীন চুলতানাই অনুষ্ঠানৰ শলাগৰ শৰাই আগবঢ়ায়। অনুষ্ঠানটোত পৰীক্ষা নিয়ন্ত্ৰক কৌস্তভমণি বৰদলৈ, পৰিৱেশ্য কলা বিভাগৰ জ্যেষ্ঠ অধ্যাপক দুৰ্গেশ্বৰ বৰুৱাকে আদি কৰি বিশ্ববিদ্যালয়ৰ সমূহ অধ্যাপক - অধ্যাপিকা, বিষয়া-কৰ্মচাৰী তথা বিভিন্ন বিভাগৰ স্নাতক আৰু স্নাতকোত্তৰ মহলাৰ শিক্ষাৰ্থীসকল উপস্থিত থাকে।

# তিনিচুকীয়াত বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ উদ্যোগত জুবিন গাৰ্গৰ জন্মদিন উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৯ নৱেম্বৰ ঃ** তিনিচুকীয়া চহৰৰ তিনিকোণীয়া পুখুৰীৰ সমীপত মঙলবাৰে 'বৃহত্তৰ অসমীয়া যুৱ মঞ্চ'ৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত জুবিনবিহীন প্ৰথমটো জুবিনৰ জন্মদিন উদ্‌যাপন কৰা হয়। উদ্যোক্তাসকল ক্ৰমে - যুগল বৰুৱা, পৰমানন্দ ফুকন, অচিন্ত্য মেধি আৰু জিলা সমিতিৰ বিষয়ববীয়াসকলৰ লগতে অনুষ্ঠানটিত অতিথি হিচাপে উপস্থিত থাকে তিনিচুকীয়াৰ বিশিষ্ট নাগৰিক অমৃত ৰাজখোৱা, মটক ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি সঞ্জয় হাজৰিকা, তিনিচুকীয়াৰ পৌৰপতি পুলক চেতিয়া বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ সচিব প্ৰধান মানস বৰুৱাকে প্ৰমুখ্যে কৰি কেইবাজনো কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া। পুৱা বন্তি প্ৰজ্বলন কৰি জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে তিনিচুকীয়াৰ বিভিন্ন ঠাইত গছপুলি ৰোপণ কৰা হয়। সন্ধিয়া স্থানীয় শিল্পীসকলে জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰে। উপস্থিত ৰাইজে জুবিন গাৰ্গৰ ন্যায় প্ৰক্ৰিয়া খৰতকীয়া কৰিবলৈ চৰকাৰক আহ্বান জনায়।

# আমগুৰি লতিবাৰী মণ্ডল সমল কেন্দ্ৰত শিক্ষণ-শিকণ সামগ্ৰীৰ প্ৰদৰ্শনী ও প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, অভয়াপুৰী, ১৯ নৱেম্বৰ ঃ** বুনিয়াদী স্বাক্ষৰতা আৰু সাংখিকতাৰ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ পাঠ আদান-প্ৰদানৰ ক্ষেত্ৰত শিক্ষণ শিকণ সামগ্ৰী ব্যৱহাৰ কৰি পাঠদান অধিক মনোগ্ৰাহী কৰাৰ লক্ষ্যৰে আজি সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অন্তৰ্গত আমগুৰি লতিবাৰী মণ্ডল সমল কেন্দ্ৰত এখনি শিক্ষণ শিকণ সামগ্ৰীৰ প্ৰদৰ্শনী ও প্ৰতিযোগিতা সম্পন্ন হয়। সমল কেন্দ্ৰৰ দক্ষিণ লতিবাৰী মধ্য ইংৰাজী বিদ্যালয় প্ৰাঙ্গনত অনুষ্ঠিত এই কাৰ্যসূচীত কেন্দ্ৰটোৰ নখন বিদ্যালয়ে অংশ গ্ৰহণ কৰে। অংশগ্ৰহণকাৰী বিদ্যালয়সমূহে স্বাক্ষৰতা আৰু সাংখিকতাৰ শতাধিক শিক্ষণ শিকণ সামগ্ৰী প্ৰদৰ্শন কৰে। এই প্ৰতিযোগিতাৰ সাংখিকতা শাখাত লতিবাৰী প্ৰথম খণ্ড প্ৰাথমিক বিদ্যালয়ে প্ৰথম, পশ্চিম আমগুৰী মধ্য ইংৰাজী বিদ্যালয়ে দ্বিতীয় আৰু দক্ষিণ লতিবাৰী মধ্য ইংৰাজী বিদ্যালয়ে তৃতীয় স্থান লাভ কৰে। আনহাতে স্বাক্ষৰতা শাখাত নাগৰপাৰা প্ৰাথমিক বিদ্যালয়ে প্ৰথম, লতিবাৰী দ্বিতীয় খণ্ড প্ৰাথমিক বিদ্যালয়ে দ্বিতীয় আৰু হাজি ৰতন আলী মধ্য ইংৰাজী বিদ্যালয়ে তৃতীয় স্থান লাভ কৰে। প্ৰতিযোগিতা ও প্ৰদৰ্শনীৰ অন্তত লতিবাৰী মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ড° ছিৰখাত হুছেইনে আঁত ধৰা বঁটা বিতৰণী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সৃজনগ্ৰাম শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৱজিত বায়নে। বঁটাসমূহ বিতৰণ কৰে নৱজিত বায়ন, দুই বিচাৰক দিপ্তী দাস আৰু ছাইদুল ইছলাম, মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক বাধন সৰকাৰ আৰু দক্ষিণ লতিবাৰী মধ্য ইংৰাজী বিদ্যালয়ত প্ৰধান শিক্ষক নাৰায়ণ দাসে। সভাত পুৰস্কাৰ প্ৰাপ্ত বিদ্যালয় সমূহক মানপত্ৰ আৰু ট্ৰফী প্ৰদান কৰাৰ লগতে অতিথি সকলোক ফুলাম গামোছা আৰু কলম উপহাৰ হিচাপে প্ৰদান কৰা হয়।

# বগীনদী আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত 'জুবিন' শীৰ্ষক প্ৰাচীৰ পত্ৰিকা উন্মোচন

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ১৯ নৱেম্বৰ ঃ** প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ জন্মদিন উপলক্ষে লখিমপুৰ জিলাৰ বগীনদী আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিল্পী গৰাকীক সোঁৱৰণ কৰি 'জুবিন' শীৰ্ষক এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া জীৱন চন্দ্ৰ দত্তই। বিদ্যালয়খনৰ ছাত্ৰী জিণ্টি চুতীয়াই সম্পাদক হিচাপে দায়িত্ব পালন কৰা প্ৰাচীৰ পত্ৰিকাখনৰ তত্ত্বাৱধায়কৰ দায়িত্ব পালন কৰিছে শিক্ষক তৰুণ গগৈয়ে, উপদেষ্টা হিচাপে দায়িত্ব পালন কৰিছে শিক্ষক বিদ্যুৎ দত্ত আৰু ভাগ্যশ্ৰী গগৈয়ে। বেটুপাত অংকন কৰিছে প্ৰণৱ ভাজনী আৰু পূৰ্ণিমা চুতীয়াই। প্ৰাচীৰ পত্ৰিকাখন উন্মোচনৰ পূৰ্বে শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বগীনদী আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ অনিল কুমাৰ গগৈকে ধৰি শিক্ষক সমাজে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানৰ শেষত শিক্ষক আৰু শিক্ষাৰ্থী সমাজে জুবিন গাৰ্গৰ চিৰসেউজ গীত পৰিৱেশন কৰে। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা বীণা দত্ত আৰু বগীনদী আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ হেমন্ত চুতীয়া আদি উপস্থিত থাকে।

# বকোৰ আঁঠুভাঙ্গা আঞ্চলিক যুৱক সংঘৰ সৌজন্যত দুদিনীয়া প্ৰাইজমানি ফুটবল খেল প্ৰতিযোগিতাৰ আজি চূড়ান্ত খেল

**অসম বাৰ্তা, বকো, ১৯ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ বকো বিধানসভা সমষ্টিৰ অন্তৰ্গত বকোৰ আঁঠুভাঙ্গা আঞ্চলিক যুৱক সংঘৰ সৌজন্যত আঁঠুভাঙ্গা আঞ্চলিক খেলপথাৰত অনুষ্ঠিত কৰা অষ্টম বাৰ্ষিক দুদিনীয়া প্ৰাইজমানি ফুটবল খেল প্ৰতিযোগিতাৰ আজি চুৰান্ত খেল। এই চুৰান্ত খেলখনত প্ৰতিদ্বন্দ্বিতা কৰে RJ FC বনাম MAGKA FC দল। আঁঠুভাঙ্গা আঞ্চলিক যুৱক সংঘৰ সভাপতি ছজিম খা আৰু সম্পাদক চাজাহান আলীয়ে জনোৱা অনুসৰি যোৱা ১৫ নৱেম্বৰ দিনাখনৰ পৰা আৰম্ভ হোৱা ৯ জনীয়া প্ৰাইজমানি ফুটবল খেল প্ৰতিযোগিতাত বিভিন্ন অঞ্চলৰ পৰা ২০টা দলে অংশগ্ৰহণ কৰে দুদিনীয়া খেলখনত। আজিৰ এই খেলখন আনুস্থানিক ভাৱে উদ্বোধন কৰে বিশিষ্ট সমাজ কৰ্মী দেবেন বড়োই। চুৰান্ত খেলখনত RJ FC বনাম MAGKA FC দলৰ খেলখনত প্ৰতিদ্বন্দ্বিতা কৰা MAGKA FC দলে ৪-২ গলত বিজয়ী হয়। ইফালে খেল সমাপ্ত হোৱাৰ পিছেত বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। চুৰান্ত খেলখনৰ বটাঁ বিতৰণী অনুষ্ঠানত অতিথি হিচাবে উপস্থিত থাকি বটাঁ প্ৰদান কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য নগৰমল স্বৰ্গীয়াৰী, মৈৰাচৰা আঞ্চলিক হাইস্কুলৰ প্ৰধান শিক্ষক আজমল হক, আৰু ডেকাপাৰা খণ্ড বন বিষয়া চন্দ্ৰ মোহন সাহাই। বটাঁ বিতৰণীত MAGKA FC দলে প্ৰথম পুৰস্কাৰ পাবলৈ সক্ষম হয়। আৰু শ্ৰেষ্ঠ খেলুৱৈ হিচাবে বটা প্ৰদান কৰা হয় MAGKA FC দলৰ গল ৰক্ষক চাইচিব স্বৰ্গীয়াৰীক।

# ২০২৬ৰ জানুৱাৰীত অনুষ্ঠিত হ'ব বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ মুকলি অনুষ্ঠান

## ২৩ নৱেম্বৰত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ আয়োজন

**অসম বাৰ্তা, বটদ্ৰৱা, ১৯ নৱেম্বৰ ঃ** নগাঁও জিলাৰ বটদ্ৰৱা অঞ্চলৰ অগ্ৰণী উচ্চ শিক্ষাৰ অনুষ্ঠান বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে চলিত বৰ্ষত পয়সত্তৰ বছৰত উপনীত হৈছে। এই গৌৰৱোজ্জ্বল পঞ্চসপ্ততিতম বৰ্ষ উপলক্ষে বিদ্যালয়খনৰ মহাৰজত জয়ন্তী উৎসৱটি বিভিন্ন কাৰ্যসূচীৰে জানুৱাৰী ২০২৬অনুষ্ঠিত হব। মহাৰজতজয়ন্তীৰ প্ৰথম কাৰ্যসূচী অনুযায়ী বিদ্যালয়খনিৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন খনি অহা ২৩ নৱেম্বৰত বিদ্যালয়ত অনুষ্ঠিত হ'ব। উল্লেখ্য যে আজি এক সংবাদ মেল যোগে মহাপুৰুষ গুৰুজনাৰ নামেৰে প্ৰতিষ্ঠা লাভ কৰা বিদ্যালয়খনত দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া প্ৰাক্তন ছাত্ৰ ছাত্ৰী সন্মিলনলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকা সকলো প্ৰাক্তন ছাত্ৰ ছাত্ৰী উপস্থিতি কামনা কৰিছে আহ্বায়ক মণ্ডলীয়ে। আজিৰ এই সংবাদ মেলত মহাৰাজ জয়ন্তী উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি উপেন চন্দ্ৰ কলিতা, অধ্যক্ষা হিৰামনি বৰুৱা, কোষাধক্ষ্য হিৰণ্য কলিতা, ইন্দ্ৰ মোহন বৰুৱা, গুণমনি কলিতা কৰ্ণদাৰ সমিতিৰ কাৰ্যকৰী সদস্য, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলনৰ আহাৱায়ক মণ্ডলী ক্ৰমে ভাস্কৰ বৰা, গিৰীশ জোতি বৰা, নবী হুছেইন উপস্থিত থাকে। প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ লগতে মহা ৰজত জয়ন্তী উৎসৱৰ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰিবলৈ প্ৰয়োজনত ৯৭০৬৯৯১৫৩৪, ৮৭৬১৮৬৬২২৪, ৭০০২৭৯৪২৭৩ নম্বৰত ফোনযোগে যোগাযোগ কৰিব পাৰিব বুলি সংবাদমেল যোগে জানিব দিয়ে।

# 'নিচামুক্ত ভাৰত'ৰ ওপৰত মাধৱপাৰা হাইস্কুলত সমাজ কল্যাণ বিভাগৰ সজাগতা শিবিৰ

**অসম বাৰ্তা, কচুৱা, ১৯ নৱেম্বৰ ঃ** "নিচামুক্ত ভাৰত ৰাষ্ট্ৰ গঢ়াত যুৱ সমাজৰ বিশেষ ভূমিকা" শিৰোনামাৰ ওপৰত সমাজ কল্যাণ বিভাগৰ কঠীয়াতলি আই চি ডি এছে নগাঁও জিলাৰ কচুৱাৰ মাধৱপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ত এখনি সচেতনতামূলক শিবিৰ অনুষ্ঠিত কৰে। দশম শ্ৰেণীৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰা শিবিৰটোত মুখ্য সেৱিকা ধৰিত্ৰী বৰা, সাগৰিকা দাস আৰু ডিম্পী বৰা লস্কৰে ড্ৰাগছ, মদ, আফিং, গুটকা, লিকো আদি নিচাজাতীয় সামগ্ৰীৰ সেৱনে সমাজখন যে ধ্বংসৰ ফালে ধাৱমান হৈছে আৰু ইয়াৰ প্ৰতিকাৰ কি ধৰণে কৰিব পাৰি তাৰ ওপৰত বহল ব্যাখ্যা দাঙি ধৰে। নিচামুক্ত ভাৰত গঢ়াত যুৱ সমাজৰ ভূমিকাৰ ওপৰতো তিনিও গৰাকী মুখ্য সেৱিকাই যুগাত্মক দৃষ্টি ভংগীৰে ছাত্ৰ-ছাত্ৰীক অনুপ্ৰাণীত কৰে। শেষত সকলো ছাত্ৰ-ছাত্ৰীয়ে শাৰী পাতি ঠিয় হৈ "আমি আজিৰ পৰা নিচাযুক্ত দ্ৰব্য সেৱক নকৰো, যি সকলে কৰে তাৰ ওপৰত দৃষ্টি নিক্ষেপ কৰি সমাজৰ পৰা এনে অসামাজিক কাৰ্যকলাপ ৰোধ কৰাত অগ্ৰণী ভূমিকা লৈ নিচামুক্ত ভাৰত গঢ়াত নিজকে সাজো কৰিম" বুলি শপত লয়। আজিৰ শিবিৰটোত প্ৰধান শিক্ষক বাহাৰুল ইছলাম, শিক্ষক-শিক্ষয়িত্ৰী সকলৰ লগতে সাংবাদিক আনোৱাৰ হুছেইন উপস্থিত থাকে।

## সংঘক ওচৰৰ পৰা চিনি লওক প্ৰচাৰৰ ধাৰণাত নহয়

প্ৰচাৰৰ ওপৰত ভিত্তি কৰি কোনো সিদ্ধান্তত উপনীত নহ'ব। ওচৰলৈ আহক, শাখাত আহক, নিজে চাই লওক আৰু তাৰ পিছত মতামত গঢ়ক।" তেওঁ কয়, "আজিকালি সংঘ এটা চৰ্চাৰ বিষয় হৈ পৰিছে। কিন্তু চৰ্চা সত্যৰ ভিত্তিত হ'ব লাগে। উইকিপিডিয়াকে ধৰি বহুতো উৎসত সংঘৰ বিষয়ে থকা তথ্যৰ প্ৰায় ৫০ শতাংশ ভুল বা অসম্পূৰ্ণ। ইচ্ছাকৃতভাৱে অপপ্ৰচাৰ চলোৱা হৈছে।" সংঘৰ মূল লক্ষ্যৰ কথা ব্যাখ্যা কৰি সৰসংঘচালকে কয়, "সংঘৰ প্ৰতিষ্ঠাপক ড° হেডগেৱাৰজীৰ সপোন আছিল ভাৰতক বিশ্বগুৰুৰ আসনত প্ৰতিষ্ঠা কৰা। কিন্তু ৰাষ্ট্ৰৰ উত্থানৰ আগতে সমাজৰ উত্থান হ'ব লাগিব। একতা আৰু গুণৱত্তাৰে সমৃদ্ধ এখন সমাজ গঢ়িলেহে ৰাষ্ট্ৰ শক্তিশালী হ'ব। উন্নত দেশসমূহে উত্থানৰ প্ৰথম শ বছৰ সমাজ গঢ়াতেই কটাইছিল। ভাৰতেও সেই পথতে আগবাঢ়িব লাগিব।" ভাৰতৰ বিবিধতাক সন্মান জনোৱাৰ পৰম্পৰাৰ কথা উল্লেখ কৰি তেওঁ কয়, "অন্য দেশত এনে বিবিধতাক সন্মান দিয়াৰ ভাৱধাৰা নাই। ভাৰতত আমি কওঁ, 'মোৰটো শুদ্ধ, কিন্তু তোমাৰ ঠাইত তুমিও শুদ্ধ।' এই বিবিধতাক সন্মান কৰাসকলেই হিন্দু। হিন্দু সমাজক সংগঠিত আৰু গুণৱান কৰাই সংঘৰ লক্ষ্য।" গুৰু নানক, শ্ৰীমন্ত শংকৰদেৱ আদি মহাপুৰুষসকলে এই বিবিধতাৰ মাজতে একতাৰ বাৰ্তা দি গৈছে বুলি স্মৰণ কৰাই দিয়ে সৰসংঘচালকে। সংঘক "সু-মানৱ প্ৰস্তুতিৰ প্ৰণালী" বুলি অভিহিত কৰি তেওঁ কয়, "ব্যক্তি নিৰ্মাণৰ জৰিয়তে সমাজ পৰিৱৰ্তন হ'ব, সমাজ পৰিৱৰ্তন হ'লে ব্যৱস্থা সলনি হ'ব। দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ মূল কাৰণ চৰিত্ৰৰ অভাৱ। আইনৰে নহয়, চৰিত্ৰ নিৰ্মাণৰে এইবোৰ দূৰ হ'ব।" উত্তৰ-পূৰ্বাঞ্চলৰ কথা বিশেষভাৱে উল্লেখ কৰি তেওঁ কয়, "ভাৰত শক্তিশালী হ'লে চীনকেন নেকৰ প্ৰতি অহা ভাবুকিও তল পৰিব। আমি 'ভাৰতৰ হকে' নীতিৰে আগবাঢ়িব লাগিব।" প্ৰশ্নোত্তৰ পৰ্বতো সৰসংঘচালকে যুৱকসকলৰ প্ৰশ্নৰ উত্তৰ দি সংঘৰ কাৰ্যপ্ৰণালী, সমাজৰ প্ৰতি দায়বদ্ধতা আৰু স্থানীয় পৰ্যায়ত অৰাজনৈতিক সামাজিক নেতৃত্ব গঢ়াৰ কথা বাৰে বাৰে পুনৰুল্লেখ কৰে। শেষত তেওঁ উত্তৰ-পূৰ্বৰ যুৱশক্তিক সময়, ৰুচি আৰু ক্ষমতা অনুসৰি সংঘৰ কামত যোগদান কৰিবলৈ আহ্বান জনায় আৰু কয়, "সংঘ সমাজৰে এটা অংশ মাত্ৰ। ইয়াত উত্তৰ-পূৰ্বৰ ভেটিও দিনে দিনে সুদৃঢ় হৈ আহিছে।" কণ্ঠশিল্পী শৰৎ ৰাগৰ দেশভক্তিমূলক গীতৰে আৰম্ভ হোৱা এই সন্মিলন উত্তৰ-পূৰ্বৰ যুৱসমাজৰ মাজত সংঘৰ প্ৰকৃত ৰূপ বুজোৱাৰ এক ইতিবাচক পদক্ষেপ হিচাপে চিহ্নিত হৈছে।

## আদানীক ৪০ হাজাৰ বিঘা মাটি দিয়া হ'ল, আদানী হিমন্ত

ধুবুৰী জিলা কংগ্ৰেছৰ নতুন ভৱনৰ আধাৰশিলা স্থাপন কৰি এখন কৰ্মী সভাত ভাষণ দি গৌৰৱ গগৈয়ে কয়, "কেন্দ্ৰীয় নিৰ্বাচন আয়োগে যেতিয়া ভোটাৰ তালিকাৰ নিৰ্দেশনা লৈ অসমলৈ আহিল, হিমন্ত বিশ্ব শৰ্মা উৎফুল্ল হৈ পৰিল। তেওঁ বুজি পাইছে যে তেওঁৰ ডুবি থকা নাওখন কেৱল ভুৱা ভোটাৰ তালিকাৰে বচাব পাৰিব।" বিহাৰ নিৰ্বাচনতো ভোটাৰ তালিকাৰ পৰা বহু লোকৰ নাম বাদ দিয়াৰ কথা উল্লেখ কৰি তেওঁ নিৰ্বাচন আয়োগৰ নিৰপেক্ষতাৰ ওপৰতো সন্দেহ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কটাক্ষ কৰি গৌৰৱে কয়, "সাংবাদিকে প্ৰশ্ন কৰিলে মুখ্যমন্ত্ৰীগৰাকীয়ে মালিকৰ নাম সোধে। আদানীক ৪০ হাজাৰ বিঘা মাটি দিয়া হ'ল, আদানী হিমন্ত বিশ্ব শৰ্মাৰ মালিক নেকি?" জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰসংগ উল্লেখ কৰি তেওঁ লগতে কয়, "জুবিন গাৰ্গৰ মৃত্যুৰ পিছতো দুদিনলৈ নৰ্থ ইষ্ট ফেষ্টিভেল চলি থাকিল। এই ফেষ্টিভেলৰ আৰ টি আই তথ্যও দিয়া নহ'ল। ৰাইজে ভাবিছে যে হিমন্ত বিশ্ব শৰ্মাৰ দিনত জুবিন গাৰ্গৰ দৰে ন্যায়ো নাপাব।" কংগ্ৰেছত যোগদানক লৈ মুখ্যমন্ত্ৰীৰ "১০ তাৰিখ"ৰ ভাবুকিৰ প্ৰসংগত গৌৰৱে ঘোষণা কৰে যে, "হিমন্ত বিশ্ব শৰ্মাই ভুৱা এছ আই টি লৈ যি ক'ব লগা আছে কওক। কংগ্ৰেছে প্ৰতি মাহৰ ১০ তাৰিখে যোগদান কাৰ্যসূচী পালন কৰি যাব। কোনেও আমাক ৰখাব নোৱাৰিব।" সভাত উপস্থিত আছিল অখিল ভাৰতীয় কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা অসমৰ তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিং, ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন, বিধায়ক ৰাজেদ আলী চৌধুৰী, আব্দুছ ছোবাহান আলী সৰকাৰ আৰু জিলা কংগ্ৰেছৰ বহু নেতা-কৰ্মী। ধুবুৰীত জিলা কংগ্ৰেছৰ স্থায়ী ভৱনৰ আধাৰশিলা স্থাপনৰ লগতে দলীয় কৰ্মীসকলৰ মাজত উৎসাহৰ বতৰ সৃষ্টি কৰাটোৱেই আছিল গৌৰৱ গগৈৰ এই সফৰৰ মূল উদ্দেশ্য। ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত কংগ্ৰেছে এইদৰে জিলাৰ পৰ্যায়ত সাংগঠনিক শক্তি বৃদ্ধিৰ কাম আৰম্ভ কৰিছে বুলি স্পষ্ট হৈ পৰিছে।

## বীৰ লাচিত সেনা অসমৰ মুখ্য সচিব ৰণ্টু পানীফুকনক

গ্ৰেপ্তাৰ কৰিলে বীৰ লাচিত সেনা অসমৰ মুখ্য সচিব ৰণ্টু পানী ফুকনক। এখন জে'লৰ পৰা আন এখন জে'ললৈ স্থানান্তৰ কৰা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত ৰণ্টু পানী ফুকনে এইবোৰ সময়ে নিৰ্ণয় কৰিব বুলি কয়। স্মৰ্তব্য যে, অসম আৰক্ষীয়ে বীৰ লাচিত সেনাৰ বিৰুদ্ধে ৰাজ্যজুৰি অব্যাহত ৰাখিছিল অভিযান। সমান্তৰালভাৱে নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে বীৰ লাচিত সেনাৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছিল। যোৱা ৮ নৱেম্বৰত নিশা নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে বীৰ লাচিত সেনাৰ বিৰুদ্ধে অভিযান চলাই বীৰ লাচিত সেনাৰ নগাঁও জিলাৰ মুখ্য সচিব গৰাকীক চোৰাং গৰু ব্যৱসায়িক অপহৰণ আৰু ধন দাবী কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰাৰ লগতে তাৰ কেইদিনমান পূৰ্বে আৰু তিনিজন বীৰ লাচিত সেনাৰ সদস্য গ্ৰেপ্তাৰ কৰি জে'ল হাজোতলৈ প্ৰেৰণ কৰিছিল। সমান্তৰালভাৱে বীৰ লাচিত সেনা অসমৰ মুখ্য সচিব ৰণ্টু পানীফুকনকো অসম আৰক্ষীয়ে কিছুদিন পূৰ্বে গুৱাহাটীত এখন সংবাদমেল অনুষ্ঠিত কৰি থকা সময়ত গ্ৰেপ্তাৰ কৰি জে'ল হাজোতলৈ প্ৰেৰণ কৰিছিল যদিও আজি কেইদিনমান পূৰ্বে তেজপুৰ আৰক্ষীয়ে বীৰ লাচিত সেনা অসমৰ মুখ্য সচিব ৰণ্টু পানীফুকনক গুৱাহাটী জে'লৰ পৰা পুনৰ গ্ৰেপ্তাৰ কৰি তেজপুৰলৈ আনিছিল যদিও যোৱা নিশা পুনৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে বীৰ লাচিত সেনা অসমৰ মুখ্য সচিব ৰণ্টু পানীফুকনক গ্ৰেপ্তাৰ কৰি চামগুৰিলৈ আনে। নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাত বীৰ লাচিত সেনা অসমৰ মুখ্য সচিব ৰণ্টু পানী ফুকনৰ বিৰুদ্ধেও ১৪০/২৫ নম্বৰত এক গোচৰ ৰুজু হৈ আছিল।

## টিহুত ৩৩ হাজাৰৰো অধিক উদ্যমী মহিলালৈ ১০

ভিতৰত ৩২, ৮৩৩ গৰাকী গ্ৰাম্য আৰু ৫৯৮ গৰাকী নগৰীয়া মহিলা আছে। ভাষণত মুখ্যমন্ত্ৰীয়ে কয়, "অসমৰ মহিলা সবলীকৰণৰ ক্ষেত্ৰত গ্ৰহণ কৰা আঁচনিসমূহে দেশজুৰি চৰ্চা লাভ কৰিছে। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ আৰ্হিত বিহাৰ চৰকাৰে ইতিমধ্যে একেধৰণৰ আঁচনি আৰম্ভ কৰিছে। অৰুণোদয় আঁচনিৰ আৰ্হি ছত্তীশগড়, কৰ্ণাটক, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰকে ধৰি কেইবাখনো ৰাজ্যত ৰূপায়ণ হৈছে। নিযুত মইনা আঁচনিৰ বিষয়েও বহু ৰাজ্যই আমাৰ লগত যোগাযোগ কৰিছে।" তেওঁ লগতে উল্লেখ কৰে যে অসমৰ প্ৰায় ৪০ লাখ মহিলা ৪ লাখ আত্মসহায়ক গোটৰ সৈতে জড়িত হৈ আছে আৰু এই গোটসমূহে বেংকৰ পৰা ২১ হাজাৰ কোটি টকা ঋণ লৈছে, যাৰ ৯৯ শতাংশ সময়মতে পৰিশোধ কৰিছে। "এয়াই প্ৰমাণ কৰে যে অসমৰ মহিলাসকলক সুযোগ দিলে তেওঁলোক লাখপতি আৰু মহালাখপতি বাইদেউ হৈ উঠিব পাৰে," বুলি মন্তব্য কৰে ড° শৰ্মাই। চৰকাৰে মহিলাৰ সন্মান আৰু আৰ্থিক স্বাৱলম্বিতাৰ বাবে অৰুণোদয়, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান, নিযুত মইনা আঁচনি, মেধাৱী ছাত্ৰীক স্কুটাৰ আৰু ছাত্ৰীসকলক চাইকেল প্ৰদানৰ দৰে একাধিক কল্যাণমুখী আঁচনি ৰূপায়ণ কৰি আহিছে বুলিও তেওঁ স্মৰণ কৰাই। "ঘৰত মহিলাৰ হাতত ধন থাকিলে পৰিয়ালৰ বাবে খৰচ হয়, সেয়ে চৰকাৰে পৰিয়ালৰ বাবে দিয়া ধন মহিলাকহে দিয়ে," বুলি কয় মুখ্যমন্ত্ৰীয়ে। টিহু সমষ্টিৰ উন্নয়নৰ কথা উল্লেখ কৰি তেওঁ কয় যে এতিয়ালৈকে ২৮, ১০০ পৰিয়ালে অৰুণোদয়ৰ সুবিধা পাইছে আৰু অতিৰিক্ত তিনি হাজাৰ পৰিয়ালক সামৰি লোৱা হ'ব। ৬১ হাজাৰ পৰিয়ালে ৰেচন কাৰ্ড লাভ কৰিছে আৰু ৩, ৫৭৬ গৰাকী ছাত্ৰীয়ে নিযুত মইনা আঁচনিৰ সুবিধা পাইছে। মুকালমুৱা-জাগাৰা-বনগাঁও সংযোগী পথৰ কাম চলি আছে, আখাৰা-শিয়ালমাৰী পথৰ নিৰ্মাণৰ পদক্ষেপ লোৱা হৈছে আৰু বিল্বেশ্বৰ দেৱালয়ৰ সৌন্দৰ্যবৰ্ধনৰ কামো অব্যাহত আছে। অসমৰ মহিলাসকলক লাখপতি বাইদেউ কৰাৰ সপোন লৈ আমি আগবাঢ়ি আছোঁ। তেওঁলোক আজি কেৱল পৰিয়ালৰে নহয়, সমাজ আৰু ৰাজ্যৰো এক শক্তিশালী স্তম্ভ হৈ উঠিছে, বুলি সামৰণি মাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

## ভাৰত-দক্ষিণ আফ্ৰিকা দল উপস্থিত গুৱাহাটীত

গান্ধী-মেণ্ডেলা শৃংখলাৰ দ্বিতীয় টেষ্ট মেচ। এই মেচক কেন্দ্ৰ কৰি আজি দুয়োটা দলেই মহানগৰীত উপস্থিত হৈছে আৰু অনুৰাগীসকলৰ উৎসাহ আকাশলংঘী হৈ পৰিছে। এই টেষ্ট কেৱল অসমৰ বাবে নহয়, আই পি এলৰ প্ৰথম চেম্পিয়ন ৰাজস্থান ৰয়েলছৰ বাবেও এক স্মৰণীয় ঘটনা হৈ পৰিব। কাৰণ গুৱাহাটী এতিয়া ৰাজস্থান ৰয়েলছৰ দ্বিতীয় ঘৰ হিচাপে স্বীকৃত। যোৱা তিনিটা আই পি এল ছিজনত বৰ্ষাপাৰা ষ্টেডিয়ামতে নিজৰ ঘৰুৱা মেচ খেলি অহা ৰয়েলছৰ তিনিগৰাকী তাৰকা ক্ৰিকেটাৰ— যশস্বী জয়স্বাল, ধ্ৰুৱ জুৰেল আৰু এই ছিজনত পুনৰ ৰয়েলছলৈ উভতি অহা ৰবীন্দ্ৰ জাদেজাই প্ৰথমবাৰৰ বাবে নিজৰ এই 'দ্বিতীয় ঘৰত' টেষ্ট ক্ৰিকেট খেলিব। ৰাজস্থান ৰয়েলছৰ মূল ঘৰ জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত সৰ্বশেষ টেষ্ট মেচ অনুষ্ঠিত হৈছিল ১৯৮৭ চনত, ভাৰত-পাকিস্তানৰ মাজত। তাৰ পিছত আই পি এল যুগ আৰম্ভ হোৱাৰ পিছতো ৰয়েলছৰ কোনো খেলুৱৈয়ে জয়পুৰত টেষ্ট খেলাৰ সুযোগ পোৱা নাছিল। এতিয়া গুৱাহাটীয়ে সেই অপূৰ্ণ সপোন পূৰণ কৰি দিছে। তিনিওগৰাকী খেলুৱৈয়ে বৰ্ষাপাৰাৰ দৰ্শকৰ সন্মুখত টেষ্ট ক্ৰিকেটত অৱতীৰ্ণ হ'বলৈ ওলোৱাৰ লগে লগে ৰাজস্থান ৰয়েলছৰ সমৰ্থকসকলৰো উলহ-মালহ দেখা গৈছে। অসম চৰকাৰ, অসম ক্ৰিকেট সংস্থা আৰু ৰাজস্থান ৰয়েলছৰ অসম সন্তান অধ্যক্ষ ৰঞ্জিত বৰঠাকুৰৰ দূৰদৃষ্টিৰ ফলতেই গুৱাহাটীয়ে আই পি এলৰ ঘৰুৱা মেচৰ সুবিধা লাভ কৰিছিল। সেই একে সমৰ্থন আৰু সহযোগিতাৰ বলতে আজি বৰ্ষাপাৰা ষ্টেডিয়ামে আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ মেচ আয়োজন কৰিব পৰা স্থানলৈ উন্নীত হৈছে। ইয়াৰ পিছত পৰ্দাৰ আঁৰত আছে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সহযোগ, বিচিচিআইৰ সচিব তথা অসমৰ গৌৰৱ দেৱজিৎ শইকীয়াৰ নিৰালস্য প্ৰচেষ্টা আৰু আই চি চিৰ অধ্যক্ষ জয় শ্বাৰ অকুণ্ঠ সমৰ্থন। এ চি এ ষ্টেডিয়ামে ইতিমধ্যে বিশ্বকাপৰ পুৰুষ-মহিলাৰ মেচ, একদিনীয়া আন্তঃৰাষ্ট্ৰীয়, টি-২০ আৰু আই পি এলৰ খেল আয়োজন কৰি বিশ্বমানৰ বুলি প্ৰমাণ দিছে। এতিয়া ক্ৰিকেটৰ ধ্ৰুপদী সংস্কৰণ টেষ্টৰ অভিষেকে এই ষ্টেডিয়ামৰ গৌৰৱক নতুন উচ্চতালৈ লৈ গৈছে। প্ৰথম টেষ্টত দক্ষিণ আফ্ৰিকাৰ হাতত পৰাজয়ৰ পিছত টীম ইণ্ডিয়াৰ বাবে এই মেচ অতি গুৰুত্বপূৰ্ণ। বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ পইণ্ট টেবুলত ঘূৰি অহাৰ লগতে অসম আৰু উত্তৰ-পূৰৰ ক্ৰিকেটপ্ৰেমীৰ সপোন পূৰণৰ দিশটোৰে এই মেচক বিশেষ মৰ্যাদা প্ৰদান কৰিছে। এতিয়া সকলোৰে চকু ২২ নৱেম্বৰৰ প্ৰতি। বৰ্ষাপাৰাৰ সেউজীয়া ঘাঁহনিত যেতিয়া ৰোহিত শৰ্মা আৰু টেম্বা বাভুমাৰ দল মুখামুখি হ'ব, তেতিয়া কেৱল এখন মেচ নহয়, অসমৰ ক্ৰিকেটৰ নতুন অধ্যায়ৰো সাক্ষী হ'ব সমগ্ৰ দেশবাসীয়ে।

## দুজনক গ্ৰেপ্তাৰ মুখ্যমন্ত্ৰীৰ ভিজিলেন্সৰ

পৰ্যটন বিভাগত সংঘটিত হোৱা এক বৃহৎ নিযুক্তি কেলেংকাৰীৰ সৈতে জড়িত। গ্ৰেপ্তাৰ হোৱা দুজন হৈছে প্ৰাঞ্জল বৰা আৰু অনন্য বৰঠাকুৰ। বৰ্তমান প্ৰাঞ্জল বৰা নগাঁও জিলাৰ বিভিন্ন কাৰ্যালয়ত কৰ্মৰত আছে, আনহাতে অনন্য বৰঠাকুৰ দিল্লীত কেন্দ্ৰীয় চৰকাৰৰ অধীনত কৰ্মৰত আছে বুলি জানিব পৰা গৈছে। ভিজিলেন্সৰ তদন্তৰ পৰা পোহৰলৈ আহিছে যে, ২০১২-১৩ বৰ্ষত পৰ্যটন বিভাগৰ অধীনত হোৱা নিযুক্তি প্ৰক্ৰিয়াত ব্যাপক দুৰ্নীতি সংঘটিত হৈছিল। মুঠ আঠজন বিষয়াৰ বিৰুদ্ধে এই গোচৰত গুৰুতৰ অভিযোগ উঠিছে। তেওঁলোকৰ বিৰুদ্ধে মূল অভিযোগ হৈছে ঘুষৰ বিনিময়ত বা অন্যায় পন্থাৰে চাকৰি লোৱাৰ। এই কেলেংকাৰীৰ তদন্ত দীৰ্ঘদিন ধৰি চলি আহিছে আৰু ইয়াৰ ফলত পৰ্যটন বিভাগৰ নিযুক্তি প্ৰক্ৰিয়াৰ ওপৰত গুৰুতৰ প্ৰশ্ন উত্থাপিত হৈছে। ভিজিলেন্সৰ বিষয়াই জনোৱা অনুসৰি, আৰু কেইবাজনো অভিযুক্তৰ সন্ধানত অভিযান অব্যাহত আছে আৰু অতি শীঘ্ৰে গোচৰটোত অধিক গ্ৰেপ্তাৰ হ'ব পাৰে। এই গ্ৰেপ্তাৰে ৰাজ্যত দুৰ্নীতিৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীৰ ভিজিলেন্সৰ কঠোৰ মনোভাৱৰ পুনৰ প্ৰতিফলন ঘটাইছে বুলি ৰাজনৈতিক মহলত চৰ্চা আৰম্ভ হৈছে।

## কাৰাগাৰৰ পৰাই নিৰ্বাচন খেলিব আমিনুল ইছলামে

সভাপতি মৌলানা বদৰুদ্দিন আজমলে। সাক্ষাৎৰ পিছতে সংবাদ মাধ্যমৰ আগত আজমলে আমিনুলৰ বিৰুদ্ধে "সম্পূৰ্ণ ৰাজনৈতিক ষড়যন্ত্ৰ" বুলি অভিযোগ কৰি কেইবাটাও চাঞ্চল্যকৰ মন্তব্য কৰে।" আমিনুল ইছলাম ৰাজনৈতিক ষড়যন্ত্ৰৰ বলি। ছয় মাহৰো অধিক সময় ধৰি তেওঁক এন এছ এৰ নামত বন্দী কৰি ৰখা হৈছে। আমি এই গোচৰ উচ্চতম ন্যায়ালয়লৈ লৈ যাম। আগন্তুক বিধানসভা নিৰ্বাচনত আমিনুল ইছলামে কাৰাগাৰৰ পৰাই প্ৰতিদ্বন্দ্বিতা কৰিব আৰু জয়ী হ'ব, "বুলি আজমলে দৃঢ়তাৰে ঘোষণা কৰে। তেওঁ লগতে কয়, "পূৰ্বেও বহু নেতাই জে'লৰ পৰা নিৰ্বাচনত জয়ী হৈছে। আমিনুলক কাৰাগাৰত ৰখাৰ বাবে যি বিধায়কে ধনৰ যোগান ধৰিছে, সেইগৰাকী এইবাৰ শেষ হৈ যাব।" কংগ্ৰেছৰ এগৰাকী বিধায়কক স্পষ্টভাৱে আমিনুলৰ বিৰুদ্ধে ষড়যন্ত্ৰত জড়িত বুলি অভিযোগ কৰি আজমলে কংগ্ৰেছক "বিজেপিৰ এজেণ্টেৰে ভৰা" বুলিও সমালোচনা কৰে। এ আই এম আই এমৰ সৰ্বভাৰতীয় সভাপতি আছাদুদ্দিন ওৱেইছিৰ সৈতে সম্ভাব্য মিত্ৰতাৰ প্ৰসংগত আজমলে কয়, "আমি ওৱেইছি চাহাবক অসমলৈ আমন্ত্ৰণ জনাইছোঁ। আমাৰ এটা প্ৰতিনিধি দল তেওঁৰ ওচৰলৈ গৈ অসমত একেলগে নিৰ্বাচন খেলাৰ প্ৰস্তাৱ আগবঢ়াব। কংগ্ৰেছত আছে বিজেপিৰ ১০৮ নম্বৰ এজেণ্ট। ৰকিবুল হুছেইন, গৌৰৱ গগৈ, অখিল গগৈ— সকলো বিজেপিৰ এজেণ্ট। বিহাৰৰ ফলাফলৰ পিছত কংগ্ৰেছৰ অৱস্থা বেয়া হৈছে। আমি কংগ্ৰেছৰ সৈতে কোনো কাৰণতে মিত্ৰতা নকৰোঁ। আমি নখেলিলেও মুছলমানৰ ১০০ শতাংশ ভোট লৈ কংগ্ৰেছে চৰকাৰ গঠন কৰিব পাৰিব নেকি?" এছ আৰ (স্পেচিয়েল ৰিভাইজড) ভোটাৰ তালিকাৰ প্ৰসংগত আজমলে কয়, "এছ আৰৰ নামত আন ৰাজ্যত নিৰ্বাচনৰ কেইদিনমান আগতে নতুন ভোটাৰৰ নাম সুমুৱাইছে। অসমত আমি এয়া হ'বলৈ নিদিওঁ।" জুবিন গাৰ্গৰ জন্মদিনৰ প্ৰসংগ উল্লেখ কৰি আজমলে কয়, "প্ৰথমে আমি জুবিন গাৰ্গৰ পৰিয়ালৰ সৈতে তেওঁৰ জন্মদিন পালন কৰিলোঁ আৰু জুবিনৰ ন্যায় বিচাৰিলোঁ। দ্বিতীয়তে আমিনুল ইছলামৰ ন্যায় বিচাৰিলোঁ।" কাৰাগাৰৰ বাহিৰত এ আই ইউ ডি এফৰ কেইবাগৰাকী নেতা-কৰ্মীৰ উপস্থিতিত আমিনুল ইছলামৰ মুক্তিৰ দাবীত প্ৰতিবাদো প্ৰদৰ্শন কৰা হয়। ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ আগতে এ আই ইউ ডি এফৰ এই আক্ৰমণাত্মক ভাষ্যই অসমৰ ৰাজনীতিত নতুন উত্তেজনাৰ সৃষ্টি কৰিছে বুলি বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

## জুবিনৰ জন্মদিনৰ দিনাই অসমত নাই অখিল গগৈ

আৰু তেওঁৰ কন্যা সাংসদ সুপ্ৰিয়া ছুলেৰ সৈতে দীঘলীয়া বৈঠকত। এই সাক্ষাৎকাৰ্যই ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত বিৰোধী শিবিৰৰ জোঁট-গঠন্তৰৰ নতুন সমীকৰণৰ ইংগিত দিছে বুলি ৰাজনৈতিক মহলত চৰ্চা আৰম্ভ হৈছে। মাত্ৰ তিনিদিন পূৰ্বে দিল্লীত আপ নেতা অৰবিন্দ কেজৰিৱালৰ সৈতে বৈঠক কৰাৰ পিছতে অখিল গগৈয়ে শাৰদ পাৱাৰৰ সৈতে হোৱা এই বৈঠকত দেশৰ সাম্প্ৰতিক ৰাজনৈতিক পৰিস্থিতি, বিজেপিৰ "সাম্প্ৰদায়িক ফেচিবাদী" নীতিৰ প্ৰতিৰোধ, কৃষি সংকট, ভূমি সংস্কাৰ আৰু কৃষি বিপ-ৱৰ দিশসমূহত বিস্তৃত আলোচনা হয় বুলি অখিল গগৈয়ে সামাজিক মাধ্যমত জানিবলৈ দিয়ে। তেওঁ লিখে, "মহাৰাষ্ট্ৰৰ বাৰামতি অঞ্চলত শাৰদ পাৱাৰে কেনেকৈ বৃষ্টিহীন এলেকাক কৃষি-সমৃদ্ধ অঞ্চললৈ ৰূপান্তৰিত কৰিলে, তাৰ বৃত্তান্ত শুনি বহু কথা শিকিবলৈ পালোঁ। দেশত বিজেপিৰ আগ্ৰাসী জনবিৰোধী নীতিৰ বিৰুদ্ধে একেলগে থিয় দিয়াৰ প্ৰতিশ্ৰুতিও দিলোঁ।" কিন্তু এই সাক্ষাৎকাৰ্যৰ দিনটোৱেই আছিল প্ৰয়াত সংগীত শিল্পী জুবিন গাৰ্গৰ জন্মদিন। সেয়ে অখিল গগৈৰ মুম্বাই ভ্ৰমণক লৈ তীব্ৰ সমালোচনা কৰিছে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। এখন কাৰ্যসূচীত মুখ্যমন্ত্ৰীয়ে কয়, "কালি জুবিন গাৰ্গৰ জন্মদিন আছিল। গোটেই অসমতে 'জাষ্টিছ ফৰ জুবিন' বুলি চিঞৰি থকা অখিল গগৈক কোনোবাই দেখিছেনে? তেওঁ মুম্বাইত গৈ শাৰদ পাৱাৰক লগ কৰি আছিল। মইতো লণ্ডনৰ পৰা কষ্ট কৰি হ'লেও আহি জুবিনৰ কাৰ্যসূচীত যোগ দিছিলোঁ। বিজেপিৰ কৰ্মীসকলে তেজ দিছিল। কিন্তু 'জুবিনৰ ন্যায়'ৰ বাবে চিঞৰাসকলে কালি ক'ত আছিল?" লগতে তেওঁ সতৰ্কবাণী শুনাই কয়, "১০ ডিচেম্বৰৰ পৰা এইসকলৰ মুখৰ মাত বন্ধ হৈ যাব।" অখিল গগৈয়ে এতিয়ালৈকে মুখ্যমন্ত্ৰীৰ এই সমালোচনাৰ কোনো উত্তৰ দিয়া নাই যদিও ৰাজনৈতিক মহলে মনে কৰিছে যে, ২০২৬ৰ নিৰ্বাচনৰ আগতে বিৰোধী শিবিৰত জোঁট গঠনৰ চেষ্টা তীব্ৰতৰ হৈছে আৰু অখিল গগৈ তাৰ অন্যতম মুখ্য স্থপতি হিচাপে কাম কৰি আছে। শাৰদ পাৱাৰৰ সৈতে হোৱা এই বৈঠকে সেই দিশতে নতুন মাত্ৰা যোগ কৰিলে বুলি বিশে-ষকসকলে মত প্ৰকাশ কৰিছে।

## আধাৰ কাৰ্ডত নাথাকিব নাম-ঠিকনা, থাকিব কেৱল ছবি

ভুৱনেশ কুমাৰে। নতুন আধাৰ কাৰ্ডত নাগৰিকৰ নাম, ঠিকনা, জন্ম তাৰিখ বা আধাৰ নম্বৰ কোনোটোৱেই প্ৰকাশ্যভাৱে লিখা নাথাকিব। কাৰ্ডত কেৱল নাগৰিকজনৰ ছবি এখন আৰু এটা উন্নতমানৰ কিউআৰ ক'ড থাকিব। সেই কিউআৰ ক'ডৰ ভিতৰত নাগৰিকৰ সকলো ব্যক্তিগত তথ্য এনক্ৰিপ্ট কৰি লুকুৱাই ৰখা হ'ব। এই ক'ড স্কেন কৰিবলৈ বৰ্তমানৰ mAadhaar এপৰ ঠাইত এটা সম্পূৰ্ণ নতুন আধাৰ এপ ব্যৱহাৰ কৰিব লাগিব। সেই এপত ফেচিয়েল ৰেকগনিচন বা বায়'মেট্ৰিকৰ জৰিয়তে লক-আনলক কৰি কিউআৰ ক'ড স্কেন কৰিলেহে তথ্যসমূহ দেখা পোৱা যাব। ইউআইডিএআইৰ মতে, এই ব্যৱস্থাৰ মূল উদ্দেশ্য হৈছে আধাৰৰ অফলাইন অপব্যৱহাৰ আৰু তথ্য চুৰি ৰোধ কৰা। বহুতো হোটেল, অনুষ্ঠান প্ৰৱেশদ্বাৰ, ব্যৱসায়িক সংস্থা আদিয়ে আধাৰ কাৰ্ডৰ ফট'কপি সংগ্ৰহ কৰি ৰাখে, যিটো আধাৰ আইনৰ সম্পূৰ্ণ বিপৰীতে। নতুন কাৰ্ডত কোনো স্পষ্ট তথ্য নথকাত এনে ফট'কপিৰ কোনো মূল্য নাথাকিব আৰু তথ্য চুৰিৰ সম্ভাৱনা কমি যাব। নতুন এপটোত পাৰিবাৰিক সদস্যৰ আধাৰ যোগ কৰা, ঠিকনা অনলাইনত সলনি কৰা, ম'বাইল নম্বৰ সংশোধন কৰা, আধাৰ ব্যৱহাৰৰ সম্পূৰ্ণ ইতিহাস চোৱা আদি সুবিধাও থাকিব। এপটো এবাৰ ইণ্টাৰনেটত সংযোগ কৰিলে পিছলৈ অফলাইনতো কাম কৰিব পাৰিব বুলি জানিব পৰা গৈছে। যদিও ডিচেম্বৰৰ পৰা নতুন কাৰ্ড জাৰিৰ কথা কোৱা হৈছে, তথাপি এই পৰিকল্পনা এতিয়াও প্ৰাৰম্ভিক পৰ্যায়ত আছে আৰু চূড়ান্ত সিদ্ধান্ত ডিচেম্বৰৰ প্ৰথম সপ্তাহতহে লোৱা হ'ব। ইউআইডিএআয়ে এই সকলোবোৰ ব্যৱস্থা ডিজিটেল পাৰ্চনেল ডেটা প্ৰ'টেকচন আইনৰ সৈতে সামঞ্জস্য ৰাখি গঢ়ি তুলিছে বুলি দাবী কৰিছে। নাগৰিকসকলক পৰামৰ্শ দিয়া হৈছে যে অফিচিয়েল ঘোষণাৰ বাবে ইউআইডিএআইৰ ৱেবচাইট আৰু ছ'চিয়েল মিডিয়া পেজত নজৰ ৰখাৰ।

## তিনিচুকীয়াৰ বাৰেকুৰিত যুৱ-ছাত্ৰ পৰিষদৰ বীৰ ৰাঘৱ

নেতাই বন্তি প্ৰজ্বলন কৰে। সেইসকলৰ ভিতৰত ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়া, ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতা, মাকুম মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মালবিকা ভূএঞা ফুকন, প্ৰবীন পাঞ্জা খেলুৱৈ যোগেন পাটোৱাৰী, সোমেশ্বৰ মৰাণ, বিৰিঞ্চি নেওগ, টুটুকান্ত মৰাণ, ভুলেন বৰুৱা, ৰণ্টু ডাঙৰীয়া, সাংবাদিক ক্ৰমে - ৰবীন মৰাণ, ৰঞ্জিত দত্ত, হেমন্ত শইকীয়া, বিপ্লৱ চেতিয়া, বিকাশ বৰুৱা, প্ৰশান্ত খাটোৱাল, পল্লৱ শৰ্মা, প্ৰতাপ মৰাণ, বিবেক বড়া, সমীৰণ বৰা, ৰাতুল কলিতা, ৰাতুল ডেকা, খগেশ্বৰ বৰুৱা, জয়ন্ত মৰাণ, ৰাণাদ্বীপ দুৱৰা অন্যতম। বিয়লি জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাইৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। পৰিষদৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক সুৰজিত মৰাণে আঁত ধৰা সভাত নিৰ্দিষ্ট বক্তাৰূপে বক্তব্য আগবঢ়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° উপেন ৰাভা হাকাচামে প্ৰতিবছৰে বীৰ ৰাঘৱ দিৱস উদযাপন কৰা কাৰ্যৰ প্ৰতি পৰিষদক সমৰ্থন জনাই বীৰজনাৰ বীৰত্বৰ বহুল প্ৰচাৰৰ হেতু অসমৰ বিভিন্ন অঞ্চলত এই দিৱস উদযাপনৰ পোষকতা কৰে। তেওঁ ২৯০ সংখ্যক বীৰ ৰাঘৱ মৰাণ দিৱসৰ প্ৰসঙ্গ টানি আনি কয় যে ১৭৬৯ চনত হত্যাকাণ্ডৰ সন্মুখীন হোৱা বীৰ ৰাঘৱ মৰাণৰ নেতৃত্বত 'মৰি যাওঁ গুৰুৰ ঋণ শুজি যাওঁ' শ্ল'গানেৰে ৰজাঘৰীয়াৰ নিৰ্যাতনৰ বিৰুদ্ধে আৰম্ভ হৈছিল পৃথিৱীৰ প্ৰথমটো গণ বিপ্লৱ মোৱামৰীয়া বিদ্ৰোহ। নিৰ্যাতনৰ সন্মুখীন হোৱা ৰাঘৱে হেলাৰঙে অত্যাচাৰ সহ্য কৰি সময়ৰ সদব্যৱহাৰ কৰিছিল। তেওঁ মোৱামৰীয়া বিদ্ৰোহত মহিলা বাহিনীৰ নেত্ৰী ৰাধা-ৰুক্মিনীৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ প্ৰসঙ্গও টানি আনে। স্মৃতিগ্ৰন্থ উন্মোচন কৰি ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা অসম সাহিত্য সভাৰ আন্তঃৰাজ্য, বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক ড° শশীকান্ত শইকীয়াই অসমীয়া জাতিৰ অস্তিত্ব বিপন্নৰ পথত আছে বুলিও তাৎপৰ্যপূৰ্ণভাৱে মন্তব্য আগবঢ়াই বক্তব্য প্ৰদান কৰে। পৰিষদৰ দৃষ্টিভংগীৰ ওপৰত ব্যাখ্যা আগবঢ়ায় পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক বিজন বায়নে। পৰিষদে এইবাৰ বীৰ ৰাঘৱ মৰাণ বঁটা প্ৰদান কৰে এন ডি ২৪ ৰ মুখ্য সম্পাদক ৰাজদ্বীপ বাইলুং বৰুৱাক। বঁটা গ্ৰহণ কৰি ৰাজদ্বীপ বাইলুং বৰুৱাই কয় যে একে এষাৰে আহোমৰ বিৰুদ্ধে মোৱামৰীয়া গণ বিদ্ৰোহ হৈছিল বুলি আঁহ ফলা যুক্তি আগবঢ়াই প্ৰকৃত তথ্য লুকুৱাই ইতিহাস বিকৃত কৰাটো যুক্তিসঙ্গত নহয়। প্ৰকৃততে কেইজনমান অত্যাচাৰী শাসক কিম্বা নেতাৰ বাবেহে সূত্ৰপাত হৈছিল মোৱামৰীয়া বিদ্ৰোহৰ। তেওঁ ৰাঘৱৰ দৰে ঐতিহাসিক বীৰসকলৰ জীৱন দৰ্শন সকলোৱে জনা উচিত বুলি কৈ সেইসকল বীৰৰ প্ৰচাৰ আৰু প্ৰসাৰ সন্দৰ্ভত গুৰুত্ব দিয়া উচিত বুলি দোহাৰে। 'ৰাঘৱ মৰাণ কোন সেয়া, অসমে জনা উচিত বাবেই এনেবোৰ কাৰ্যসূচী গুৱাহাটীৰ দৰে ঠাইত পাতক' বুলিও তেওঁ মন্তব্য কৰে। কাৰ্যসূচীৰ মাজতে সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ সাধাৰণ সম্পাদিকা ৰুণু মৰাণ চাউৰকৰ পৰিচালনাত স্থানীয় কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ ছাত্ৰীসকলে এটি সমবেত সঙ্গীত পৰিৱেশন কৰাৰ উপৰি মৃদঙীয়া গায়ন-বায়ন সংস্থাৰ এটা দলে গায়ন-বায়ন আৰু আইতীসকলে মৰাণ সকলৰ পৰম্পৰাগত নাম 'খেৰি' পৰিৱেশন কৰে। সভাত মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰি বীৰ ৰাঘৱ মৰাণৰ জীৱনাদৰ্শ আলোকপাত কৰে সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বড়াই। নিশালৈ অনুষ্ঠিত হয় সাংস্কৃতিক সন্ধিয়া। অনুষ্ঠানত বিশিষ্ট কণ্ঠশিল্পী মহেন্দ্ৰ হাজৰিকা আৰু দিগন্ত গোহাঁইকে ধৰি কেইবাগৰাকী ন-পুৰণি শিল্পীয়ে গীত পৰিৱেশন কৰে। কালি পুৱা মূল তোৰণ উদ্বোধন উদ্বোধন কৰে মায়ামৰা হাতীগড় মুলানী সত্ৰৰ সত্ৰাধিকাৰ চক্ৰেশ্বৰ মহন্তই। মঞ্চ উদ্বোধন কৰে তিনিচুকীয়া জিলা মৃদঙীয়া গায়ন-বায়ন সংস্থাৰ সভাপতি নিৰেশ্বৰ চাউৰকে। দিনৰ ভাগত অনুষ্ঠিত হয় জুবিন গাৰ্গৰ সংগীত, চিত্ৰাংকন আদি প্ৰতিযোগিতা। শুভাৰম্ভ কৰে বিশিষ্ট সমাজসেৱক মৃদুল বৰুৱাই। নাহৰ পুলি ৰোপণ কৰে উদযাপন সমিতিৰ সভাপতি, কাৰ্যকৰী সভাপতি, সম্পাদক আদিৰ লগতে পৰিষদৰ জিলা সমিতি বিষয়ববীয়া আৰু উপদেষ্টা ক্ৰমে অচ্যুত মৰাণ, বিনোদ চুতীয়া, ব্ৰজেন চুতীয়া, উত্তম গোহাঁই, কণ গগৈ, মায়াৰাণী লাহন গগৈ, সুৰজিৎ মৰাণ, সোনমণি চলিহা, হিতেশ দেউৰী, যদু সোণোৱাল, সীমান্ত দাস, দশন্ত মৰাণ, দেৱজিৎ সোণাৰ আৰু সদানন্দ দাসে। বিয়লি জুবিন গাৰ্গৰ ফটোত শ্ৰদ্ধাঞ্জলি আৰু বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে বৃহত্তৰ বাৰেকুৰি অঞ্চলৰ ৰাইজৰ লগতে তিনিচুকীয়া জিলাখনৰ বিভিন্ন সংগঠনৰ নেতৃবৃন্দ, অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়া, বিশিষ্ট ব্যক্তি, শিল্পীসকলে। সন্ধিয়া 'মায়াবিনি ৰাতিৰ বুকুত' শীৰ্ষক গীতটি সমূহীয়াকৈ পৰিৱেশন কৰে।

## উধাৰবন্দত উৎকোচ লৈ ধৰা পৰিল

বিদ্যালয়ৰ এগৰাকী শিক্ষকক এল পি স্কুলৰ পৰা হাইস্কুললৈ পদোন্নতিৰ কাৰণে প্ৰয়োজনীয় নথি-পত্ৰ ব্লক শিক্ষা কাৰ্যালয়ৰ পৰা যোগান ধৰি দিয়াৰ কামত বিলম্ব কৰি বিইঅ' মাধৱ সাহাই অৰ্থ দাবী কৰিছিল। শিক্ষকজনৰ দৰমহা যাতে পদোন্নতিৰ কাৰণে বন্ধ নহয় আৰু নথি-পত্ৰ দুমাহৰ ভিতৰত যোগান ধৰি দিয়া হয়, তাৰ বিনিময়ত তেওঁ প্ৰথমে ১০, ০০০ টকা উৎকোচ বিচাৰিছিল। পিছত আলোচনাৰ অন্তত ৭,০০০ টকাত মান্তি হয়। এই অভিযোগ পোৱাৰ পিছতে মুখ্যমন্ত্ৰীৰ ভিজিলেঞ্চ শাখাই ফান্দ পাতে। পৰিকল্পনা অনুসৰি শিক্ষকজনে নিৰ্ধাৰিত স্থানত উৎকোচৰ ধন দিয়াৰ লগে লগে ভিজিলেঞ্চ দলটোৱে অভিযান চলাই মাধৱ সাহাক ধন লৈ থকা অৱস্থাতে আটক কৰে। তেওঁৰ পৰা উদ্ধাৰ হয় চিহ্নিত উৎকোচৰ ৭,০০০ টকা। ঘটনাৰ পিছতে বিষয়াজনক গ্ৰেপ্তাৰ কৰি ভিজিলেঞ্চ থানালৈ অনা হৈছে আৰু প্ৰয়োজনীয় আইনী কাৰ্য্য আৰম্ভ কৰা হৈছে। বৰ্তমান তদন্ত অব্যাহত আছে আৰু এই গোচৰত আৰু কোনো কোনো জড়িত হৈ আছে নেকি, সেই বিষয়েও খতিয়ান চলোৱা হৈছে বুলি ভিজিলেঞ্চ সূত্ৰই জানিবলৈ দিছে। শিক্ষা বিভাগৰ এনে এগৰাকী দায়িত্বশীল বিষয়াৰ উৎকোচ গ্ৰহণৰ ঘটনাই জিলাৰ শিক্ষক সমাজৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি কৰিছে। আনহাতে, মুখ্যমন্ত্ৰীৰ ভিজিলেঞ্চৰ এই সক্ৰিয়তাৰ বাবে সাধাৰণ ৰাইজে প্ৰশংসা কৰিছে।

## লাহৰীঘাট থানা আৱাসত

থানা উপ-পৰিদৰ্শক গৰাকীয়ে থানা অৱাসলৈ মাতি নি এগৰাকী মহিলাৰ সৈতে অপকৰ্ম সংঘটিত কৰে। বিষয়া গৰাকীয়ে মদ্যপান কৰি মহিলা গৰাকীৰ শ্লীলতাহানি কৰাৰ গুৰুতৰ অভিযোগে পুনৰ খাকি পোছাক কলংকিত হ'ল লাহৰীঘাটত। এনে গুৰুতৰ অভিযোগ উত্থাপন হোৱা আৰক্ষী বিষয়া গৰাকীৰ নাম ব্ৰজেন্দ্ৰ দাস। ব্ৰজেন্দ্ৰ দাস নামৰ উপ পৰিদৰ্শক গৰাকীয়ে মদ্যপান কৰি বিভিন্ন সময়ত ই-ৰিক্সা আৰু অট' চালক সকলকে ধন দাবী কৰি হাৰাশাস্তি কৰাৰ অভিযোগ আছে। এনে ক্ষেত্ৰত পুনৰ নাৰীৰ শ্লীলতা হানিৰ দৰে অভিযোগত নাম সাঙোৰ খোৱাৰ পাছত মৰিগাঁও আৰক্ষীয়ে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হব। অৱশ্যে সমগ্ৰ ঘটনা টোৰ ওপৰত বিভাগীয় তদন্ত অব্যাহত আছে বুলি জানিব পৰা গৈছে।

## জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ

## গোলাঘাটত প্ৰসুতিৰ মৃত্যুক কেন্দ্ৰ কৰি উত্তপ্ত শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৯ নবেম্বৰ ঃ** গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত কালি নিশা এগৰাকী প্ৰসূতিৰ মৃত্যুক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। বিশেষকৈ চিকিৎসালয়খনত থকা কৰ্তব্যৰত প্ৰসূতি বিভাগৰ চিকিৎসক আৰু নাৰ্ছৰ চূড়ান্ত গাফিলতিৰ বাবেই কালি এমেৰীয়া চুৰেং নামৰ এগৰাকী প্ৰসূতিৰ মৃত্যু হোৱাৰ অভিযোগ উঠিছে। জানিব পৰা মতে, মুৰফুলনী চাহ বাগিচাৰ ২২ বছৰীয়া এই প্ৰসূতি গৰাকীক প্ৰসৱ বেদনাত চটফটাই থকাৰ অৱস্থাত কালি দিনৰ ২ বজাত জৰুৰীভাৱে গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হৈছিল। অভিযোগ অনুসৰি, প্ৰথম অৱস্থাত চিকিৎসালয়ৰ নাৰ্চে এমেৰীয়া চুৰেং নামৰ প্ৰসূতি গৰাকীৰ পৰিয়ালৰ লোকক বিভিন্ন নথি পত্ৰ বিচাৰি প্ৰায় ২ ঘণ্টা সময় বিনা চিকিৎসাৰে প্ৰসূতি গৰাকীক বহুৱাই থয়। পাছত বিয়লিৰ ভাগত তেওঁক লেবাৰ ৰুমলৈ নিয়া হয় যদিও তাতো কোনো চিকিৎসাৰ ব্যৱস্থা নকৰি বহু সময় পেলাই থোৱা বুলি অভিযোগ উঠিছে। যাৰ ফলত প্ৰসুতি গৰাকী প্ৰসৱ বেদনাত চটফটাই চটফটাই নিশা প্ৰায় ৭ বজাত শেষ নিশ্বাস ত্যাগ কৰে। প্ৰসূতিগৰাকীৰ মৃত্যুৰ পাছতে পৰিয়ালৰ লোকে চিকিৎসালয়খনত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। ইফালে, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ খুমটাই শাখাৰ এটা প্ৰতিনিধি দল আজি চিকিৎসালয়খনত উপস্থিত হৈ চিকিৎসালয়খনৰ চিকিৎসক আৰু দুগৰাকী নাৰ্চৰ গাফিলতিৰ বাবেই কালি প্ৰসূতি মাতৃগৰাকীৰ মৃত্যু হোৱা বুলি অভিযোগ কৰে। আটছাৰ প্ৰতিনিধি দলটোৱে ঘটনা সন্দৰ্ভত জিলা আয়ুক্ত, জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক আৰু চিকিৎসালয়ৰ অধীক্ষকক পৃথকে পৃথকে স্মাৰক পত্ৰ প্ৰদান কৰি প্ৰসূতিৰ ক্ষেত্ৰত গাফিলতি কৰা চিকিৎসক আৰু দুয়োগৰাকী নাৰ্ছক উপযুক্ত শাস্তি প্ৰদান কৰিবলৈ আহ্বান জনায়। অন্যথা আটছাই পৰৱৰ্তী সময়ত এই বিষয়ত আন্দোলনৰ কাৰ্যসূচী ল'বলৈ বাধ্য হ'ব বুলিও হুংকাৰ প্ৰদান কৰে। আটছাৰ অভিযোগ গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত চিকিৎসক আৰু নাৰ্ছে বাগিচাৰ লোকসকলক প্ৰায়ে অৱহেলা কৰি আহিছে। আনকি, চৰকাৰে চৰকাৰী চিকিৎসালয়ত সকলো বিনামূলীয়া বুলি চৰকাৰে প্ৰচাৰ চলাই থকাৰ বিপৰীতে এইখন চৰকাৰী চিকিৎসালয়খনত বিভিন্ন চিকিৎসাৰ নামত একাংশ চিকিৎসক নাৰ্চক দাবী কৰা ধন নিদিলে চিকিৎসাৰ ক্ষেত্ৰত হেমাহি কৰাৰ অভিযোগ কৰে আটছা খুমটাই শাখাৰ প্ৰতিনিধি দলটোৱে। ইফালে কৰ্তব্যৰ নাৰ্চ গৰাকী পলাতক অৱস্থাত থকা বুলি জানিব পৰা গৈছে।

## ১০ ডিচেম্বৰত উন্মোচন হ'ব বৃহৎ শ্বহীদ স্মাৰক !

বছৰ ধৰি এই স্মাৰকৰ নিৰ্মাণ কাৰ্য চলি আছে। ইয়াত লাইট এণ্ড চাউণ্ড শ্ব'ৰ জৰিয়তে অসম আন্দোলনৰ ইতিহাস আৰু শ্বহীদসকলৰ কাহিনী দৰ্শকৰ আগত প্ৰত্যক্ষভাৱে উপস্থাপন কৰা হ'ব। পুৰা চাইকেল চলোৱাৰ বাবে বিশেষ চাইকেল ট্ৰেক, গেলেৰীত বহি শ্ব' চোৱাৰ ব্যৱস্থা আৰু প্ৰায় ৫০০ আসনৰ এটা আধুনিক প্ৰেক্ষাগৃহো থাকিব" বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। উন্মোচন অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা যুৱক-যুৱতীসকলে একেলগে "শ্বহীদ প্ৰণামো" গীত পৰিৱেশন কৰিব বুলিও তেওঁ ঘোষণা কৰে। এতিয়ালৈকে ৪০০ গৰাকী শ্বহীদৰ ফটো সংগ্ৰহ কৰা হৈছে আৰু তেওঁলোকৰ মূৰ্তি স্থাপন কৰা হ'ব। ফটো নথকা শ্বহীদসকলৰ পৰিয়ালৰ সৈতে যোগাযোগ কৰি ফটো অংকন কৰি লোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে সদৰি কৰে। জুবিন গাৰ্গৰ সমাধিৰ প্ৰসংগতো মুখ্যমন্ত্ৰীয়ে কঠোৰ স্থিতি পুনৰবাৰ স্পষ্ট কৰে। তেওঁ কয়, "চাৰ্জশ্বীট দাখিল হোৱাৰ পিছতেই যিয়েই জুবিনৰ সমাধিত মদ ঢালিব বা মদ খাই যাব, তেওঁক গ্ৰেপ্তাৰ কৰা হ'ব। এনেকুৱা কৰাসকলৰ ওপৰত চোঁচৰাই নি কাৰ্যবাহী কৰা হ'ব। জীয়াই থকা অৱস্থাত জুবিনক 'জাতীয় সম্পদ' বুলি স্বীকৃতি দিয়া অসমৰ একমাত্ৰ ৰাজনীতিক ময়েই। তেতিয়া বহুতে একো কোৱা নাছিল, কিন্তু মৃত্যুৰ পিছত ৰাতিৰ ভিতৰতে বহুত 'অনুৰাগী' ওলাই পৰিল।" "ভূপেন হাজৰিকাক মানুহে 'মানুহৰ বাবে মানুহ' গীতৰ বাবে চিনি পায়। জুবিনক মদ বা চাৰ্ডাৰ বাবে চিনি পোৱা উচিত নহয়। জুবিনক ষড়যন্ত্ৰমূলকভাৱে মদ খোৱাই হত্যা কৰা হৈছিল বুলি আনুষ্ঠানিকভাৱে প্ৰমাণিত হ'লে কঠোৰ ব্যৱস্থা লোৱা হ'ব" বুলি মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি দিয়ে। শ্বহীদ স্মাৰকৰ কাম পৰিদৰ্শনৰ সময়তে মুখ্যমন্ত্ৰীৰ এই ঘোষণাসমূহে অসম আন্দোলনৰ শ্বহীদসকলৰ প্ৰতি ৰাজ্য চৰকাৰৰ শ্ৰদ্ধা আৰু জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ গুৰুত্ব দুয়োটা দিশতে নতুন বাৰ্তা কঢ়িয়াই আনিছে।

## ইতিহাস সৃষ্টিৰে আজি শপত ল'ব নীতিশ কুমাৰে

এৰিবলৈ একেবাৰে ইচ্ছুক নহয় বুলি জানিব পৰা গৈছে। আনফালে বিজেপিও এই পদৰ পৰা পিছুৱাই নাহে। কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে জোঁটৰ ক্ষুদ্ৰ অংশীদাৰসকলৰ সৈতে আলোচনা অব্যাহত ৰাখিছে। মন্ত্ৰীসভাৰ আকাৰ আৰু বিতৰণৰ ক্ষেত্ৰত প্ৰায় সিদ্ধান্তত উপনীত হৈছে এন ডি এ নেতৃত্ব। প্ৰতি ছয়গৰাকী বিধায়কৰ বিপৰীতে এজনকৈ কেবিনেট মন্ত্ৰীৰ হাৰত মন্ত্ৰালয় বিতৰণ কৰা হ'ব। তাৰ ভিত্তিত বিজেপিয়ে প্ৰায় ১৫খন, জেডি(ইউ)য়ে ১৩ৰ পৰা ১৪খন, চিৰাগ পাছৱানৰ এলজেপি(ৰাম বিলাস)ৰ পৰা ৩খন, জিতন ৰাম মাঝিৰ হাম আৰু উপেন্দ্ৰ কুশৱাহাৰ আৰ এল এমে এটাকৈ মন্ত্ৰালয় লাভ কৰাৰ সম্ভাৱনা আছে। কিন্তু কোনে কোনখন মন্ত্ৰালয় পাব সেই বিষয়ে এতিয়াও চূড়ান্ত সিদ্ধান্ত হোৱা নাই। উল্লেখ্য যে, চিৰাগ পাছৱানে আগতে উপ-মুখ্যমন্ত্ৰী পদৰ বাবে তীব্ৰ দাবী উত্থাপন কৰিছিল যদিও শেষত তেওঁক কেন্দ্ৰীয় মন্ত্ৰিত্বৰে সন্তুষ্ট কৰা হৈছে। বৃহস্পতিবাৰে গান্ধী ময়দানত অনুষ্ঠিত হ'বলগীয়া এই শপত গ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপৰি এন ডি এ জোঁটৰ সকলো শীৰ্ষ নেতা উপস্থিত থাকিব বুলি জানিব পৰা গৈছে। নীতিশ কুমাৰৰ নেতৃত্বত গঠন হ'বলগীয়া এই নতুন চৰকাৰে ৰাজ্যখনৰ ৰাজনৈতিক দিশত আৰু এটা নতুন অধ্যায়ৰ সূচনা কৰিব।

## মহাৰাষ্ট্ৰত মন্ত্ৰীসভাত বিভাজন ১২ৰো অধিক মন্ত্ৰীৰ কেবিনেট

মুখপাত্ৰ আনন্দ ডুবেই মুখ খুলিছে। এখন অনুষ্ঠানত সংবাদ মাধ্যমৰ আগত ডুবেয়ে দাবী কৰে, "শিন্দে গোটৰ একাংশ মন্ত্ৰীকে ধৰি প্ৰায় ২০ৰো অধিক বিধায়ক আমাৰ সৈতে নিয়মীয়াকৈ যোগাযোগত আছে। কেবিনেট বৈঠক ত্যাগ কৰাটোৱে মহাযুঁটিৰ ভিতৰত দিনে দিনে বাঢ়ি অহা অসন্তোষৰে প্ৰতিফলন মাত্ৰ।" তেওঁ লগতে কয়, "এটা পুৰণি কথা আছে — বকুল গছত আম ধৰিব নোৱাৰি। বিজেপিয়ে একনাথ শিন্দেক ব্যৱহাৰ কৰি আমাৰ চৰকাৰ ওফৰাই পেলাইছিল। এতিয়া সেই ষড়যন্ত্ৰৰ ফল কালিৰ কেবিনেট বৈঠকত স্পষ্টকৈ দেখা গ'ল।" ডুবেইৰ মতে, একনাথ শিন্দেৰ একমাত্ৰ লক্ষ্য হৈছে উপ-মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবীছক পিছ পেলাই নিজে মুখ্যমন্ত্ৰীৰ আসন দখল কৰা। কিন্তু "সেয়া কেতিয়াও নহ'ব" বুলি তেওঁ স্পষ্টভাৱে ঘোষণা কৰে। আনহাতে, ৰাজ্যত পৌৰসভা নিৰ্বাচন ওচৰ চাপি অহাৰ মাজতে মহাযুঁটিৰ এই অভ্যন্তৰীণ বিভাজনে ৰাজনৈতিক মহলত তীব্ৰ চৰ্চাৰ সৃষ্টি কৰিছে। শিন্দে গোটৰ মন্ত্ৰীসকলৰ এই পদক্ষেপক কেবিনেটত নিজৰ দাবী-দাওয়াৰ প্ৰতি অৱহেলাৰ প্ৰতিবাদ হিচাপেও চোৱা হৈছে। ফলত মহাযুঁটিৰ ভৱিষ্যত আৰু আগন্তুক নিৰ্বাচনত ইয়াৰ প্ৰভাৱক লৈ নতুন প্ৰশ্ন উত্থাপিত হৈছে। শিৱসেনা (UBT)ৰ নেতৃত্বই এই সুযোগক কাজে লগাই শিন্দে গোটৰ অসন্তুষ্ট বিধায়কসকলক নিজৰ ফালে টনাৰ চেষ্টা আৰম্ভ কৰা বুলি জানিব পৰা গৈছে। ৰাজ্যৰ ৰাজনীতি এতিয়া নতুন মূৰ ল'ব পাৰে বুলি বিশ্লেকসকলে মত পোষণ কৰিছে।